# Assam
# Legislative Assembly
# Debates

## *OFFICIAL REPORT*

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**THIRD SESSION**

**VOL. III**

No. 9

**The 14th September, 1983**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1990*

DEBATES OF ASSAM LEGISLATIVE ASSEMBLY

( *Third Session* )

Volume—III

No. 9

**Dated the 14th September, 1983**

CONTENTS


| | | Page |
|---|---|---|
| 1. | Starred Questions and Answers | 1 |
| 2. | Unstarred Questions and Answers | 25 |
| 3. | Voting on Demands for Grants | 28 |
| 4. | Calling Attention Motion | 112 |
| 5. | Government Bill | 114 |
| 6. | Adjournment | 115 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday the 14th September, 1983 with the Hon. Deputy Speaker in the Chair, 17 ( Seventeen ) Ministers, 6 ( Six ) Ministers of State, 4 ( Four ) Deputy Ministers, 1 (One) Parl amentary Secretary and 66 ( Sixty six ) Members present.

## QUESTIONS

### Starred Questions and Answers

বি : শাৰীৰিক অক্ষম লোকৰ সংস্থান।

শ্ৰীকীৰ্ত্তি দত্তই সুধিছে :

৭৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমান জন শাৰীৰিক অক্ষম লোক আছে আৰু তেওঁলোকৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা কৰা হৈছে ?

(খ) অসম চৰকাৰে শাৰীৰিক অক্ষম লোকৰ প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ চৰকাৰী বা বেচৰকাৰী ভাবে স্থাপন কৰিছে নেকি ?

(গ) ভাৰতৰ প্ৰধান মন্ত্ৰীৰ কুৰিদফীয়া অৰ্থ নৈতিক আঁচনিত সন্নিবিষ্ট কৰা

শাৰীৰিক অক্ষম লোকৰ বাবে প্ৰশিক্ষণ, নিয়োগ আদিৰ ব্যৱস্থাৱলীৰ ক্ষেত্ৰত অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীদীপক মুৰ্মু ( সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৭৫ (ক) অসমত শাৰীৰিক অক্ষম লোক সকলৰ বাবে কোনো জৰিপ (Survey) এতিয়ালৈকে কৰা হোৱা নাই। গতিকে সঠিক সংখ্যা জনা নেযায়।

(১) এই অক্ষম লোক সকলক ক্ষুদ্ৰ উদ্যোগ, ব্যৱসায় আদিৰ জৰিয়তে সংস্থাপনৰ বাবে চৰকাৰী অনুদান দিয়া হয়।

(২) তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চৰকাৰী চাকৰিৰ ক্ষেত্ৰটো শাৰীৰিক অক্ষম লোকৰ সংস্থাপনৰ বাবে শতকৰা ৩ ( তিনি ) ভাগ আসন সংৰক্ষিত ৰখা হৈছে।

(৩) বৃদ্ধ বয়সৰ ভাত্তা পোৱাৰ ক্ষেত্ৰত বয়সৰ সীমা ৬০ বছৰৰ ঠাইত শাৰীৰিক অক্ষম লোকৰ ক্ষেত্ৰত ১০ ( দহ ) বছৰ ৰেহাই দিয়া হৈছে।

(৪) শাৰীৰিক অক্ষম ছাত্ৰ-ছাত্ৰীক অধ্যয়ণৰ বাবে জলপানী ( Scholarship ) পঢ়ুৱৈ ভাত্তা ( Reading allowance ), যাতায়ত ভাত্তা ( Escort allowance ) আদি দিয়া হয়।

(খ) কৰা হৈছে।

(গ) নতুন কুৰিদফীয়া অৰ্থ নৈতিক আঁচনিত শাৰীৰিক অক্ষম লোকৰ সংস্থাপনৰ বাবে বিশেষ কোনো আঁচনি সন্নিবিষ্ট হোৱা নাই।

শ্ৰীকেতেকী দত্ত - অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে অসমত কিমানখিনি শাৰীৰিক ভাবে অক্ষম লোক আছে তাৰ এটা সমীক্ষা কৰিব নেকি ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী ) – চাব, কৰা হ'ব।

শ্ৰীকেতেকী দত্ত – অসমত যিমানখিনি শাৰিৰীক অক্ষম লোক আছে সেইখিনি লোকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীমোহন বসুমতাৰী—শাৰীৰিক ভাবে অক্ষম লোক কিমানজনক এতিয়ালৈকে ভাত্তা দিয় হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—শাৰিৰীক অক্ষম লোকৰ বাবে কৃটিম অঙ্গ আদি, ক্ৰাচ, বিশেষ চচমা, হুইল চেয়াৰ ইত্যাদি প্ৰয়োজনীয় আহিলাপাতি কিনাৰ বাবে অনুদান দিয়া হয়। যোৱা ৩ বছৰত ১৯৮০ চনৰ পৰা ১৯৮৩ চনলৈ চৰকাৰে সাহাৰ্য্য দিয়া লোকৰ আৰু অৰ্থৰ সংখ্যা এনে ধৰণৰ। সংস্থাপন অনুদান ৫ শ ৰ পৰা ২ হাজাৰলৈ, অৰ্থৰ সংখ্যা ৮৩৮৯৫০ টকা, হিতাধিকাৰী ১ হাজাৰ ১ জন। সেইদৰে কৃটিম অঙ্গাদিৰ বাবে ২৯৬ জনক ১ লাখ ৪১ হাজাৰ টকা, জলপানী ৫৫ ৰ পৰা ১ শ টকালৈ ১৩২৪ জনক ১৫,১৭,৪৭২ টকা সেইদৰে যাতায়তৰ ভাট্টা ৬৯ জনক প্ৰতি ৫০ টকাকৈ ৪৪,৩৪৮ টকা আৰু পঢ়ুৱৈ ভাট্টা ২৬ জনক প্ৰতি জনক ৫০ টকাকৈ ১৭ হাজাৰ ৮ শ টকা।

শ্ৰীমোহন বসুমতাৰী—এই যে শাৰিৰীক ভাবে অক্ষম লোক আছে তেওঁলোকক গাওঁ পঞ্চায়তৰ জৰিয়তে ভাট্টা দিয়াৰ খবৰটো জনোৱাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—বিবেচনা ক'ৰি চোৱা হ'ব।

শ্ৰীকেতেকী দত্ত—শাৰিৰীক অক্ষম লোকৰ বাবে কিমান খন বেচৰকাৰী প্ৰশিক্ষণ কেন্দ্ৰ আছে ? সেইবিলাকক আমাৰ চৰকাৰৰ ফালৰ পৰা কিছু সাহাৰ্য্য দিয়া হয় নেকি ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—হয়।

শ্ৰীকেতেকী দত্ত—তেনেকুৱা বেচৰকাৰী কিমান প্ৰশিক্ষণ কেন্দ্ৰ আছে ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—১ নং অসম মুক বধিৰ সংস্থা, গুৱাহাটী, ২ নং শ্ৰীমন্ত শঙ্কৰ মিচন, নগাওঁ, ৩ নং অন্ধ কল্যাণ সমিতি, গুৱাহাটী, ৪ নং অসম অন্ধ শিশু বিদ্যালয়, বিহপুৰীয়া, ৫ নং মানসিক কল্যাণ সমিতি, গুৱাহাটী, ৬ নং জন মঙ্গল আদৰ্শ কেন্দ্ৰ অন্ধ বিদ্যালয়, মৰাণহাট, ডিব্ৰুগড়।

শ্ৰীহেমেন দাস—বিহপুৰীয়াত কিমানজন ছাত্ৰ-ছাত্ৰী আছে ? আৰু বছৰি কিমান

টকা দিয়া হয় ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—এই সংখ্যাটো বৰ্ত্তমান মোৰ হাতত নাই। সুকীয়া প্ৰশ্ন দিলে উত্তৰ দিব পাৰিম।

শ্ৰীমথুৰা ডেকা—শাৰিৰীক অক্ষমতা বুলিলে কেনে ধৰণৰ লোকক বুজায় ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—সাধাৰণতে শাৰিৰীক ভাৱে অক্ষমতা বুলিলে আমি বুজো হাত নথকা, ভৰি নথকা, চকু নথকা ইত্যাদি।

Re : Purchase of T.V. Sets.

Shri Hemen Das asked :

*76. Will the Minister, Education be pleased to state :-

(a) Whether it is a fact that Govt. purchased some T.V. sets on the eve of last Asian Games ?

(b) If so, the number of such sets purchased and the expenditure incurred for the same ?

(c) To whom these sets were given ?

Shri Mukut Sarma ( Minister, Education ) replied :

76. (a) Yes, purchase of T.V. sete was made keeping in view the utilisation of the sets by the Technical Institution for creation of the Audiovisual cell in Technical Institutions.

(b) 30 sets were purchased at a total expenditure of Rs. 2,94,472.50 p.

(c) The sets have been allotted to various Technical Institutions in the State. The list of Institutions is placed on the Table of the House.

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মই মাত্ৰ এতিয়ালৈকে ১২ খনবহে তালিকা পাইছো।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে মই পঢ়ি দিব বিচাৰিছো।

Assam Engineering College, Gauhati 4 Nos, Jorhat Engineering College, Jorhat 4 Nos, P.O.W: Institution, Jorhat 3 nos., Assam Engineering Institute, Gauhati-3 nos, Assam Textile Institute, Gauhati-2 nos, Girls' Polytechnic, Gauhati-2 nos, Nowgong Polytechnic, Nowgong-3 nos, Dibrugarh Polytechnic, Dibrugarh-3 nos., Silchar Polytechnic, Silchar-3 nos., Junior Technical School, Golaghat-1 nos., Junior Technical School, Goalpara-1 nos., Junior Technical School, Sibsagar-1 no. Total 30 sets.

শ্ৰীৰমেশ ফুকন—বৰ্ত্তমান এই টি, ভি চেট বিলাক ক'ত কেনে ভাবে কি অৱস্থাত আৰু কিমান আছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—মই আগতেই কৈছো যে ১২ টা টি, ভি চেট বিভিন্ন শিক্ষা কাৰিকৰী অনুষ্ঠান বিলাকত দিয়া হৈছে।

বি: বিহপুৰীয়া আৰু নাৰায়নপুৰত IRDP Scheme অৰ অধীনত ঋণ।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে:

৭৭। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) উ: লক্ষীমপুৰ মহকুমাৰ বিহপুৰীয়া আৰু নাৰায়নপুৰ ব্লক ডেভেলপমেণ্ট কাৰ্য্যালয়ৰ অধীনত কিমান জন লোকে DRDA কাৰ্য্যালয়ত IRDP Scheme ৰ জৰিয়তে ঋণৰ বাবে আবেদন কৰিছে?

(খ) এতিয়ালৈকে কিমান জনে উক্ত ঋণ পাইছে?

(গ) এই ক্ষেত্ৰত বেংকৰ ফিল্ড অফিচাৰে আবেদনকাৰী সকলক হাৰাশাস্তি কৰা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

(ঘ) যদি জানে, তেন্তে আবেদনকাৰী সকলে কেতিয়া তেওঁলোকৰ ঋণৰ টকা সম্পূৰ্ণ পাব ?

শ্ৰীৰঘুনাথ পামেগাম ( গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৭৭ (ক) ইং ১৯৮৩ চনৰ জুন মাহৰ শেষলৈ বিহপুৰীয়া আৰু নাৰায়ণপুৰ ব্লকৰ ক্ৰমান্বয়ে ১৬৬, আৰু ৯ ৯ জন লোকে IRDP ৰ জৰিয়তে ঋণ পাবৰ কাৰণে আবেদন কৰিছিল।

(খ) ইং ১৯৮৩ চনৰ জুন মাহৰ শেষলৈ বিহপুৰীয়া ব্লকৰ ৭৮৩ আৰু নাৰায়ণপুৰ ব্লকৰ ৫৩৫ জন লোকক বেংকে ঋণ মঞ্জুৰ কৰিছে।

(গ) হয় জানে। এইটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। আৰু বেংকৰ উৰ্দ্ধতন কৰ্ত্তৃপক্ষৰ যোগেদি সংশোধনী ব্যৱস্থা লোৱা হৈছে।

(ঘ) আঁচনিৰ প্ৰকাৰ ভেদে ঋণ এক কিস্তিত সম্পূৰ্ণ ভাবে বা একাধিক কিস্তিত দিয়া হয়।

শ্ৰীৰ্বগৰাম দেউৰী —মোৰ প্ৰশ্ন আছিল এতিয়ালৈকে কিমানজনে ঋণ পাইছে আৰু মাননীয় মন্ত্ৰী মহোদয়ে কৈছে বেংকে ঋণ মঞ্জুৰ কৰিছে। কিন্তু মন্ত্ৰী মহোদয়ে জানেনে যে মঞ্জুৰ কৰা আৰু পোৱাতো এই দুটাৰ মাজত পাৰ্থক্য আছে ?

শ্ৰীৰঘুনাথ পামেগাম ( মন্ত্ৰী )—হয়। মঞ্জুৰ কৰা আৰু পোৱা তাত যে পাৰ্থক্য আছে এই কথাটো জানো। কাৰণ ২ খন বেংকৰ কাৰণে এখন ফিল্ড অফিচাৰে কাম কৰে। এই ফিল্ড অফিচাৰ জনে যি সকল লোকক ঋণ মঞ্জুৰ কৰা হৈছিল সেই মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত কিছু খেলিমেলিৰ সৃষ্টি কৰিছিল আৰু কোনো কোনো ক্ষেত্ৰত ডি, আৰ, ডি, এ ৰ পৰা ৰেহাই মঞ্জুৰ দিয়া হৈছিল। কিন্তু এই ৰেহাই বেংকৰ পৰা দিবলগীয়া খিনি নিদিয়াকৈ ৰাখিছে। আৰু কোনো কোনো ক্ষেত্ৰত এনেকুৱাও কৰিছিল যে যিটো এষ্টিমেট সেইটো ইনকৰেক্ট ইষ্টিমেট দি যাতে কাৰ্য্যকৰী কৰিব

নোৱাৰে তেনেধৰণৰ অসুবিধাৰ সৃষ্টি কৰিছিল। সেই কাৰণে আমি বেংকৰ উচ্চতম কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰি উচিত ব্যৱস্থা লবলৈ যত্ন কৰিছো।

শ্ৰীবৰ্গৰাম দেউৰী—এতিয়ালৈকে চাবচিডিয়াৰি টকাটো দিয়া হৈছে বুলি কৈছে। কেইজনক দিয়া হৈছে? আৰু কিমান দিয়া হৈছে? সেইটো জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—মাননীয় সদস্যজনে যিটো প্ৰশ্ন উত্থাপন কৰিছে এই তথ্য বৰ্ত্তমান মোৰ হাতত নাই। গতিকে এইটো পিচত দিব পৰা হ'ব।

শ্ৰীবৰ্গৰাম ডেউৰী —অধ্যক্ষ মহোদয় যিটো ৰেহাই মূল্য দিয়া বুলি কৈছে সেইমতে যিবিলাক মানুহ শতকৰা ৫০ ভাগ পাবৰ কাৰণে যোগ্য তাৰ এটা উদাহৰণ দিছো। ১৯৮১ চনত শ্ৰীৰাজেন গামে ৭ হাজাৰ ৫ শ টকাৰ দৰখাস্ত কৰিছিল। কিন্তু শতকৰা ৫০ ভাগ হিচাবে তেখেতে মাত্ৰ ২ হাজাৰ ৫ শ টকাহে পালে। সেইদৰে শ্ৰীফুলনাথ গামে ৭ হাজাৰ ৫ শ ৰ ঠাইত ২ হাজাৰ ৪ শ টকাহে পালে। শ্ৰীমলৰেলবাৰী খালাছে ৭ হাজাৰ ৫ শ ৰ ঠাইত ২ হাজাৰ ৫ শ আৰু সোনাৰাম গামে ৭ হাজাৰ ৫ শ ৰ ঠাইত ২ হাজাৰ ৫ শ টকা পালে। এইদৰে তেওঁলোকে যিমান পাব লাগে তাতকৈ বহুত কম পাইছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)— মাননীয় সদস্য গৰাকীয়ে তেখেতৰ হাতত থকা তথ্যখিনি দিলে ইয়াৰ এটা তদন্ত কৰি উচিত ব্যৱস্থা লোৱা হব।

শ্ৰীজগত পাটগিৰি–টকাতো মঞ্জুৰ হোৱাৰ পিচত দৰখাস্তকাৰীক টকাতো দিয়াতো হয়। ৰেহাই দিয়া টকাতোৰ ক্ষেত্ৰত বেংকৰ মেনেজাৰ আৰু ডি, আৰ, ডি, এ ৰ মাজত কাজিয়া হৈছে, কি কাৰণে কাজিয়া হৈছে জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—যদি আমাৰ ডি, আৰ, ডি, এ আৰু বেংকৰ কৰ্ত্তৃপক্ষৰ মাজত আন্তৰিকতা থাকে তেতিয়াহলে টকাখিনি সোনকালে দিব পৰা হয়।

শ্ৰীবৰ্গৰাম ডেউৰী—যিখিনি পেণ্ডিং আছে সেইখিনি কিমান দিনৰ মূৰত কৰা হ'ব। ১৯৮১ চনত যিনানখিনি দৰখাস্ত দিয়া মানুহ আছে তেওঁলোকৰ বহুত সংখ্যক লোকে বেংকৰ চেনচন হোৱাৰ পিচতো সেই বেংকৰ পৰা ফিল্ড অফিচাৰ বদলি হোৱাৰ পিচত দৰখাস্ত বিলাক হেৰাল। ফলত সেই মানুহ বিলাক বঞ্চিত হৈ পৰিল এতিয়া। এই দৰখাস্ত বিলাক কেনেকৈ হেৰাল। ইয়াৰ এটা অনুসন্ধান কৰি জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)– কৰা হ'ব।

Re : District Rural Development Agencies.

Shri Binoy Kumar Basumatari asked :

* 78. Will the Minister Rural Development be pleased to state –

(a) Whether, District Rural Development Agencies in all Districts of the State have got financial aid Programmes for Scheduled Tribes also ?

(b) If so, whether it is also a fact that, Udalguri Block within Darrang District has not been granted any Subsidised Loan through UCO Bank since 1979-80 to scheduled Tribes of the area ?

(c) Whether the Governing Body of DRDA Darrang, Tezpur decided on 28.6.83 to clear 168 pending loan applications through UCO Bank, Udalguri, by organising Credit Camp on 6.7.83 ?

(d) If so, whether this credit Camp was conducted and if not why ?

Shri Raghunath Pamegam ( Minister, Rural Development ) replied :

78. (a) Yes.

(b) 1979-80 – Nil

1980-81 – Nil

1981-82 – 33

1982-83 – 81

1983-84 –

( up to 31.8.83 ) 88.

(c) Yes.

(d) It could not be conducted as the Field Officer of the UCO Bank did not turn up nor made the Pending Loan applications available to any one else.

Shri Binoy Kumar Basumatari—Sir, is the Minister aware that this Field Officer ran away after getting this decision from the Governing Body because he did not get any share from the applicants out of the loan applications and also the B.D.O. did not get any share ? Is the Minister aware of it ?

Shri Raghunath Pamegam ( Minister, Rural Development )— No, Sir, my information is a bit different. My information is that the Bank Officer who was on deputation from the Agriculture Department got order for reversion from his parent Department and accordingly left the Bank to join his parent department. It is also a regular feature and the cancellation of credit

came only due to peculiar circumstances.

Shri Binoy Basumatari – What were the peculiar circumstances ?

Shri Raghunath Pamegam ( Minister, Rural Development )— This Officer, as I have already mentioned, has been reverted to his parent deparment for which he had to leave hurriedly.

Shri Binoy Kumar Basumatari – Mr. Speaker Sir, the Hon'ble Minister has given an information to us which is contradictory to the actual happenings. The main reason was that the Block Development Officer and the Field Officer, they jointly connived with to withhold payment to the applicants. Is the Hon'ble Minister going to look into the matter.

Shri Raghunath Pamegam ( Minister, Rural Development )— Sir, defirintely I will look into the matter.

Re : Cadre Management Secretary.

Shri Joynal Abedin asked :

* 79. Will the Minister Co-operation be pleased to state—

(a) The number of Cadre Management Secretaries at present in the State of Assam.

(b) Is it a fact that monthly salary of the aforesaid Secretaries has been fixed at a lump sum of Rs. 300/— only ?

(c) If so, whether ther is any proposal with the Govt. to increase their monthly salary or for provincialisation of their services by the Govt. in the line of other State Govt. employees.

Shri Tilok Gogoi ( Minister, Co-operation etc. ) replied :

79. (a) There are 574 Cadre Management Secretaries in the State at present.

(b) No, the Cadre Secretaries are given pay in the following scale in addition to other allowances.

i. For gradute Secretaries Rs. 300-575/- p.m.

ii. For under Graduate Secretaries Rs. 250-500/- p.m.

(c) As regards improvement of the existing scale of pay of the cadre Secretaries and their service condition, the matter is under examination of the Deptt.

Shri Rookmini Kanta Roye—Mr. Speaker Sir, I want to know from the Hon'ble Minister whether the matriculate Secretaries are getting at the rate of Rs. 300/- only.

Shri Tilok Gogoi ( Minister, Co-operation)—Sir, Rs. 300-575/- p.m. and Rs. 250-500/- p.m. for graduate secretaries, respectively have been prescribed.

Shri Rookmini Kanta Roye—Sir, how many graduate and under graduate secretaries are there ?

Shri Tilok Gogoi ( Minister, Cooperation etc )—Sir, I have no figure with me now. I shall submit the list later.

Shri Rookmini Kanta Roye—Mr. Speaker Sir, will the Hon'ble Minister let us know whether there is any difference in the functioning and responsibilities of the graduate and under graduate secretaries.

Shri Tilok Gogoi ( Minister, Cooperation etc. )—Sir, functions and responsibilities are the same.

Shri Md. Umaruddin – Mr. Speaker Sir, I want to know from the Hon'ble Minister whether this cadre management Secretaries are at the administrative control of the District Deputy Registrars.

Shri Tilok Gogoi—Minister, Cooperation etc. )—Sir, they are at the administrative control of the Deputy Registrars who is also Chief Executive Officer, of the cadre management Society.

Shri Md. Umaruddin—Sir, whether District Deputy Registrar can transfer him.

Shri Tilok Gogoi ( Minister, Cooperation etc. )--The Deputy Co-op Register, who is the chief Executive after, can transfer him.

বি ঃ ষ্টেটফেড ।

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ষ্টেটফেড অনুষ্ঠানটি সমবায় সমিতিৰ শ্ৰেণীৰ অনুষ্ঠান নে চৰকাৰী নিজা অনুষ্ঠান জনাবনে ?

(খ) যদি সমবায় অনুষ্ঠান হয় তেনেহলে তাৰ বছেৰেকীয়া সাধাৰণ সভা কিমান

বছৰৰ অন্তৰে অন্তৰে হয় ?

(গ) সমবায় উপবিধি এখন থকা স্বত্বেও সাধাৰণ সভা নেপাতি চৰকাৰৰ তৰফৰ পৰা এড্‌হক কমিটি কৰি দিয়াৰ কাৰণ কি ?

শ্ৰীতিলক গগৈ ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৮০ (ক) ষ্টেটফেড অনুষ্ঠানটি এটা সমবায় অনুষ্ঠান ?

(খ) ইয়াৰ বছেৰেকীয়া সাধাৰণ সভা প্ৰত্যেক সমবায় বছৰ শেষ হোৱাৰ ৬০ দিনৰ ভিতৰত হ'ব লাগে ।

(গ) যদিও কেবাবছৰো সাধাৰণ সভা অনুষ্ঠিত হৈছে চৰকাৰে সমবায় সমিতি খনৰ বাবে বৃহত্তৰ ৰাজহুৱা স্বাৰ্থ আৰু সমবায় আন্দোলনৰ ভূমিকা লৈ লক্ষ্য ৰাখি উক্ত অনুষ্ঠানটিৰ বাবে এড্‌হক কমিটি ( তদৰ্থ ) পৰিচালক মণ্ডলী গঠন কৰি দিছে ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, সমবায় সমিতি সমূহৰ একোখন উপ কমিটি আছে। তেনে স্থলত কিমান দিনলৈ চৰকাৰে ৰাখিব পাৰে ? ৰুল মতে ষ্টেটফেদৰ এড্‌হক কমিটি কৰিছে নে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, প্ৰতি ৩ বছৰৰ ভিতৰত হ'ব লাগে। কিন্তু আজি কেবাবছৰো হ'ল, তাৰ কোনো নিৰ্ব্বাচন হোৱা নাই। যোৱা কেইবছৰৰ ভিতৰত ৩০।১০।৭১ তাৰিখে, ২৮।৯।৭৭ তাৰিখে আৰু ২০।২।৭৯ তাৰিখে সাধাৰণ সভা হৈছিল কিন্তু ইলেকশ্বন হোৱা নাই। ইলেকশ্বন সময় মতে পাতিব লাগিছিল কিন্তু অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ কাৰণে পাতিব পৰা নাই। সেইকাৰণে তদৰ্থ কমিটি পতাৰ ব্যৱস্থা হৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, ষ্টেটফেদৰ এড্‌হক কমিটি কোন চনৰ পৰা চলি আছে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ২০-৯-৭৯ তাৰিখে শেষ সাধাৰণ সভা হৈছিল। তাৰ পাছত আৰু হোৱা নাই। চৰকাৰে গঠন কৰি

দিয়া প্ৰথম পৰিচালক মণ্ডলিয়েই চলি আছিল।

শ্ৰীমথুৰা ডেকা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সমবায় সমিতি সমূহ কোন ধাৰা মতে সাধাৰণ সভা হব লাগে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, উপধাৰা ২৯-২।

বি: গোৱালপাৰা জিলাৰ গ্ৰাম সেৱক

শ্ৰীমহম্মদ আলীয়ে সুধিছে :

*৮১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাত কিমান জন গ্ৰাম সেৱক আছে ?

(খ) তেওঁলোক ক'ত থাকে ?

(গ) তেওঁলোক খেতি পথাৰত যায় নে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮১। (ক) গোৱালপাৰা জিলাত মুঠ ৯৩ জন গাওঁ পৰ্য্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্মী আছে।

(খ) বেছি ভাগেই নিজৰ এলেকাত বা ওচৰ চুবুৰীয়া স্থানত থাকে।

(গ) যায়।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, গ্ৰাম সেৱক সকলৰ কোৱাৰ্টাৰ আছে নে বা নিৰ্দ্দিষ্ট এলেকা বুলি কওঁতে কোন থিনিত থাকিব লাগিব সেই সম্পৰ্কে কিবা বিভাগীয় নিৰ্দ্দেশ আছে নেকি ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সকলোৰে কোৱাৰ্টাৰ নাই। আমাৰ গোৱালপাৰা জিলাত ৯৩ জনৰ ভিতৰত ৪৪ জনৰ কোৱাৰ্টাৰ আছে আৰু সেইবিলাকৰ ভিতৰত ১৭ টা নতুনকৈ সজা হৈছে সেই পঞ্চায়তে লৈছে। কিছুমানৰ কোৱাৰ্টাৰ নাই। এলেকা বোলোতে বেলেগকৈ ভাগ কৰা হৈছে। ৮ শ ৰ পৰা এক হেজাৰটা পৰিয়ালৰ ভিতৰত যাতে

কাম কৰিব পাৰে আৰু সেই ঠাইলৈ যাতে সপ্তাহত চাৰিদিন গৈ বিভিন্ন গাওঁত কাম কৰি আহি তাৰ ৰিপোৰ্ট অফিচাৰক দিব পাৰে।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, উন্নয়ন খণ্ড বা ব্লক বিলাকত গ্ৰামসেৱক বিলাকৰ কাম কি ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, বেনৰ প্লেন হিচাবে অধিক ধৰণৰ কৃষি পদ্ধতিৰ বিষয়ে মানুহক শিক্ষা দি প্ৰস্তুত কৰি তোলাৰ কাৰণে তেওঁলোকক ৰখা হয়।

শ্ৰীৰুক্মিণী ৰায়—অধ্যক্ষ মহোদয়, গ্ৰামসেৱক বিলাক গাওঁলৈ যায় নে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, হয়, তেওঁলোক চাৰিদিন গাওঁলৈ যাব লাগে আৰু ওভতি আহি তাৰ ৰিপোৰ্ট দাখিল কৰিব লাগে। আৰু মাজে মাজে ৰেনডম চাৰভে কৰি অফিচাৰক দিব লাগে।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, তেওঁলোক এন, আৰ, পি, ৰ কামতে ব্যস্ত থাকে। মই জনাত কৃষি কাম তেওঁলোকৰ একো নাই। এই ক্ষেত্ৰত বিশেষ তদন্ত কৰি গ্ৰামসেৱক বিলাক যাতে উন্নয়নৰ কামতে থাকি কৃষকক সহায় কৰিব পাৰে তাৰ নিৰ্দ্দেশ চৰকাৰক দিব নেকি ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, উন্নয়ন খণ্ডৰ গ্ৰামসেৱক সকল পঞ্চায়তৰ অধীনত।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, গ্ৰামসেৱক বিলাক বহুতো সময়তে গাওঁলৈ নেযায়। তাৰ কাৰণ কি ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ মুঠ ২ হেজাৰ ৪ শ ৪১ জন গ্ৰামসেৱক আছে। কেতিয়াবা অসুবিধা বশতঃ তেওঁলোক নেযাব পাৰে বিশেষ ভাবে ইয়াৰ খবৰ পালে ব্যৱস্থা ল'ম।

Shri Md. Umaruddin—May I know how many of the new quarters have been occupied by the village level workers ( VLW ) in Goalpara Subdivision ?

শ্রীগোলোক ৰাজবংশী ( মন্ত্রী )—অধ্যক্ষ মহোদয়, যিখিনি কোৱাৰ্টাৰ আছে তাৰ বাদেও নতুন কোৱাৰ্টাৰ হোৱাৰ পিছত প্ৰত্যেক গ্ৰাম সেৱকক নিজৰ এলেকাত থাকিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। প্ৰত্যেক জিলাৰ অফিচাৰে নিৰ্দ্দেশ দিয়ে যাতে তেওঁলোকে নিজৰ এলেকাত থাকে।

শ্রীচিৰাজুদ্দিন—অধ্যক্ষ মহোদয়, গ্ৰামসেৱকবোৰৰ একো কাম নাই। তেওঁলোক অকামিলা হৈ থাকে। মন্ত্ৰী মহোদয়ে জানেনে ?

শ্রীগোলোক ৰাজবংশী ( মন্ত্রী )—অধ্যক্ষ মহোদয়, স্পেচিফিক নোটিচ পালে বিবেচনা কৰি চোৱা হ'ব।

শ্রীচিৰাজুদ্দিন—অধ্যক্ষ মহোদয়, চাহ বাগানৰ ভিতৰত যিবোৰ গাওঁ আছে সেইবোৰ গাওঁলৈ গ্ৰামসেৱকবোৰ নেযায়। মন্ত্ৰী মহোদয়ে জানেনে ?

শ্রীগোলক ৰাজবংশী ( মন্ত্রী )—অধ্যক্ষ মহোদয়, টি প্লেনটেশ্বন লেবাৰ এক্ট মতে চাহ বাগানৰ ভিতৰুৱা গাওঁবোৰ তেওঁলোকৰ অন্তৰ্ভুক্ত।

শ্রীমহম্মদ আলী—অধ্যক্ষ মহোদয়, টোপেশ্বৰী ব্লকত থকা গ্ৰামসেৱক বিলাক গাওঁলৈ গৈ কোনো কাম নকৰে। মন্ত্ৰী মহোদয়ে কথাটো জানে কি ?

শ্রীগোলোক ৰাজবংশী ( মন্ত্রী )—অধ্যক্ষ মহোদয়, ইয়াৰ বাবে বিশেষ অভিযোগ পালে তদন্ত কৰি চোৱা হ'ব।

বি : কামৰূপ পেপাৰ মিল।

শ্রীপূৰ্ণ বড়োৱে সুধিছে :

*৮২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বন্ধ হৈ থকা কামৰূপ পেপাৰ মিল খোলাৰ পিছতো বহু কেইজন পুৰণা শ্ৰমিকক কামত মকৰল নকৰা সম্পৰ্কে চৰকাৰে জানেনে ?

(খ) যদি জানে পুৰণা সকলো শ্ৰমিকক কামত লোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

(গ) এই পেপাৰ মিলত চৰকাৰৰ কি পৰিমাণৰ অংশ আছে জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮২। (ক) চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ) কাম কৰিবলৈ আগ্ৰহ থকা ৬৬ জন পুৰণা শ্ৰমিকৰ ২৮ জনক ইতিমধ্যে মকৰল কৰা হৈছে। বাকী থকা পুৰণা শ্ৰমিক সকলক পুনৰ সোনকালে মকৰল কৰাৰ বাবে কৰ্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে।

(গ) এই মিলত অসম শিল্প সম্প্ৰসাৰণ নিগম ( Assam Industrial Development Corporation ) ৰ ২ ( দুই ) লাখ টকা মূল্যৰ অংশ আছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৬৬ জনৰ ভিতৰত ২৮ জনক মকৰল কৰা হৈছে। মই জানিব বিচাৰিছো যে কামৰূপ পেপাৰ মিলটো শ্ৰমিক সকলক খেদি দিয়াৰ কাৰণে বন্ধ কৰি দিয়া হৈছিল নেকি ? আৰু কিমান দিন বন্ধ হৈ আছিল ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো প্ৰায় এবছৰে বন্ধ হৈ আছিল। শ্ৰমিক সকলক কামৰ পৰা খেদি দিয়াৰ কাৰণে নহয় টকা পইচাৰ অসুবিধাৰ কাৰণে বন্ধ হৈছিল। বৰ্ত্তমান সেইটো চলোৱাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, কামৰূপ পেপাৰ মিলত বছৰি কিমান উৎপাদন হয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, তেতিয়াহলে মন্ত্ৰী মহোদয়ে আমাক জনাব নেকি যে এতিয়ালৈকে পুৰণি ২৮ জনক নিয়োগ কৰাৰ পিছত বাকী সকলক কেতিয়া কামত নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব ? মন্ত্ৰী মহোদয়ে বাকী সকলোকে নিয়োগৰ কাৰণে প্ৰতিশ্ৰুতি দিব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, ৮৮ জন শ্ৰমিকৰ সকলোকে

আমি লোৱাৰ কথটো আমি ভাবিছিলো। কিন্তু শ্ৰমিক সকলৰ মাজৰ পৰা কোৱা হ'ল যে ৫০ জনে মিলটো চলাব পাৰিব। বৰ্ত্তমান আমি বাকী সকলোকো নিয়োগ কৰাৰ চেষ্টা চলাই আছো।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, শ্ৰমিক যদি অধিক হৈছে কামৰ পৰা খেদাবৰ কাৰণে কাৰখানাত নিয়োগ কৰিবলৈ আমি কোৱা নাছিলো। যিসকল এতিয়াও বৰখাস্ত অৱস্থাত আছে সেই সকলক পুণৰ নিয়োগ কৰা হবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে তেওঁ-লোকক পুনৰ মৰকল কৰা হ'ব।

বি : টংলা ডেৰ গাওঁ গড়কাপ্তানী পথৰ নৈনৈ নদীৰ ওপৰৰ দলং

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে :

*৮৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) টংলা ডেৰ গাওঁৰ গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথত নৈনৈ নদীৰ ওপৰত বৰ্ত্তমান থকা কাঠৰ দলং খন পকী দলঙলৈ উন্নত নকৰাৰ কাৰণ কি ?

(খ) এই সংক্ৰান্তত উত্তৰাঞ্চলৰ নদীৰ খৰস্ৰোতা চাপ সম্পৰ্কে চৰকাৰ অৱগত নে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৩। (ক) এনে প্ৰস্তাৱ এতিয়া নাই। আৱশ্যকীয় ধনৰ অভাৱেই প্ৰধান কাৰণ।

(খ) হয় জানে ?

শ্ৰীমতী মৃদুলা চহৰীয়া—অধ্যক্ষ মহোদয়, টংলাত যিবিলাক দলং আছে সেই বিলাক আৰ চি চি কৰাৰ ব্যৱস্থা লৈছে নেকি ? ১৯৮৩-৮৪ চনৰ ভিতৰত গড়কাপ্তানী বিভাগৰ বাজেটত কিমানখন দলং আৰ চি চি কৰাৰ প্ৰস্তাব লোৱা হৈছিল ? আৰু ৰাস্তাৰ ওপৰত যিবোৰ দলং হব সেইবোৰ কাঠৰ হব নে আৰ চি চি হব ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, টংলাৰ ভেৰ গাওঁৰ ওচৰত থকা দলংখন ১৯৮১-৮২ চনতে কৰা হয় আৰু বৰ্ত্তমান এই দলংখন ভালে আছে। সেই কাৰণে এই দলংখন পুনৰ আৰ চি চি কৰাৰ কথাটো উঠা নাই। আৰ চি চি দলঙৰ বাবে পঞ্চবাৰ্ষিক কৰি-কল্পনাত ৩৩০ লাখ টকা ধৰা হৈছে। তাত পাগলদিয়া, বৰমুঘাট, দিবাং, পিঠাগুৰিঘাট, কাটাখাল, আৰু ব্ৰহ্মপুৰ, খেৰখেৰি, চমৰি, চন্তৰি, ৰান্ধান এইবিলাক গাওঁৰ দলং পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাতে লোৱা হৈছিল। এই বিলাক দলঙৰ ওপৰেদি কিমান গাড়ী বা মানুহ চলাচল কৰে তাৰ ওপৰত ভিত্তি কৰি গড়কাপ্তানী বিভাগে দলং কৰাৰ কথা চিন্তা কৰিছে।

শ্ৰীচিৰাজ উদ্দিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যে কেতিয়াৰ পৰা ৰাস্তাবিলাক লোৱা হ'ব। বহুতো সময়ত দৰকাৰী ৰাস্তা বিলাকো লোৱা নহয় আৰু দলং কৰা নহয়।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিযাৰ কথা কৈছে সি একেবাৰে সঁচা। এইটো কথা আমি সকলোৱে জানো যে প্ৰায় ১৬ শখন দলং কাঠৰ দলং হোৱা বাবে যোৱা নিৰ্ব্বাচনৰ সময়ত জ্বলাই দিয়া হ'ল। এইবিলাক আৰ চি চি হোৱা হলে জ্বলাব পৰা নগলহেতেন। এইবিলাক আৰ চি চি কৰাৰ কাৰণে ফ্ৰেজওৱাইজ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীমতী মৃদুলা চহৰীয়া—মঙ্গলদৈৰ উত্তৰ অঞ্চলত গড়কাপ্তানী ৰাস্তাত অনাৱশ্যক ভাবে কাঠৰ দলং দিয়া আছে—য'ত হিউম পাইপ আদিয়েই যথেষ্ট। এনেকুৱা দলঙৰ সংখ্যা কিমান আছে জনাবনে?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—তাৰ কাৰণে বিশেষ প্ৰশ্ন লাগিব। আৱশ্যক নোহোৱাকৈ কৰা হৈছে যদি বিশেষ ভাবে জনালে কথাটো চাম।

শ্ৰীমৃদুলা চহৰীয়া—নদীখন খৰস্ৰোতা বুলি কৈছে। উত্তৰ অঞ্চলৰ নদীবিলাকত

গোটেই বছৰ ধৰি পানী নাথাকে, বাৰিষা পানী আহে আৰু মানুহে বহুত অসুবিধা ভোগ কৰিব লগা হয়। দলং প্ৰায় বছৰাব পৰা নাই, বাৰিষা আহিলে উতুৱাই লৈ যায়। এই ক্ষেত্ৰত শুক্লা নদীত কজ্বৰে দি কৃতকাৰ্য্য হোৱা দেখা গৈছে। ওডালগুৰি, তামোলপুৰ পথত ননৈ নদীত কজৱেৰ কথা ভাবিছে নেকি?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—পৰীক্ষা কৰি চোৱা হ'ব।

শ্ৰীমথুৰা ডেকা – নলবাৰী মহকুমাৰ পাগলাদিয়া নদীৰ দলংখন বহি যোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে? লগতে কি ব্যৱস্থা লৈছে?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীমথুৰা ডেকা – দুবছৰ ধৰি এই দলংখন বহি যোৱাৰ ফলত গাড়ী মটৰ নচলাত বহুত অসুবিধা হৈছে, এই কথাটো নাজানে নেকি?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—কৈছে যেতিয়া নিশ্চয় তদন্ত কৰি চাম।

Re: Dismissal of workers of Jagadamba T.E.

Shri Hemen Das asked:

*84. Will the Minister, Labour be pleased to state?

(a) What is the reason for dismissal of the following workers of Jagadamba T.E. in Nowgong District.?

(1) Smti Lilmoni Tanti,

(2) " Bhaigo Tanti,

(3) " Patalbati Tanti,

(4) " Dayamoni Ghatowal,

(5) " Mariam Chouhan and seventeen others.

Shri Rameswar Dhanowar (Minister, Labour) replied:

84. (a) The reason for dismissal of (1) Smti Lilmoni

Tanti, (2) Smti. Bhaigo Tanti, (3) Smti Patalbati Tanti, (4) Smti Dayamoni Ghatowal, (5) Smti Mariam Chouhan and seventeen others of Jagadamba T.E. is that they participated in a gherao and wrongfully confined the Manager in the office on **23-10-82** for about **7** (seven) hours from 3.00 P.M. to 10.00 P.M. (I.S.T). The manager was also abused by calling names.

শ্রীহেমেন দাস—এই সম্পৰ্কত পুলিচত কেচ দিছে নেকি ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—পুলিচ কেছ দিছেনে নাই খবৰ নাই।

শ্রীহেমেন দাস—যদি পুলিচত কেচ দিয়া নাই তেন্তে এই ঘেৰাওৰ কাৰণে তেওঁলোকক ডিচমিচ কৰাটো যুক্তিসঙ্গত নেকি ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) ইণ্ডাষ্ট্ৰিয়েল লেবাৰ এক্টমতে ডমেষ্টিক ইনকুৱাৰী কৰি যদি দোষী পায় তেন্তে ডিচমিচ কৰিব পাৰে। পুলিচক খবৰ নিদিলেও হয়।

শ্রীহেমেন দাস—তদন্ত হৈছিল নেকি ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—তদন্ত হোৱাৰ পিচত ডিচমিচ কৰা হৈছে।

শ্রীহেমেন দাস—আটাই কেইগৰাকী তিৰোতা নেকি ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—মোৰ হাতত পাচজনী তিৰোতাৰ নাম আছে। আটাই কেইজনৰ নাম নাই।

শ্রীহেমেন দাস—মোৰো হাতত পাচজনীৰ নাম আছে। এই তিৰোতা কেই-জনীয়ে সাত ঘণ্টা মেনেজাৰক ঘেৰাও কৰি ৰখাত যদি মেনেজাৰৰ জীৱ-নলৈ ভয় আছে নিশ্চয় পুলিচক জনাইছে ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী )—জীৱনলৈ ভয় আছে নে নাই কব নোৱাৰো। বং ফুলি সাত ঘণ্টা কনফাইন কৰি ৰাখিছে আৰু বেয়া ব্যৱহাৰ কৰিছে।

বি : বিহপুৰীয়া অন্ধ বিদ্যালয়ৰ পৰিচালনা সমিতি ।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে :

*৮৫। মাননীয় সমাজ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিহপুৰীয়া অন্ধ স্কুলৰ আগৰ অবৈধ পৰিচালনা কমিটিয়ে অন্ধ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰে মঞ্জুৰী দিয়া বহু টকা আত্মসাৎ কৰাৰ ফল স্বৰূপে বৰ্তমান অন্ধ স্কুলখন বন্ধ হৈ থকা কথাটো সঁচা নেকি ?

(খ) যদি সচঁ। উক্ত পৰিচালনা কমিটিত থকা দূৰ্নীতি লিপ্ত লোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

(গ) উক্ত অন্ধ স্কুল খন পুনৰ নিয়াৰিকৈ চলোৱাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীদীপক মুৰ্মু ( সমাজ কল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৫। (ক) এই সন্দৰ্ভত বিহপুৰীয়া অন্ধ স্কুলৰ অধ্যক্ষৰ পৰা সমাজ কল্যান বিভাগে এটা অভিযোগ পাইছে। স্কুল বন্ধ হোৱা খবৰ চৰকাৰে পোৱা নাই।

(খ) ওপৰত উল্লেখ কৰা অভিযোগৰ প্ৰতিলিপি পঠিয়াই জিলা উপায়ুক্তক পূৰ্ণাঙ্গ তদন্ত কৰি তাৰে এটা প্ৰতিবেদন ( Report ) চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ অনুৰোধ কৰা হৈছে। উপায়ুক্তৰ পৰা প্ৰতিবেদন পোৱাৰ পাছতহে চৰকাৰে উপযুক্ত ব্যৱস্থা লব পাৰিব।

(গ) (খ) প্ৰশ্নৰ উত্তৰৰ উপৰিও চৰকাৰে অন্ধ স্কুলখন নিয়াৰিকৈ চলোৱাৰ বাবে এটা তদৰ্থ সমিতি ( Adhoc Committee ) আইনমতে গঠন কৰাৰ কথা বিচাৰ কৰি আছে।

শ্ৰীবৰ্গৰাম দেউৰী—এই যিটো পৰিচালনা সমিতিৰ কথা কলে এই খনে কিমান বছৰ কাৰ্য্যকাল চলাই আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদীপক মুৰ্মু ( মন্ত্ৰী )—এইটো খবৰ মোৰ হাতত নাই। পিচত জনাম।

শ্ৰীবৰ্গৰাম দেউৰী—১২ বছৰ ধৰি জেনেৰেল মিটিং নোহোৱাকৈ এড্‌হক কমিটি

চলি আছে। বিহপুৰীয়া অন্ধ স্কুলত যিটো অত্যাচাৰ চলিছে যে ৬ ষ্ঠ শ্ৰেণীৰ ছাত্ৰী শ্ৰীপদুমী শইকীয়াই ৩-৬-৮২ তাৰিখে আত্মহত্যা কৰিছিল, এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদীপক মুৰ্মু (মন্ত্ৰী)—এইটো তদন্ত কৰি চোৱা হ'ব।

শ্ৰীহেমেন দাস—এতিয়ালৈকে এই স্কুলখনত কিমান টকা অনুদান দিয়া হৈছে ?

শ্ৰীদীপক মুৰ্মু (মন্ত্ৰী)—ৰেকৰ্ডত ২০ হাজাৰ টকা দিয়া হৈছে ১৯৮১-৮২ চনত।

শ্ৰীহেমেন দাস—ইয়াৰ আগেতে কিমান টকা দিয়া হৈছিল ?

শ্ৰীদীপক মুৰ্মু (মন্ত্ৰী)—সেই তথ্য মোৰ হাতত নাই।

শ্ৰীবৰ্গৰাম দেউৰী—অনুদান দিয়া হৈছে মই জনাত ১৯৮২ চনৰ মে মাহত নিছে ৩২ হাজাৰ ৮৫০ টকা, ১৯৮৩ চনত জুন মাহত নিছে ৩৩ হাজাৰ ৬ শ টকা, ৰেকাৰিং ২০ হাজাৰ টকা নিছে ২৯-১-৮২ তাৰিখে ৰিডিং এলাৱেঞ্চ ৬ হাজাৰ টকা মুঠতে ৯৩ হাজাৰ টকা এই ডেৰ বছৰৰ ভিতৰত নিয়া হৈছে। এইখিনি মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদীপক মুৰ্মু (মন্ত্ৰী)—খবৰ কৰি চাম।

শ্ৰীহেমেন দাস—এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা লৈছে ? এই টকাৰ অসৎ ব্যৱহাৰ কৰা সকলৰ বিৰুদ্ধে চৰকাৰে কিবা তদন্ত কৰিবনে ?

শ্ৰীদীপক মুৰ্মু (মন্ত্ৰী)—পৰীক্ষা কৰি চোৱা হ'ব।

Shri Binoy Kumar Basumatari—Sir, our demand is specific, whether Government will institute an enquiry and take steps in the matter ?

শ্ৰীদীপক মুৰ্মু (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)—তদন্ত কৰি চাম বুলি কৈছো।

শ্ৰীবৰ্গৰাম দেউৰী—সদৌ ৰাইজলৈ গোহাৰি বুলি অন্ধ ল'ৰা-ছোৱালী সকলৰ মৰ্ম্মস্পৰ্শী হৃদয় বিদাৰক কাহিনী প্ৰকাশ কৰি তাত কেনেকৈ চুইচাইড কৰিবলগীয়া হৈছে, ৰাতি এঘাৰ বজাত চেক্ৰেটাৰী জনে ছোৱালীক অফিচ

কমলৈ নি কি কৰিলে ইত্যাদি কথা লিখি উলিয়াইছে সেই বিলাক মন্ত্ৰী মহোদয়ৰ জ্ঞাত নহয় নেকি ?

শ্ৰীদীপক মুৰ্মু ( সমাজ কল্যাণ মন্ত্ৰী)—সেইটো খবৰ কৰি চাম।

মাননীয় অধ্যক্ষ—মন্ত্ৰী ডাঙৰীয়াই এই বিলাক ভালকৈ তদন্ত কৰি চাই জনাব। এই বিষয়ত আৰু প্ৰশ্ন নহ'ব। এতিয়া তাৰাংকিত প্ৰশ্ন নং ৮৬।

বি : গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠানৰ অনুমোদিত ঋণ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ৮৬। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জিলা গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠানে অনুমোদন আৰু ৰেহাই মঞ্জুৰী দি যি ঋণ দিবলৈ নিৰ্দ্দেশ কৰে তেনে ধৰণৰ ঋণৰ টকা বেংকে নিদিয়াৰ কাৰণ চৰকাৰে জনাবনে ?

(খ) জিলা গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠানৰ ৰেহাই বাবদ দিয়া ধনবোৰ বেংকে অগ্ৰাধিকাৰ লৈ গৈ বেংকৰ পুঁজি টনকিয়াল কৰা কথাও চৰকাৰে জানেনে ?

(গ) যি কোনো জাতীয় বেংকৰ শাখা সমূহত এনে ধৰণৰ ৰেহাই দিয়া পৰিমাণ বৰ্তমান কিমান জমা হৈ আছে জনাবনে ?

(ঘ) বেংকত জমা হৈ থকা ৰেহাই ধনৰ পৰা চৰকাৰে সুদ আদায় কৰিছেনে ?

(ঙ) যদি কৰিছে তেনে সুদৰ পৰিমাণ কিমান ?

শ্ৰীৰঘুনাথ পামেগাম ( গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৬। (ক) জিলা গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠান সমূহে নিৰ্দ্ধাৰিত নিৰিখ মতে অনুদানৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো কিছু ক্ষেত্ৰত বেংকে অৰ্থনৈতিক কাৰ্য্যকাৰিতাৰ খুটি নাটি দেখুৱাই ঋণ মঞ্জুৰ নকৰাৰ বিষয়ে চৰকাৰে জানে।

(খ) বৰ্তমান চলিত নিয়ম মতে বেংকত আগতিয়াকৈ অনুদান জমা দিয়া ব্যৱস্থা নাই। ঋণ মঞ্জুৰী হোৱাৰ পিচত জিলা গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠান সমূহৰ পৰা পৰামৰ্শ লোৱাৰ পিচত বেংকত জমা থকা ধনৰ পৰা উক্ত

অনুদান সামিল ( Adjust ) কৰে। অনুদানৰ টকাৰে বেংকৰ পুজি টন-কিয়াল কৰাৰ নিয়ম আৰু ব্যৱস্থা নাই।

(গ) বৰ্ত্তমান নিয়ম মতে অনুদানৰ ধন ( Subsidy ) আগতিয়াকৈ জমা দিয়াৰ ব্যৱস্থা নাই।

(ঘ) এই প্ৰশ্ন নুঠে।

(ঙ) এই প্ৰশ্ন নুঠে।

শ্ৰীমথুৰা ডেকা—চাবিশালী বাইহাটাত থকা ইউনাইটেড বেংকে কমলপুৰ অঞ্চলত চেল' ফিল্টাৰ বহুৱাৰ কাৰণে কৃষি বিভাগৰ পৰা দিয়া চাবচিডিৰ আৰু ডি আৰ-ডি-এ ৰ তৰফৰ পৰা দিয়া টকা ৰিলিজ নকৰা কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰঘুনাথ পামেগাম ( গ্ৰাম্য উন্নয়ন মন্ত্ৰী )—এইটো খবৰৰ তথ্য মোৰ হাতত নাই। পিচত খবৰ কৰি জনাব পাৰিম।

শ্ৰীমথুৰা ডেকা—এই সম্পৰ্কে কামৰূপ জিলাৰ উপায়ুক্তই নিজে তদন্ত কৰি ব্যৱস্থা লোৱাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰঘুনাথ পামেগাম ( গ্ৰাম্য উন্নয়ন মন্ত্ৰী )—এইটো তথ্য মোৰ হাতত নাই। চাব লাগিব।

## Unstarred Questions and Answers

বি ঃ নলবাৰী মহকুমাত ৰেহাই মূল্যত বিতৰণ কৰা পাৱাৰ টিলাৰ।

শ্ৰীবিমল গয়াৰীয়ে সুধিছে ঃ

৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নলবাৰী মহকুমাত জনজাতি উপ-পৰিকল্পনা অঁাচনিত বৰ্তমানলৈ জনজাতিয় খেতিয়কক ৰেহাই মূল্যত কিমানটা পাৱাৰ টিলাৰ দিয়া হৈছে ?

(খ) ৰেহাই মূল্যত দিয়া সেইবোৰ পাৱাৰ টিলাৰ জনজাতীয় খেতিয়কে নিজে ব্যৱহাৰ নকৰি অজনজাতীয় লোকক বিক্ৰী কৰাৰ কথা চৰকাৰে জানেনে ?

(গ) যদি জানে এই সম্পৰ্কত কি ব্যৱস্থা লৈছে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৫। (ক) ৮ ( আঠ ) খন।

(খ) চৰকাৰৰ দৃষ্টি গোচৰলৈ অনা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীবিমল গয়াৰী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰদান প্ৰসঙ্গত আঠখন গাওঁত দিয়াৰ কথা জনাইছে। কিন্তু কোন বছৰত কিমান খন গাওঁত দিয়া হ'ল জনাবনে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী )—১৯৮০ চনত চাৰিখন, ১৯৮১-৮২ চনত এখন, ১৯৮২-৮৩ চনত দুখন আৰু ১৯৮৩-৮৪ চনত এখন দিয়া হৈছে। এই আটাইবিলাক ৰেহাই মূল্যত দিয়া হৈছে।

শ্ৰীবিমল গয়াৰী—নলবাৰী মহকুমাত জনজাতীয়ৰ নামত অজনজাতিৰ লোকে ৰেহাই মূল্যত পাৱাৰ টিলাৰ ব্যৱহাৰ কৰি থকা মন্ত্ৰী মহোদয়ে জানেনে ? বিশেষতঃ মই এটা উদাহৰণ দিব খোজো যে মুগাচৰণ ব্ৰহ্মৰ নামত গোপীনাথ ডেকা নামৰ এজনে আমবাৰী গাওঁত ব্যৱহাৰ কৰি আছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে, যদি জানে তাৰ কি ব্যৱস্থা লৈছে।

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী )—জনজাতীয় লোকৰ নাম ট্ৰাইবেল এডভাইচৰি বোৰ্ডে পচন্দ কৰি দিয়া মতে দিয়া হয়।

শ্ৰীবিমল গয়াৰী—এইটো বিশেষ কেচ দাঙি ধৰিছো। এইটোৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি জানে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী )—এইটো নিশ্চয় তদন্ত কৰিম। কিন্তু বোৰ্ডে

পচন্দ কৰি দিয়াৰ পিচত ট্ৰেন্সফাৰ কৰিবলৈ গলে কথাবিলাক অলপ বেলেগ ধৰণৰ হয়।

বি : জনজাতি উপ-পৰিকল্পনা আঁচনিত অন্তৰ্ভুক্ত Pipe water Scheme

শ্ৰীবিমল গয়াৰীয়ে সুধিছে :

৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নলবাৰী মহকুমাত বৰ্তমানলৈ জনজাতি উপ-পৰিকল্পনা আঁচনিত কিমানখন জনজাতি গাওঁত Pipe Water ৰ সুবিধা দিয়া হৈছে জনাবনে ?

(খ) এই কথাটো সঁচা নেকি যে অদালবাৰী, আঙ্গাৰধুৱা, বৰমা, শান্তিপুৰ ফোটানখুটি আদি অঞ্চল Pipe water আঁচনি ভুক্ত হোৱা নাই ?

(গ) যদি সঁচা হয় উক্ত আঁচনিৰে জনজাতীয় লোকক সামৰিব পৰাকৈ সম্প্ৰসাৰণৰ ব্যৱস্থা চৰকাৰে লব নে ?

(ঘ) চৰকাৰে বৰ্ত্তমানে গাওঁ অঞ্চলত নতুনকৈ Pipe water Scheme নলবলৈ সিদ্ধান্ত লোৱা কথাটো সঁচানে ?

শ্ৰীৰঘুনাথ পামেগাম ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬। (ক) জনজাতীয় উপ-পৰিকল্পনা আঁচনিত ৬ খন জনজাতীয় গাওঁলৈ Pipe Water supply Scheme ৰ যোগেদি খোৱা পানীৰ সুবিধা দিয়া হৈছে। তাৰোপৰি A R P ৰ জৰিয়তে ১ খন আৰু M N P ৰ জৰিয়তে ১০ ( দহ ) খন জনজাতীয় গাৱঁত বৰ্তমানলৈকে Pipe water supply Scheme ৰে খোৱা পানী যোগান ধৰা হৈছে।

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে। যিহেতুকে অদালবাৰী আঙ্গাৰধুৱা, বৰমা, ভোটানখুটি অঞ্চলত ইতিমধ্যে Pipe water supply Scheme ৰ পানী যোগান ধৰা হৈছে আৰু শান্তিপুৰত কাম চলি আছে।

(ঘ) সঁচা নহয়। কোন আঁচনিত কোন ধৰণৰ পানী যোগান আঁচনি লোৱা

হব সেইটো আঁচনিৰ খৰচ আৰু কাৰিকৰী দিশ পৰীক্ষা কৰিছে ঠিক কৰা হয়। Pipe water supply Scheme একেবাৰে নলবলৈ চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

শ্ৰীবিমল গয়াৰী – নলবাৰী মহকুমাত ছয় খন গাৱঁত হোৱা বুলি উত্তৰ দিছে; সেই গাওঁ কেইখনৰ নাম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম ( জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী )—গাওঁকেইখনৰ নাম বৰ্তমান মোৰ হাতত নাই।

শ্ৰীবিমল গয়াৰী—(খ) প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে সঁচা নহয় বুলি জনাইছে। মই কৈছিলো যে জনজাতীয় লোক সকলে উক্ত পাইপ ওৱাটাৰৰ পৰা উপকৃত হোৱা নাই আৰু টি-এচ-পি এৰিয়াৰ কাৰণে দিয়া আঁচনিত জনজাতীয় লোক উপকৃত হব নালাগে নেকি ?

শ্ৰীৰঘুনাথ পামেগাম ( জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী )—উপকৃত হব লাগে আৰু উক্ত গাওঁকেইখনত পাইপ ওৱাটাৰ আঁচনিৰ যোগান ধৰা হৈছে বুলি খবৰ পোৱা হৈছে আৰু বৰ্তমান শান্তিপুৰ গাওঁত কাম চলি আছে।

শ্ৰীবিমল গয়াৰী—শান্তিপুৰ গাওঁত কেতিয়া পানী পায় কব নোৱাৰো কিন্তু উপৰোক্ত বাকী বিলাক জনজাতীয় গাওঁত পানী পোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰঘুনাথ পামেগাম ( জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী )—এই বিষয়টো চোৱা হ'ব।

## Voting on Demands for Grants

শ্ৰীপূৰ্ণ বড়ো —মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন শিতানত কমবেড হেমেন দাস ডাঙৰীয়াই কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিছে আৰু তাৰ সমৰ্থনত মই কেইআষাৰ মান কথা কব খুজিছো। জলসিঞ্চন মন্ত্ৰী মহোদয়ে ছয়ত্ৰিশ কোটি আঠ লাখ তেসত্তৰ হাজাৰ টকা জলসিঞ্চনৰ বাবে বিচাৰিছে। জলসিঞ্চনৰ কাৰণে ইমান টকা দিয়াত আমাৰ আপত্তি নাই। কিন্তু খেতি পথাৰত

পানী যোগানৰ কাৰণে এই টকা যদি খৰচ কৰা নহয় আৰু আত্মসাৎহে কৰা হয় তেনেহলে আমাৰ আপত্তি নিশ্চয় আছিব। আজি আমি দৈনিক অসম কাকতত প্ৰকাশিত হোৱা বাতৰি দেখিছো যে জলসিঞ্চন বিভাগৰ টকা আত্মসাৎ কৰিছে বিভাগীয় কৰ্মচাৰীয়ে। এনে ধৰণে খেতিয়কক খেতি পথাৰত পানী যোগান দিয়াৰ সলনি আত্মসাৎ কৰিবলৈ টকা দিয়াত আমাৰ আপত্তি আছে। অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ যথেষ্ট প্ৰয়োজন আছে কিয়নো বছৰটোৰ মাত্ৰ কেইটামান মাহতহে বৰষুণ হয় আৰু তাৰ উপৰিও খৰাং বতৰৰ কথা আছেই। অথচ কৃষিৰ কাৰণে পানী হৈছে অপৰিহাৰ্য্য। পানী যোগানৰ ব্যৱস্থা ঠিক নহলে কেৱল প্ৰাকৃতিক বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি খেতিৰ সুফল আশা কৰিব নোৱাৰি।

অধ্যক্ষ মহোদয়, আমাৰ ইয়াত জলসিঞ্চনৰ প্ৰয়োজন আছে কাৰণ বছৰৰ কেইটামান মাহতহে বৰষুণ হয়। জলসিঞ্চন নহলে উৎপাদন হব নোৱাৰে। কৃষি জাত ফচলৰ প্ৰথম স্বত্ব হৈছে জলসিঞ্চন। বৰষুণ নোহোৱা সময়খিনি আৰু খৰাং বতৰত জলসিঞ্চন নহলে খেতিয়কে খেতি কৰিব নোৱাৰে। কাজেই বাৰিষাৰ সময়খিনিৰ বাহিৰে বা খৰাং বতৰ হলেও খেতিয়কে খেতি পথাৰত খেতি কৰিবলৈ হলে জলসিঞ্চন লাগিবই। উন্নত ধৰণৰ ফচল উৎপাদন কৰিবলৈ হলে, আৰু আধুনিক ধৰণেৰে খেতি কৰিবলৈ হলে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। আমি জলসিঞ্চনৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰিছো। আমাৰ কৃষক সকল সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। বৰষুণৰ ওপৰত নিৰ্ভৰশীল হলে খুব বেচি এটা খেতিৰ বাহিৰে আৰু বেচি খেতি কৰিব পৰা নাযায়। খেতিয়কে যেতিয়া খেতি কৰিব লাগে আৰু তাত যদি জলসিঞ্চন ব্যৱস্থাৰে পানী দিয়া নাযায় তেতিয়াহলে উৎপাদন হব নোৱাৰে। আমাৰ দেশৰ অৰ্থনীতি কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। আজি স্বাধীনতাৰ ৩৬ বছৰৰ পিচতো মাত্ৰ শতকৰা ১০ ভাগ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা হৈছে। আমি ভাবিছো এই গতিত জলসিঞ্চনৰ ব্যৱস্থা লবলৈ হলে শতকৰা ৫০ ভাগ মাটিত জলসিঞ্চনৰ ব্যৱস্থা

কৰোতে প্ৰায় ১৫০ বছৰৰো বেচি সময় লাগিব। জলসিঞ্চনৰ কাৰণে কোটি কোটি টকা আগৰ বাজেটত ধৰা হৈছিল, এই বিলাকৰ ক্ষেত্ৰত যি দুৰ্নীতি হৈছে এই সম্পৰ্কত চৰকাৰে আৰু জলসিঞ্চন বিভাগে কি ব্যৱস্থা লৈছে? আজি চৰকাৰে দূৰ্নীতি আতৰ কৰিবলৈ কঠোৰ ব্যৱস্থা লোৱা দৰকাৰ হৈ পৰিছে। জলসিঞ্চনৰ কাৰণে যি কোটি কোটি টকা বাজেটত মঞ্জুৰ কৰি দিয়া হৈছিল এই বিলাক টকাৰ সৎব্যৱহাৰ হব লাগিব। আমাৰ কৃষকে কৃষিৰ উৎপাদন পাবলৈ জলসিঞ্চন পাব লাগিব। চৰকাৰী হিচাবমতে কোৱা হৈছে যে প্ৰায় ২৭ লাখ হেক্টৰ মাটিত জল-সিঞ্চন হব লাগে। কিন্তু এতিয়ালৈকে ৪ লাখ হেক্টৰ মাটিতহে জলসিঞ্চন ব্যৱস্থা হৈছে। গতিকে জলসিঞ্চন ব্যৱস্থা অতি দ্ৰুত গতিত হোৱা অতীব প্ৰয়োজন। আমি জানো যে এক লাখ টন ধান উত্পাদন কৰিবলৈ হলে ৪ লাখ টন পানীৰ প্ৰয়োজন। সেইদৰে গম উত্পাদন কৰিবৰ কাৰণে পানীৰ প্ৰয়োজন হল ১৭৫০ টন। ধানেই হওক বা গমেই হওক বা অন্যান্য কৃষিজাত সামগ্ৰীয়েই হওক এই সকলো বিলাক উত্-পাদন কৰিবলৈ পানীৰ প্ৰয়োজন। এই পানীৰ যোগান যদি জলসিঞ্চনৰ যোগেদি ধৰিব পৰা নহয়, তেতিয়াহলে খেতিয়কে উত্পাদন কৰিব নোৱাৰে। আকৌ বৰষুণ মৌচুমী বায়ুৰ ওপৰত নিৰ্ভৰশীল। মৌচুমী বায়ুৰ গতি যদি কেতিয়াবা ইফাল সিফাল হয় তেতিয়াহলেও খেতিয়কে পানী পাব নোৱাৰে। আজিলৈকে যি খিনি পানী যোগানৰ কাৰণে ব্যৱস্থা কৰা হৈছে সেই খিনিয়ে খেতিয়কৰ চাহিদা পূৰণ কৰিব পৰা নাই। আৰু যি যি অঞ্চলত পানী যোগানৰ প্ৰকল্প হৈছে সেই অঞ্চল বিলাকৰো সম্পূৰ্ণ চহিদা পূৰণ কৰিব পৰা নাই। প্ৰকল্প বিলাকত যিমান দূৰলৈকে নলা দিয়া হয় সিমান দূৰলৈকে পানী পাব নোৱাৰি। শুক্লা প্ৰকল্প ১৯৭৭ চনতেই স্থাপিত কৰা হৈছিল। এই প্ৰকল্পটো আচলতে যদিও তামুলপুৰত ৰঙিয়া-লৈকে ইয়াৰ নলা হৈছে। এই প্ৰকল্পৰ পৰা ২০ কিঃ মিঃ আতৰলৈকে নলা খাণ্ডি নিয়া হৈছে। এই যে ২০ কিঃ মিঃ দূৰলৈকে নলা খাণ্ডি নিয়া হৈছে ইয়াৰ সুফল বাইজে পাইছেনে নাই সেই কথা চাবললীয়া হৈছে। আগতে কৈছিল যে যলৈকে নলা খণ্ডা হয় তলৈকে উপকৃত হব।

কিন্তু এতিয়া আমি দেখিছো যে এই ২০ কিঃ মিঃ দূৰলৈ খৰাং বতৰত পানী যোৱা দূৰৰ কথা বৰষুণৰ বতৰতেই পানী নাযায়। এই বৃহত শুক্লা প্ৰকল্পৰ দ্বাৰা ৰাইজ উপকৃত হব পাৰিছেনে? আমি দেখিছো যে এই ২০ কিঃ মিঃ দূৰত্বত কথা বাদ দি ৫৮ কিঃ মিঃ দূৰৰ পথাৰতো ভালদৰে পানীৰ যোগান ধৰিব পৰা নাই। এই প্ৰকল্পৰ পৰা খেতিয়কে যি পৰ্য্যাপ্ত পৰিমাণৰ পানী পাব লাগে সেই পৰিমাণৰ পানী পাইছেনে? আৰু কৈছে যে য'ত নলাৰ প্ৰয়োজন হয় তাত খেতিয়কে নিজে নলা খাণ্ডি ল'ব। কিন্তু কথা হৈছে দুখীয়া খেতিয়ক সকলৰ দ্বাৰা এইদৰে নলা খাণ্ডি খেতিলৈ পানী নিয়া কথা কিমান দূৰ সম্ভৱ হব পাৰে? ২০ কিঃ মিঃ দূৰৰ কথাই নাই ৫।৮ কিঃ মিঃ দূৰতে যদি ভাল ব্যৱস্থা কৰিব নোৱাৰে তেতিয়াহলে খেতিয়কে খেতি কেনেকৈ কৰিব? গতিকে এই বিলাকৰ এটা ভাল ব্যৱস্থা হব লাগে।

এই জলসিঞ্চন বিভাগৰ প্ৰকল্পৰ কাৰণেই এনেধৰণৰ ঘটনাবিলাক চলি আছে। সিদিনা বিভাগীয় মন্ত্ৰী মহোদয়ে মোক জনাইছিল যে বৰদোঙা বতাহকুছি অঞ্চলত উত্তোলিত জলসিঞ্চন আঁচনিৰ কাৰণে চাৰ্জ কৰা হৈছে। মাজে সময়ে এই বিভাগে উত্তোলিত জলসিঞ্চন আৰু গভীৰ নলী নাদৰ কাৰণে চাৰ্জ কৰি থাকে কিন্তু ৫ বছৰ পৰ্য্যন্ত সেই আঁচনি সম্পূৰ্ণ হৈ নুঠে। আমি দেখিছো এনেধৰণে বহু ঠাইত গভীৰ নলীনাদ আৰু উত্তোলক জলসিঞ্চন আঁচনিৰ কাৰণে চাৰ্জ বহুত আগতে কৰা হলেও আঁচনি নলয় বা কাৰ্য্যকৰী কৰা নহয়। এই উত্তোলিত জলসিঞ্চন বা গভীৰ নলীনাদ বিলাক কিবা কাৰণত বেয়া হলে বা অচল হলে সেই বিলাক পুনৰ সোনকালে ভাল কৰা দেখা নাযায়। কিবা কাৰণত বেয়া হলে বা অচল হ'লে দৌৰা-দৌৰীকৈ ভাল কৰা দৰ্কাৰ কিন্তু সুদীৰ্ঘ কেবাবছৰো অচল হৈয়ে পৰি আছে। আমি জনাত এই উত্তোলক আঁচনিৰ কাৰণে বিদ্যুতৰ দৰ্কাৰ, কিবা কাৰণত বিদ্যুতৰ লাইন বিছিন্ন হব পাৰে যাৰ কাৰণে পানী যোগান ব্যাহত হয় কিন্তু ২-৩ বছৰ পৰ্য্যন্ত এবাৰ বিদ্যুত যোগান বিছিন্ন হলে তাক আৰু পুনৰ সংযোগ কৰা নহয়? আচলতে খেতিয়কে তাৰ পৰা কি অসুবিধাৰ সন্মুখীন হৈছে সেইটোলৈ লক্ষ্য কৰা

নহয় বা খেতিয়কৰ সুবিধাৰ কাৰণে তাক পুনৰ সোনকালে সংযোগ কৰাৰ ব্যৱস্থা বিভাগে নকৰে। গতিকে এনে অৱস্থাত এই জলসিঞ্চন বিভাগৰ এই দিশটো ভালকৈ পৰীক্ষা কৰা প্ৰয়োজন হৈ পৰিছে। অসমত বহুত নদী উপনদী আছে আৰু সেই নৈ আৰু উপনৈৰ অতিৰিক্ত পানী খেতি পথাৰলৈ বোৱাই আনি কেনেকৈ খেতি পথাৰত যোগান ধৰিব পাৰি সেই বিষয়ে বিভাগে চিন্তা কৰা প্ৰয়োজন হৈ পৰিছে। আজি বহুতো অঞ্চলৰ বাইজে পানীৰ কাৰণে খেতি কৰিব পৰা নাই অথচ তেওঁলোক উপযুক্ত খেতিয়ক গতিকে সেই সকল খেতিয়কে যাতে পানীৰ অভাৱত খেতি নকৰাকৈ থাকিব নালাগে তাৰ উপায় জলসিঞ্চন বিভাগে উদ্ভাৱন কৰিব লাগে। কিন্তু আমি দেখিছো কৃষক সকলক সঠিকভাৱে সহায় কৰিবৰ কাৰণে জলসিঞ্চন বিভাগ আগুৱাই অহা নাই। কৃষকৰ কাৰণেই আঁচনি লোৱা হৈছে অথচ সেই আঁচনি অচল হৈ পৰি থকা স্বত্বেও জলসিঞ্চন বিভাগে তাক ভাল কৰাৰ ব্যৱস্থা কৰা নাই যাৰ কাৰণে দুখীয়া খেতিয়ক সকল ক্ষতিগ্ৰস্ত হৈছে। আমি জলসিঞ্চন বিভাগক এটা কথাই কব খুজিছো যে দমকলৰ যোগেদি হওঁক বা উত্তোলক জলসিঞ্চন আঁচনিৰ যোগেদি হওঁক কৃষক সকলক সহায় কৰাৰ কাৰণে এই বিভাগে ফলপ্ৰসু আঁচনি গ্ৰহণ কৰক। মই আগতে উল্লেখ কৰিছো প্ৰধান দোঙৰ পৰা কৃষকৰ সুবিধাৰ কাৰণে সৰু সৰু দোং কৰি খেতিয়কক পানী যোগানৰ ব্যৱস্থা কৰক। আমি সকলোৱে জানো আমাৰ দেশত সৰহভাগ খেতিয়কেই দুখীয়া খেতিয়ক এই দুখীয়া খেতিয়ক সকলে যাতে জলসিঞ্চন বিভাগৰ পৰা উপকৃত হব পাৰে তাৰ কাৰণে ১০ বিঘা মাটিলৈকে বিনা মূল্যে পানী যোগানৰ ব্যৱস্থা চৰকাৰে কৰক। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। আশা ৰাখিছো জলসিঞ্চন বিভাগ তথা চৰকাৰে সাধাৰণ কৃষকে পানীযোগানৰ ক্ষেত্ৰত যি অসুবিধাৰ সন্মুখীন হৈছে সেই অসুবিধা দূৰ কৰিব আৰু এই বিভাগত যিবিলাক দূৰ্নীতি আছে সেই দুৰ্নীতি ৰোধ কৰাৰ যত্ন কৰিব আৰু দোষী লোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব। এইখিনিকে কৈ কমৰেদ হেমেন দাসে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো মই নিজেও উত্থাপন কৰি সমৰ্থন কৰিলো।

শ্ৰীচিৰাজুদ্দিন আহমেদ—মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ওপৰত যি অনুদান বিচাৰিছে মন্ত্ৰী মহোদয়ে সেই অনুদান মই সমৰ্থন কৰিছো আৰু সেই বিষয়ে দুষাৰমান বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ ক্ষেত্ৰত যোৱা কালি আৰু আজিও বহুকেইজন মাননীয় সদস্যই বক্তৃতা ৰাখিছে আৰু ময়ো কব বিচাৰিছো এই কাৰণেই যে এই জল-সিঞ্চন বিভাগৰ ত্ৰুটি বা আসোৱাহ আছে সেইবিলাক সমালোচনা বা আত্মসমালোচনা কৰি তাক কেনেকৈ শুধৰণি কৰিব পৰা যায় তাৰ চেষ্টা কৰিব লাগে। জলসিঞ্চন বিভাগত আজি দেখা যায় যিবিলাক আঁচনি লোৱা হয় সাধাৰণতে সি সম্পূৰ্ণ নহয়। তেনেকুৱা বহুত উদাহৰণ আছে— মোৰ সমষ্টিতে বাৰিবাৰী, মুৰাবাৰী, ফুটৰীবাৰী, শোলমাৰী আদি ঠাইত দেখা গৈছে লাখ লাখ টকাৰ আঁচনি লোৱা হৈছিল কিন্তু দুৰ্ভাগ্যৰ কথা আজি ৪ বছৰে এই আঁচনিবিলাক সম্পূৰ্ণ হৈ উঠা নাই আৰু পানীও সৰবৰাহ হোৱা নাই।

অধ্যক্ষ মহোদয়, ইয়াৰ ফলত অকল যে ধনৰ যে অপচয় হৈছে এনে নহয়। বহুতো দুখীয়া খেতিয়ক ৰাইজৰ যি অলপ মাটি আছিল তাৰ ওপৰেদি এই আঁচনিবিলাক নিয়াৰ ফলত ৰাইজৰ উপকাৰ হোৱা-তকৈ ক্ষতিহে হৈছে। এই আঁচনিবিলাক সম্পূৰ্ণ নোহোৱাৰ কাৰণে এই অঞ্চলৰ ৰাইজৰ বহু অসুবিধা হৈছে। নামত জলসিঞ্চন হৈছে কিন্তু তাৰ পৰা ৰাইজে একো উপকাৰ পোৱা নাই। আৰু এটা কথা দুখীয়া ৰাই-জৰ যি ২-৩ বিঘা মাটি আছিল, য'ত তেওঁলোকে খেতি কৰি খাই জীয়াই আছিল এতিয়া এই আঁচনি বিলাক তাৰ ওপৰেদি যোৱাৰ কাৰণে সেই খিনিও নোহোৱা হৈ গ'ল। এই আঁচনি বিলাক যেতিয়া লোৱা হয় তেতিয়া তাত এটা চাৰ্ভে কৰা হয়। এই চাৰ্ভে ৰিপোৰ্ট মতেই ৰাইজক ক্ষতি পূৰণ আদি দিব লাগে। কিন্তু বছৰে বছৰে আঁচনি লোৱা হৈছে অথচ ৰাইজে ক্ষতিপূৰণ পোৱা নাই। গতিকে এতিয়া এনে ধৰণৰ কথা হৈছে যে আঁচনি বিলাক ৰাইজৰ উপকাৰৰ কাৰণে নহৈ হাৰাশাস্তি কৰাৰ কাৰণেই কৰা হৈছে। বছৰে বছৰে আঁচনি বিলাক লোৱা হৈছে আৰু বছৰে বছৰে ৰাইজ ক্ষতিগ্ৰস্ত হৈছে। অধ্যক্ষ মহোদয়,

এই আঁচনি বিলাকত দূৰ্নীতি ঠিকাদাৰৰ পৰা আৰম্ভ কৰি বিভাগীয় কৰ্মচাৰীলৈকে সকলো জড়িত আছে। তেওঁলোকৰ অৱহেলা আৰু ইঞ্জিনিয়াৰ আৰু এচ, ডি, অ' সকলৰ দূৰ্নীতিৰ কাৰণেই এই আঁচনি বিলাক সম্পূৰ্ণ হৈ নুঠে।

অধ্যক্ষ মহোদয়, আৰু এটা ভূত পোৱা ধৰণৰ কথা এই আঁচনি বিলাকত দেখা যায়, সেইটো হৈছে মাষ্টাৰ ৰোলত মানুহ লোৱা ব্যৱস্থা। দূৰ্নীতিৰ চূড়ান্ত নিদৰ্শন ইয়াত দেখা যায়। ইয়াত এখন ভেকো ভাওনা চলি আছে। যি বিলাক শ্ৰমিক লোৱা হয় তেওঁলোকৰ দৰমহাৰ কোনো নিৰ্দ্দিষ্ট নিয়ম নাই। দৰহমা দিয়াই নহয়। যদি ৫০ জন শ্ৰমিক লোৱা হয় তেতিয়া মাহটোৰ পিচত মাত্ৰ ৫ দিন বা ১০ দিনৰ দৰমহাহে তেওঁলোকক দিয়া হয়। মই এটা মাত্ৰ উদাহৰণ দিলোঁ। সেয়ে মই কৈছো জলসিঞ্চন বিভাগৰ দূৰ্নীতি যদি দূৰ কৰিব বিচাৰে তেন্তে নিৰ্দ্দিষ্ট শ্ৰমিক লোৱাৰ ব্যৱস্থা কৰক। নহলে বছৰে বছৰে আঁচনি লব আৰু মাহে মাহে দূৰ্নীতি চলি গৈ থাকিব এই বিষয়া সকলৰ মাজত। দুখীয়া শ্ৰমিক সকল বঞ্চিত হৈয়ে থাকিব। আকৌ নিয়োগৰ ক্ষেত্ৰতো দূৰ্নীতি আমি দেখিবলৈ পাইছোঁ। এই ধৰণে যে জধে মধে মানুহ নিয়োগ কৰে আৰু জধে মধে চাটাইও কৰে। ইচ্ছা মতে নিয়োগ হয় আৰু ইচ্ছামতে চাটাইও হয়। আচলতে নিয়মমতে বিজ্ঞাপন হব লাগে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে বিজ্ঞাপনৰ জৰিয়তে এই নিয়োগবিলাক হয় তাৰ বাবে যেন অলপ চকু দিয়ে। আমাৰ জলসিঞ্চন কাৰ্য্যকৰী নোহোৱাৰ কেইটামান কাৰণ আছে। কৃষি বিভাগত এইটো বিতং ভাৱে আলোচনা হৈছিল। আমাৰ জলসিঞ্চনৰ বেচিভাগ মাটিয়েই ভোগ দখলৰ মাটি। সেয়ে জলসিঞ্চনৰ ক্ষেত্ৰত দেখিছোঁ পানী সৰবৰাহৰ সময়ত ৰাইজৰ মাজত কাজিয়া হয়। তাৰ কাৰণ হল সময়মতে পানী বিতৰণ কৰিব নোৱাৰা অৱস্থা। যেতিয়া বৰষুণ নাই পানী লাগে তেতিয়া বিভাগে পানী দিব নোৱাৰে কাৰণ বিজুলী শক্তি নাথাকে। আকৌ যেতিয়া বিজুলীৰ খবৰ লবলৈ গলে কয় যে পাম্পচেট বেয়া, মেকানিক নাই। এইধৰণে ইজনে

সিঞ্চনৰ গাত দোষ জাপি দিয়ে। সেই কাৰণে এই তিনিওটা বিভাগৰ মাজত সমন্বয় থকা প্ৰয়োজন। নহলে ইজনে সিজনৰ গাত দোষ জাপি দি হাত সাৰিব খোজে ফলত দুখীয়া খেতিয়ক সকলক মাজতে ক্ষতিগ্ৰস্ত হয়। জলসিঞ্চন কৃতকাৰ্য্য কৰি তুলিবলৈ হলে বিদ্যুত বিভাগ, জলসিঞ্চন, মেকানাইজ কালটিভেচনৰ মাজত সমন্বয় থাকিবই লাগিব। নহলে মই দাঠি কব পাৰো যে আমি চিঞৰি থাকিলেও জলসিঞ্চন কেতিয়াও কৃতকাৰ্য্য নহয়।

মই আৰু এটা কথা যে আমাৰ জলসিঞ্চন বিভাগে কেতিয়া কোন পথাৰত পানী দিব তাৰ কোনো নিৰ্দ্দিষ্ট তালিকা বা নিয়ম নাই। সেয়ে যিদিনা পানী বিতৰণ কৰা হয় সকলো ৰাইজেই একেদিনাই পথাৰলৈ যায় আৰু পানীলৈ তেওঁলোকৰ মাজত বিবাদৰ সৃষ্টি হয়। মই সেই অঞ্চলৰ মুৰব্বী হিচাবে আৰু কাউন্সিলাৰ হিচাবেও এনে বহুতো বিবাদ মীমাংসা কৰিবলগীয়া হৈছে। এই বিষয়ে মই পৰামৰ্শ দিছিলো যে এই কেনেলবোৰ যি মাটিৰ ওপৰেদি গৈছে সেই গোটেইবোৰ এটা কমপেক্ট এৰিয়া কৰি দিব লাগে আৰু পানী দিয়াৰ এখন চাৰ্ট বনাব লাগে। যিদিনা যিখন পথাৰত পানী দিব সেই অঞ্চলৰ ৰাইজক আগতীয়াকৈ জনাই দিলে ৰাইজৰ মাজত উখল মাখলো নালাগিব আৰু পানী যথাযথ ব্যৱহাৰ হব।

অধ্যক্ষ মহোদয়, আৰু এটা কথা এই আঁচনি বিলাক বৰ পুৰণিকলীয়া সেয়ে ৰাইজৰ উপকাৰতকৈ বিস্তৰ ক্ষতি হোৱাহে দেখা যায়। একো একোটা খাল বহল আৰু দীঘলে এনেভাৱে গৈছে যে ৰাইজৰ হাজাৰ হাজাৰ বিঘা মাটি অপচয় হৈছে। এই কেনেলবোৰ যদি বৈজ্ঞানিক পদ্ধতিৰে কৰা হ'লহেতেন তেন্তে ৰাইজৰ বহু মাটি ৰক্ষা পৰিলহেতেন। সেই কাৰণে এই আঁচনিবিলাক আধুনিকীকৰণ কৰা একান্ত প্ৰয়োজন। নহলে ৰাইজৰ যি পৰিমাণে মাটি যায় সেই পৰিমাণে উপকাৰ তেওঁলোকে নাপায়। সেয়ে মই মন্ত্ৰী মহোদয়ক কওঁ এই আঁচনিবিলাক যাতে উক্ত পদ্ধতিৰে লোৱা হয় তাৰ বাবে যেন লক্ষ্য ৰাখে। মই

আগতে কেইটামান অঁাচনিৰ কথা কৈছিলো যেনে—মূৰাবাৰী, শলমাৰী, বামনীয়ৰী, আৰু ধড়োবাৰী এই অঁাচনি কিটা ৫ কিলোমিটাৰ বহল আৰু আচৰিত কথা আজি ৫-৬ বছৰেও এই অঁাচনি কিটাই পানী যোগান ধৰিব পৰা নাই। এই পূৰণি অঁাচনিবিলাক নতুনকৈ ৰিপেয়াৰ বা ৰিঅৰগেনাইজচন কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। সদৌ শেষত মই জলসিঞ্চনৰ ওপৰত মোৰ বক্তব্য ৰাখিলো আৰু মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কেইটামান পৰামৰ্শ আগবঢ়ালো, যাতে সেইবোৰ তদন্ত কৰি ৰাইজৰ উপকাৰ কৰে আৰু জলসিঞ্চনৰ ওপৰত অনুদান সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ধন্যবাদ।

Shri Benoy Kumar Basumatari—Mr. Speaker, Sir, I rise to support the cut motion tabled by our colleagues Mr. Das and Mr. Boro. Sir, I do not want to go into the details of this Irrigation Budget but I just wish to refer to page 23 and 24 where the Tribal Sub Plan areas allocation is mentioned. Sir, for management of Tribal Sub Plan areas sixty five lakhs of rupees will be paid as salaries; wages—Rs. 1,30,000; travel expenses—Rs. 15,00,000; ofice expenses Rs. 15,00,000 and rents Rs. 5,00,000. Major works only Rs 1,:0,000 and minor works Rs. 3,46,00,000; Survey and statistics Rs. 10,00,000; special assistance Rs. 65,00,000; Materials and equipment Rs. 10,00,000; motor vehicles Rs 4,00,000; Write off of losses Rs. 54,00,000 and suspense and stock Rs 60,00,000. That shows, including deduction on suspense and other things, the total allocation comes to Rs. 5,92,00,000. But, Sir, in the last month an Advisory Couneil for Scheduled Tribes was convened and this is a huge book, Sir, that has been given to us. Here

during 1983-84, you have heard about the allocations now how much land or units will be irrigated out of this five crores of rupees this year ? Minor irrigation 5.08 heatares, major and medium irrigation they wish to irrigate only 1.48 hectares and the families that will be benefitted during this year – Minor irrigation 2431 families and major medium irrigation 587 families. Sir, this is the proposed irrigation work to be done in relation to the land areas or command areas to be covered. Now, in this budget supplied by the Tribal Advisory Council details have been given – flow irrigation this year, they propose to spend Rs. 151.50 lakhs; lift irrigation Rs. 166.60 lakhs; tube well Rs. 80.00 lakhs; C.A.D. other lift irrigation 53.20 lakhs; tube well Rs. 5.20 lakhs; direction and administration Rs. 69 lakhs machinery equipment Rs. 23 lakhs; survey investigation Rs. 23 lakhs and dug well Rs. 5.50 lakhs; that brings it to total of Rs. 642 lakhs. Now, if we refer to this book we find a difference of more than Rs. 1 crore—here it is Rs. 6.42 crores. In the budget we have Rs. 592 lakhs. Not only that, Sir, the entire loss of this Department of Rs. 54 lakhs are debited only to the Tribal Sub Plan fund. Sir, we are very sorry to record that this is a Department which has anti-tribal bias or how could the entire loss be credited to the Tribal Sub Plan. And they have got Rs. 60 lakhs for suspense stocks. What are the stocks ?

The stocks are gum boots, turpaulins, desks, chairs and umbrellas and all those stocks had to be disposed of recently at a reduced price. Sir, in this way the entire tribal Sub Plan is wasted. Therefore, Sir, we very much object to this misutilisation of the Tribal Sub Plan fund and we will appeal to the Minister in-charge to delete this write off of Rs. 54 lakhs from this Tribal Sub Plan allocation and in spite of our opposition if they do it then we will take suitable measures in this House and outside and see that this is not allowed to be used. Before I conclude, Sir, it is a problem of international nature but I do not know how much the people of the State and the Govt. of Assam know about it. In the sub-mountain areas in Goalpara, Kamrup and Darrang districts the water resources are controlled by Bhutan an in this boundary areas, border areas our people go to Bhutan to bring channels of water from the sources in Bhutan. As a result of that our people are to make an agreement with the Bhutanese Govt. and pay annual fees varying from one thousand to fifteen thousand rupees. Sir, this arrangement is not recognised by the Govt. of India. But inspite of that how is it possible that the Assam Govt. succumbs to this demand of the Bhutanese Govt. and how is it that Assam Govt. allows our people, mostly tribal people, adjoining Bhutan areas to pay taxes to Bhutan ? Sir, we have brought it to the notice of administration many times but

even today the Govt. has failed to take up any concrete measure to sort this issue. Sir, with these few words I conclude and move that the cut motion be accepted and the demand be rejected.

( Mr. Speaker vacated and Mr. Deputy Speaker occupied the Chair at 1138 hours )

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, মই জলসিঞ্চন বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইআষাৰমান কবলৈ ওলাইছো। আমাৰ যি কৃষি উন্নয়নৰ কথা কোৱা হৈছে সেই উন্নয়নৰ কথা কবলৈ যাওঁতেই আমি জলসিঞ্চনৰ কথা ভাবিব লাগিব। আৰু ইতিমধ্যে আমাৰ কেইজনমান মাননীয় সদস্যই প্ৰশ্নোত্তৰ কালত আৰু আলোচনা প্ৰসঙ্গত জলসিঞ্চনৰ কথা উল্লেখ কৰিছে। আমি জলসিঞ্চনৰ কথা কবলৈ গলেই কৃষি উন্নয়নৰ কথালৈ আহিব লাগিব। গতিকে আজি কোনোবা দেশেই হওক বা ৰাজ্যই হওক জলসিঞ্চনৰ কৃতকাৰ্য্যতাৰ ওপৰতহে কৃষিৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে। সেই কাৰণে আজি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত খেতিৰ উন্নতি সাধিবলৈ যোৱাৰ আগতে তেওঁলোকে জলসিঞ্চনৰ প্ৰকল্পৰ কথাৰ ওপৰত গুৰুত্ব দিছে আৰু এই প্ৰকল্পবোৰ সম্পূৰ্ণ কৰি তুলিছে। কিন্তু আজি আমাৰ অসমৰ ক্ষেত্ৰত দেখা গৈছে যে এই বিষয়ত যিবোৰ আঁচনি লোৱা হৈছে বা টকা খৰচ কৰা হৈছে সেই অনুপাতে তাৰ পৰা আমি কৃষিৰ উন্নতি পাইছোনে নাই সেইটো চাবলগীয়া বিষয় হৈছে। এই আঁচনিবোৰৰ নামত আমাৰ চৰকাৰৰ তৰফৰ পৰা বহু টকা খৰচ কৰা হৈছে আৰু বিভাগীয় ৰেকৰ্ড পাতি আদিতো বিভিন্ন আঁচনি সম্পূৰ্ণ কৰা দেখুৱা হৈছে। উদাহৰণ স্বৰূপে মোৰ নিজৰ জিলা লক্ষীমপুৰতেই ডিক্ৰং আৰু ৰঙানদীৰ বাওপাৰে দুটা জলসিঞ্চন আঁচনিৰ কাম লোৱা হৈছিল সেই মতে ইয়াৰ প্ৰতিটোতে ক্ৰমে ৩১ লাখ আৰু ২৭ লাখ টকা খৰচ কৰা হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, এঠাইত ৩১ লাখ

টকা খৰছ কৰি সম্পূৰ্ণ কৰা হৈছে আৰু আন ঠাইত ২৭ লাখ টকা খৰছ কৰি সম্পূৰ্ণ কৰিছে। কিন্তু বালিৰ চৰ থকাৰ কাৰণে পানীৰ যোগান দিব পৰা নাই। কিছুমান কাৰিকৰী জ্ঞান থকা মানুহেও যদি এনে কিছুমান আঁচনি লৈ বালিৰ ওপৰত লিফট্ ইৰিগেশ্বনৰ ব্যৱস্থা কৰে তেনেহলে এনেধৰণৰ ভূল আঁচনিৰ কাৰণে যত এটোপাও পানীৰ যোগান দিব নোৱাৰে তাৰ কাৰণে কোন জগৰীয়া হব? এই কথা বিলাকৰ এটা অনুসন্ধান হব লাগে। ইয়াৰ কাৰণে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক জগৰীয়া কৰিব খোজা নাই। কিন্তু কিছুমান কেৰোণ প্ৰথমৰ পৰাই থকাৰ কাৰণেই এইটো হৈছে। তেনেকৈ অসমত বৈ থকা পানী যোগান আঁচনি নায়েই। তুধনৈত এটা পানী যোগান আঁচনি চাবলৈ গৈছিলো। তাত দেখা পালো যে পথাৰত পানী নেথাকে শুকাই যায়। এনেধৰণৰ আঁচনি বিলাকৰ দ্বাৰা আঁচনিৰ টকা পানীত পেলাই দিয়াৰ নিচিনাই হৈছে। অধিক উৎপাদন হব সেইটো আশা কৰিব নোৱাৰি। বৈ থকা পানী যোগান আঁচনি প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও আমাৰ ইয়াত সেইবিলাক আঁচনি লোৱা নাই। কিন্তু আন আন বিলাক ৰাজ্যত য'ত তেনেকুৱা বিলাক সুবিধা নাই অথচ সাগৰ, হ্ৰদ আদিৰ পৰা খাল খান্দিছে এনেধৰণৰ আঁচনি লোৱা হৈছে। আমাৰ ইয়াত জান, জুৰি, নদী-বিল আদি প্ৰচুৰ প্ৰাকৃতিক সুবিধা থকা স্বত্বেও আমি সেই বিলাক আঁচনি লোৱা নাই। কম খৰছতে এই বিলাক আঁচনি লব পৰা হলহেতেন। বছৰৰ ১২ মাহে খেতিয়কক পানীৰ যোগান দি খেতিয়ক সকলক উৎপাদনত সহায় কৰিব পৰা হলহেতেন। কিছুমান আঁচনি 'চাৰ্জে' কৰা অৱস্থাতে থাকি গ'ল। সেইদৰে এম, আই, ডি চি কৰ্পৰেশ্বনৰ ক্ষেত্ৰটো অনুসন্ধান কৰিলে গম পোৱা যাব যে, ইয়াতো যথেষ্ট খেলি মেলি হৈছে। পৰিশ্ৰমী খেতিয়ক সকল আগবাঢ়ি ওলাই আহিলেও তেওঁ বিলাকক সেই বিলাকৰ কাৰণে উৎসাহিত কৰা নহয়।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে' স্পেচিফিক কেছ' দিলে ভাল হয়।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় উপাধ্যক্ষ মহোদয়, মই লক্ষীমপুৰৰ কথাই কৈছো।

মাননীয় উপাধ্যক্ষ— আলোচনা কৰি ব্যৱস্থা কৰক।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় উপাধ্যক্ষ মহোদয়, আলোচনা কৰি ব্যৱস্থা কৰিম। লক্ষীমপুৰ জিলাৰ কথা কৈছো যদিও এনেবিলাক কথা বাকী বিলাক ঠাইতো হৈ আছে। 'চিষ্টেম' সকলোতে একেটাই। 'ফিজিবিলিটি' মতেই নেথাককেই কিয় সেই বিলাক 'ইউটিলাইজ' কৰি খেতিয়ক সকলৰ অধিক উত্পাদনত লগাব লাগে। ডিপ টিউব ওৱেলৰ ক্ষেত্ৰত কও যে, ৰাঙ্গগড় শিমলুগুৰি লেতেকুজানত কেইবা লাখ টকা খৰছ কৰি এটা আঁচনি সম্পূৰ্ণ কৰা হ'ল, উপায়ুক্ত আৰু মইও তালৈ গৈছিলো। কিন্তু উদ্বোধন কৰাৰ দুদিন মানৰ পিছতেই অভিযোগ আহিল যে তাত পানী নাই। সংশ্লিষ্ট বিষয়া সকলৰ পৰা অনুসন্ধান কৰি জানিব পাৰিলো যে, ৩৫০ ওৱাটৰ ঠাইত ৩০০ ওৱাটৰ পাৱাৰ থকাৰ কাৰণেই তাৰ যন্ত্ৰপাতিবোৰে কাম নকৰাৰ কাৰণেই মেচিন বন্ধ হৈ গৈছে আৰু সেই কাৰণেই পানীৰ যোগান দিব পৰা নাই। 'পাৱাৰ চাপ্লাই'ৰ 'চেল্ফচাপৰ্টিং' নোহোৱাকৈয়েই এই আঁচনি লোৱা হৈছিল কিয়? বিভিন্ন বিভাগ বিলাকৰ মাজত 'কোঅৰ্দিনেশ্বন' নথকাৰ কাৰণেই এই বিলাক হুবলৈ পাইছে। মনিপুৰত 'লগ-টগ' হাইদেল প্ৰজেক্টৰ তলৰ এটা আঁচনি আমি চাবলৈ গৈ দেখিলো যে, তাত পাৱাৰ চাপ্লাই চাৰপ্লাচ হে হৈছে। পাৱাৰৰ কাৰণে তাৰ আঁচনি বিলাকে 'চাফাৰ' কৰিবলগীয়া হোৱা নাই। 'পাব ওৱাট' এটকা ২০ পইছাত যোগান দিব পাৰিছে। আমাৰ ইয়াত যদি পাৱাৰ নায়েই তেতিয়াহলে, ওচৰ চুবুৰীয়া যিবোৰ ৰাজ্যত পাৱাৰ চাৰপ্লাচ আছে সেই বিলাকৰ পৰা অনাৰ ব্যৱস্থা নকৰে কিয়?

গতিকে আমাৰ খেতিয়ক সকলৰ যাতে খেতি কৰিব পৰাকৈ সুবিধা দিব পাৰি তাৰ কাৰণে চিন্তা কৰিব লাগে। এতিয়ালৈকে আমাৰ যিমান বিলাক আঁচনি লোৱা হৈছে সেই বিলাক যাতে কাৰ্য্যকৰি কৰিব পাৰি তাৰ কাৰণে চিন্তা কৰিব লাগে। টকাৰ যাতে অপব্যৱহাৰ নহয়, আৰু সুপৰিকল্পিতভাৱে কাম বিলাক হব পাৰে তাৰ কাৰণে মই মন্ত্ৰী

মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীবিমল গয়াৰী—মাননীয় উপাধ্যক্ষ মহোদয়, আজি মই আমাৰ বিৰোধী পক্ষৰ পৰা ইৰিগেশ্যন বিভাগৰ বাবে যি কৰ্ত্তন প্ৰস্তাৱ আহিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি দুআবমান কবলৈ বিচাৰিছো। আমাৰ বিশেষকৈ জন জাতি উপ পৰিকল্পনা আঁচনিত যিবিলাক ধন ধৰা হৈছে (পেজ ২৩) ইয়াত ৬৫ লাখ টকা চেলাৰি দেখুৱা হৈছে। আমাৰ সাধাৰণ প্ৰশাসনীয় বিভাগৰ দ্বাৰা জন-জাতীয় উপ পৰিকল্পনাৰ কাম কৰা হয়, ইয়াৰ বাবে স্বকীয় কৰ্ম্মচাৰী নিয়োগ কৰা আমি দেখা নাই। এই বিষয়ে মহকুমা বা জিলা পৰ্য্যায়তে মই কব পাৰো। অনান্য চাচপেন্দ একাউন্টৰ সম্বন্ধেও আমাৰ সন্দেহ আছে। ষ্টক শিতানত দেখুৱা দৰে চাব চিদিভিজন বা দিষ্টিক লেভেলত ষ্টক আমি দেখা নাই। বাজেটৰ কোটি ৫ কোটি ৯২ লাখ টকাৰ ভিতৰত যাতায়ত আৰু দৰমহাকে ধৰি ৮০ লাখ ৩০ হাজাৰ টকা মেইনটেনেন্সত দেখুওৱা হৈছে।

উপাধ্যক্ষ—১০ মিনিট ৰ ওপৰ সময় নলব।

শ্ৰীবিমল গয়াৰী—আজি জনজাতি অঞ্চল বিলাকত যদিও ইৰিগেছন বিভাগৰ দ্বাৰা কিছুমান কাম কৰা হৈছে, কিছুমান ঠাইত কোনো কামতে কৃত-কাৰ্য্য হোৱা নাই। আৰু যি উদ্দেশ্য আগত ৰাখি এইবিলাক কাম কৰিবলৈ যোৱা হয়, সেইবিলাকো ফলপ্ৰদ হৈছে বুলি কব নোৱাৰি। জলসিঞ্চন বিভাগত আমি চাৰি প্ৰকাৰৰ প্ৰয়োগ দেখা পাও। ফ্লো এৰিগেচন, স্মেল টিউব ওৱেল, লিফট্ ইৰিগেচন, মেজৰ বা মাইনৰ ইৰি-গেচন আদি অসমত প্ৰয়োগ কৰা হৈছে। কিন্তু এই আঁচনি বিলাক পৰীক্ষা কৰি প্ৰয়োগ কৰা হোৱা নাই। অসমৰ মাটি বিভিন্ন ঠাইত বিভিন্ন অৱস্থাত দেখা যায়। কোনো কোনো অঞ্চলত পৰ্ব্বতীয়া অঞ্চল ভৈয়াম অঞ্চলো আছে। তাৰোপৰি দ ঠাই, বাম ঠাই আলতীয়া মাটিৰ অঞ্চল, বালি চহীয়া মাটিৰ অঞ্চল আদিও আছে। যিবিলাক অঞ্চলত

ধান খেতিৰ বাবে অহৰহ ৩" পৰা ৬" লৈ তিনি মাহে পানীৰ প্ৰয়োজন হয় সেইবিলাক অঞ্চলত লিফট্ ইৰিগেশ্যনৰ দ্বাৰা পানী যোগান ধৰা হৈছে ফলত সুফল পোৱা নাই। গতিকে যিবিলাক অঞ্চলত যেনে ধৰণৰ পানী যোগানৰ ব্যৱস্থা কৰিলে ধান খেতি কৰিব পাৰি সেইবিলাক ঠাইত তেনে ধৰণৰ পদ্ধতি প্ৰয়োগ কৰিব লাগে। আমাৰ জন জাতীয় লোকসকল সাধাৰণতে খেতিয়ক। খেতিৰ ওপৰতেই তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহ হয়। পাহাৰীয়া অঞ্চল বিলাকত লিফট ইৰিগেচন বা শ্বেল টিউব ওৱেলৰ দ্বাৰা খেতি ভাল নহয়। গতিকে মই ভাবো যে, বিশেষগ্যৰ দ্বাৰা পৰীক্ষা কৰি কোন ঠাইত কেনে ধৰণৰ পানী যোগান ধৰিলে খেতিয়ক ৰাইজ উপকৃত হব সেই সম্পৰ্কে চাব লাগে। আমাৰ ভূটান আৰু অৰুণাচল প্ৰদেশৰ পৰ্ব্বতৰ পাদদেশত যি সকল লোকে বসবাস কৰি আছে সেইবিলাক সাধাৰণতে খেতিয়ক লোক। সেই অঞ্চল বিলাকত যি প্ৰকাৰে পানী যোগান ধৰা হৈছে তাৰ দ্বাৰা তাৰ ৰাইজ উপকৃত হব পৰা নাই। সেই অঞ্চলৰ জনজাতিৰ অৱস্থা দেখিলে অতি দুখ লগা। গতিকে সকলো বিলাক আঁচনি প্ৰয়োগ কৰাৰ আগতে বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগ কৰিব লাগে যাতে আমাৰ জন সাধাৰণ উপকৃত হব পাৰে। পৰ্ব্বতীয়া খৰস্ৰোতা নৈ-জান জুৰীয়ে পাৰ ভাঙি শিল মাটি আদি পানীৰ লগত উটাই আনি পথাৰ বিলাক বাম কৰি পেলাইছে। খেতিৰ পথাৰ নষ্ট হৈছে।

এই সন্দৰ্ভত মই এটা স্পেচিফিক পৰামৰ্শ ডাঙি ধৰিব বিচাৰিছো। আপোনালোকে পাগলাদিয়া নদীৰ কথা জানে। ইয়াৰ চৰিত্ৰ মই বৰ্ণনা কৰিবলৈ নাপাও। সুবনখাট অঞ্চলৰ প্ৰায় ২০।২৫ খন গাওঁৰ ৫০।৬০ হাজাৰ মানুহে একেলগে লগ লাগি প্ৰতি বছৰে শিলৰ ভেটা দি অবৈজ্ঞানিক পদ্ধতিৰে খেতি পথাৰলৈ পানী যোগান ধৰে। সেইদৰে চৌকি অঞ্চলতো শিলৰ ভেটা দি পানী যোগান ধৰাৰ ব্যৱস্থা কৰিছে। অবৈজ্ঞানিক পদ্ধতিৰে শিলৰ ভেটা দি কিমান পানী অপসাৰিত হয় আৰু কিমান খিনি কেনেলেৰে ওলাই যাব পাৰিব সেই বিষয়ে কোনো ধৰণৰ চিচটেম নাই। ইয়াৰ ফলত ভগবানৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। অলপ

বৰষুণ দিলেই বানপানীয়ে বান্ধ ভাঙি খেতিবাতি নষ্ট কৰি জনসাধাৰণৰ জনসাধাৰণৰ ব্যাঘাট জন্মায়। এনেধৰণৰ পদ্ধতিৰে তাত খেতি পথাৰত পানীযোগান ব্যৱস্থা চলি আছে। তাহানি আমাৰ বৰ্তমান জনজাতি পৰিক্ৰমা মন্ত্ৰী ৰাজহ মন্ত্ৰী হৈ থকা কালত এক ৰাতিৰ ভিতৰতে পাগলা-দিয়া নৈৰ গতি সলনি হৈ ভোটান খুটী দিহিবা আদি গাওঁ ৰাতিৰ ভিতৰতে ধ্বংস কৰি দিয়ে। উক্ত ক্ষতিগ্ৰস্ত ৩ হাজাৰ মান পৰিয়ালক কোকৰাঝাৰী ৰিজাৰ্ভত পুনৰ সংস্থাপন দিয়া হয়। অকল পাগলাদিয়া নদীতেই নহয় পাগলাদিয়া পহুমৰা, কালদিয়া ইত্যাদি বহু নদী আছে য'ত অবৈ-জ্ঞানিক পদ্ধতিত এনে ধৰণৰ পানী যোগান ব্যৱস্থা চলি আছে। সেয়েহে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। এই যে উত্তৰ অঞ্চলৰ পাহাৰীয়া নদী বিলাকত যি পুৰণি অবৈজ্ঞানিক পদ্ধতিত পানীযোগান দিয়াৰ ব্যৱস্থা আছে তাৰ এটা সুকীয়া ভাৱে ব্যৱস্থা কৰি 'ইৰিগেচনৰ জোন' সৃষ্টি কৰি বিভিন্ন বিভাগৰ লগত সমন্বয় ৰাখি যৌথ ভাৱে এটা ব্যৱস্থা লৈ পানী যোগান দিয়াৰ ব্যৱস্থা হাতত লব লাগে। কিয়নো সেইবিলাক অঞ্চলত লিফট ইৰিগেচনো নহয়। আৰু ৩ মাহ একেবাহে পানী নহলে ধানখেতি হোৱাটো সম্ভৱ নহয় বাবে ব্যয়বহুল হয়। কিয়নো তাৰ মাটি, শিল, বালি আছে। সেইকাৰণে তাত যি পদ্ধতি বৰ্তমান চলি আছে তাৰ দ্বাৰা পানী যোগান দিয়াটো সম্ভৱপৰ নহব। বৈজ্ঞানিক পদ্ধতিৰে বানপানী নিয়ন্ত্ৰণ কৰি আৰু নদী নিয়ন্ত্ৰণ কৰি যাতে কেনেলাইজ পদ্ধতিৰে পানী যোগান দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহলে হয়তো ইয়াৰ এটা সুফল পাব পাৰে। এই অঞ্চলৰ লোক বিলাকৰ বেচি ভাগেই জনজাতীয়। আৰু আইডেন্টিফাইদ এৰিয়া। তাত চাব প্লেন আছে, এন, আৰ, পি আছে, ইৰিগেচন আৰু কৃষি বিভাগো আছে। গতিকে সকলো বিভাগৰ পৰাই টকা প্ৰয়োগ কৰিব পৰা ব্যৱস্থা আছে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো ইয়াৰ এটা পূৰ্ণ তদন্ত কৰি এই জনজাতীয় ৰাইজৰ কৃষি উন্নয়নাৰ্থে বৈজ্ঞানিক পদ্ধতিৰে কৃষি পথাৰলৈ পানী যোগান দিয়াৰ ব্যৱস্থাৰ যোগেদি এই লোক সকলৰ লগতে অসমৰ জনসাধাৰণৰ কল্যাণৰ

কাৰণে আঁচনি লব বুলি আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকাৰ্ত্তিক চৰকাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত মই ইৰিগেচনৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কৰ বিচাৰিছো আৰু মোৰ বক্তব্য ৰাখিছো। মাননীয়া ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে আমাৰ অসম চৰকাৰক কেইটামান আঁচনিৰ ওপৰত মঞ্জুৰী দিছে। সেই হিচাবে আমাৰ অসম চৰকাৰে বহুতো মঞ্জুৰী জনসাধাৰণৰ কল্যাণৰ অৰ্থে ডাঙি ধৰিছে। আজি আমাৰ মাজত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হৈছে সেই সম্পৰ্কে সদনৰ সকলো সদস্যই উন্নতিৰ কাৰণে আলাপ আলোচনা কৰিছে। কিন্তু আমি কেনেকৈ বা কি ভাবে কাৰ্য্যকৰী কৰিছো সেই কথা চিন্তা কৰিব পৰা নাই। আজি চৰকাৰে জলসিঞ্চনৰ বিষয়ে যিবিলাক টকা জনসাধাৰণৰ কল্যাণৰ অৰ্থে দিছে সেই টকা সঁচাকৈয়ে জনসাধাৰণৰ কল্যাণৰ অৰ্থে খৰচ কৰা হৈছে নে নকৰা হৈছে সেই কথাই আমাৰ মাজত দ্বিধাবোধৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰপতিৰ শাসনৰ কালছোৱাত আমাৰ কিছু টকা ইৰিগেচন বিভাগে খৰচ কৰিছিল। কিন্তু সেই সময়ত জনসাধাৰণৰ কল্যাণৰ কাৰণে কিমানখিনি কাম কৰা হৈছিল সেইটো চিন্তা কৰিবলগা বিষয়। আজি ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে সকলো বিলাক কথা চিন্তা কৰি অসমত এখন জনপ্ৰিয় চৰকাৰ গঠন হব লাগে বুলি কৈছিল আৰু সেই হিচাবে আজি আমি চৰকাৰ গঠন কৰিলো। এই চৰকাৰ গঠন হোৱাৰ পিচতেই ৰাষ্ট্ৰপতিৰ শাসন কালত যিবিলাক বেমেজালি বা খেলিমেলি আমাৰ ৰাজ্যখনত বিভিন্ন ক্ষেত্ৰত হৈ আছিল যিবিলাক দুৰ্নীতি চলি আছিল সেইবিলাক এতিয়া যদি আমি প্ৰকৃততে জনসাধাৰণৰ কল্যাণৰ কাৰণে কাম কৰিবলৈ বিচাৰিছো এতিয়া আৰু সেইবিলাকক লাই দিব নালাগিব। মই মঙ্গলদৈ টাউনৰ ধনশিৰি জলসিঞ্চনৰ কথা কৈছো। তাত কৌটি কৌটি টকা খৰচ কৰিছে। জনসাধাৰণৰ সুবিধাৰ কাৰণে আজি উৎপাদন বঢ়াব লাগে। কিন্তু চৰকাৰে যিবিলাক কাম হাতত লৈছে সেইবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে আমাৰ কৰ্ম্মচাৰী বা বিষয়া সকলে কি ধৰণে কাম কৰিছে সেই বিলাক ক্ষেত্ৰত আমি কি তত্বাৱধান লৈছো? ৬ মাহ আগতে

ৰাষ্ট্ৰপতিৰ শাসনত এজন ইঞ্জিনীয়াৰে ৩৮ লাখ টকা এল,ও, চি নকৰাকৈ খৰচ কৰিছে। টকা পইচা খৰচ কৰাৰ ক্ষেত্ৰত যিবিলাক নিয়ম নীতি ৰাখিব লাগে সেইমতে নিয়ম নীতি পালন কৰা হোৱা নাই। অৱশ্যে সেইজনক আঁতৰোৱা হৈছিল। তেওঁলোক বৰ চতুৰ। তেওঁ চুটি লৈ বহি আছে। এতিয়া নতুন চৰকাৰ হোৱাৰ পিচত সেইজনকে আকৌ নিযুক্তি দিছে। মই কব বিচাৰিছো যি ৰাষ্ট্ৰপতি শাসনত আমি যিমান বিলাক দুখ পাইছিলো আৰু বিভিন্ন কাম কাজৰ ক্ষেত্ৰত খেলিমেলি পাইছিলো সেইবিলাক এতিয়া আঁতৰোৱা হৈছে বুলি অন্ততঃ জনসাধাৰণক জনাব লাগে। কিন্তু আমি সদায় কেৱল দূৰ্নীতিৰ কথা কৈয়েহে আছো। অথচ দূৰ্নীতি দূৰ কৰিবলৈ আমি চেষ্টা কৰা নাই আৰু কঠোৰ ব্যৱস্থাও লোৱা নাই। আনহাতেদি কিছুমান চক্ৰই চৰকাৰৰ বদনাম কৰি কেনেকৈ এই চৰকাৰ খন ভাঙিব পাৰি তাৰ চেষ্টা চলাই আছে। আজি আমি আহিছো জনসাধাৰণৰ বাচি প্ৰতিনিধি হিচাবে আৰু জনসাধাৰণে ভাবিছে তেওঁলোকৰ কল্যাণ কৰিম। সেই ক্ষেত্ৰত আমাৰ দায়িত্ব আছে। তেনে ক্ষেত্ৰত যদি বিভিন্ন বিভাগ বিলাকত আৰু দিশত দূৰ্নীতি চলি থাকে আমি চাই বহি থাকিম নেকি? আমি এইবিলাক দূৰ্নীতি দমন কৰিব লাগিব। আমি দেখিছো বহু সময়ত গৰু ছাগলী চুৰ কৰি জেইলত থাকিব লগীয়া হয় কিন্তু লাখ লাখ টকা চুৰ কৰা সকলৰ হলে কোনো দোষ নাই। আজি চৰকাৰে জনসাধাৰণৰ কল্যাণৰ আঁচনি বিলাক লৈছে আৰু তাত টকা বাজেটত ধৰিছে কিন্তু আনফালে একশ্ৰেণী লোকে অবাধে দূৰ্নীতি কৰি আছে এইবিলাক কেনেকৈ হব পাৰে। আজি ৫।৬ দিন মান আগৰ কথা মঙ্গলদৈৰ ইৰিগেচনৰ গুদামৰ পৰা চিমেণ্ট লৈ গৈছে। থানাত এইটো খবৰ দিছে। এনেকুৱা এটা অৱস্থা চলি আছে। আমি বিধান সভাৰ মজিয়াত আইন প্ৰণয়ন কৰো, বাজেট পাচ কৰো কিন্তু আনফালেদি তাত তেওঁলোকে কাম আৰম্ভ কৰি দিছে। অৱশ্যে দুই এজন দূৰ্নীতি পৰায়ণ লোকক এৰেষ্ট কৰিছে। এনেধৰণে কটকটীয়া ব্যৱস্থা কৰিলে জনসাধাৰণে ভাল পাব। নহলে দূৰ্নীতি কৰাতো এটা ব্যৱসায় হৈ গৈছে। বিৰোধী দলৰ মাননীয় সদস্য

হেমেন দাস ডাঙৰীয়াই ১৯৮২-৮৩ চনত ১২১ কৌটি টকা খৰচ কৰিছে বুলি কৈছে। কিন্তু আচৰিত কথা যে আগতে ঠিক কৰা কাম কাজ বিলাক হৈ আছে। এইদৰে কেনেকৈ আগতে বন্দোবস্ত হৈ আছে? এই এটা চেনেলৰ বাৱসায় চলি আছে। আমাৰ যিবিলাক বিভাগীয় এক্সপাৰ্ট সচিব আছে তেখেত সকলে কাম কৰোতে দেশৰ প্ৰতি মমতা ৰাখিব লাগে। আৰু দেশৰ জনসাধাৰণৰ প্ৰতি কল্যাণ কৰাৰ মনোভাব লৈ কাম কৰিব লাগে। তেতিয়াহে দুৰ্নীতি তলৰ ফালে শিপাব নোৱাৰিব। আজি চাওক কৃষ্ণ দাসৰ কথা ওলাইছে। তেওঁ ৩০ লাখ টকা অন্যায় কৰিও অবাধে চাকৰি কৰি আছে। গতিকে আজি চৰকাৰ আছে নে নাই নে তেওঁলোকে নিজে নিজকে চৰকাৰ বুলি ভাবে। সেয়েহে এই বিলাক কথা বিচাৰ কৰি চাব লাগে। এই সংক্ৰান্তত মুখ্যমন্ত্ৰী মহোদয়ক স্মাৰকপত্ৰ দিয়া হৈছে আৰু এইটোৰ তদন্ত কৰিছে। আৰু আমি এম, এল, এ হিচাবে বিধান সভাৰ সদস্য হিচাবে আমাৰো দায়িত্ব আছে। আমিও আমাৰ সমষ্টিৰ বিষয়ে জনাম। এতিয়া এই তদন্ত হোৱাৰ পিচত সদনত ৰিপোৰ্ট দাখিল কৰিলে আমিও তাত অংশ গ্ৰহণ কৰিব পাৰিম। গতিকে আমাৰ বিধান সভাৰ সদস্য সকলে আৰু মন্ত্ৰী সকলে যাতে জনসাধাৰণৰ কল্যাণৰ হকে পবিত্ৰ অন্তৰেৰে কাম কৰিব পাৰে আৰু আন্ত-ৰিকতাৰে কাম কৰিব পাৰে তাৰ কাৰণে আমি চৰকাৰৰ ওচৰত আশ্বাস ৰাখিছো। আৰু আমাৰ ওপৰতে আশ্বাস থাকিব লাগিব। এনে এটা উদ্দেশ্য লৈয়ে আমি যাতে দুনীতি দূৰ কৰিব পাৰো তালৈ মনোযোগ দিব লাগে। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি দুৰ্নীতিৰ বিৰুদ্ধে লবলগীয়া ব্যৱস্থাখিনি হাতত লল বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ বাজেটৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰা হৈছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুষাৰমান কবলৈ ওলাইছো। আমাৰ খেতিয়ক সকলৰ উন্নতিৰ কাৰণে জলসিঞ্চন আঁচনিৰ যোগেদি যিবোৰ ব্যৱস্থা হাতত লোৱা হৈছে সেই আটাইবোৰ ব্যৱস্থাৰেই প্ৰয়োজন আছে বুলি মই ভাবো। কিন্তু

এইখিনিতে এটা কথা আমাৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব খোজো যে জলসিঞ্চন বিভাগত মাইনৰ ইৰিগেচনৰ যোগেদি খেতিয়কক পানী যোগান ধৰিবলৈ বহুতো ব্যৱস্থা হাতত লোৱা হৈছে। কিন্তু এই আঁচনিৰ যোগেদি খেতিয়কে প্ৰকৃত উপকাৰ পাইছেনে নাই সেইটোও চাবলগীয়া বিষয়। বহুতো ক্ষত্ৰত আমি দেখিবলৈ পাইছো যে যি ঠাইত বছৰৰ বেছি ভাগ সময়েই পানী আছে তেনে ঠাইতো এই আঁচনিৰ যোগেদি পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মই ভাবো যি ঠাইত এনেধৰণৰ পানী খেতিয়কে পায়েই আছে তেনে ঠাইত আঁচনি নলৈ য'ত পানীৰ হাহাকাৰ তেনে ঠাইতহে পানী যোগানৰ ব্যৱস্থা কৰা উচিত। এনে আঁচনি হাতত লোৱাৰ ফলত আমাৰ ৰাজহুৱা ধনৰ অপব্যয় হোৱা বুলি মই ভাবো। সেই কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰো যে আমাৰ গোটেই অসম খনৰে যিমান খেতিৰ মাটি আছে সেই মাটি এবাৰ চাৰ্ভে কৰি ক'ত কেনে ধৰণৰ পানী যোগানৰ ব্যৱস্থা হাতত লব লাগে সেই মতে ব্যৱস্থা কৰা উচিত। ইয়াৰোপৰি পানী যোগানৰ ক্ষেত্ৰত আৰু কিছুমান আঁচনি আমাৰ চৰকাৰে হাতত লৈছিল যিবোৰ আঁচনিৰ কাম আজি ১২-১৩ বছৰেও সম্পূৰ্ণ হোৱা নাই। এই আঁচনিবোৰ কেতিয়া সম্পূৰ্ণ হব আৰু ইয়াৰ পৰা খেতিয়কে কেতিয়া পানী পাব তাৰো কোনো সময় সীমা নাই। গতিকে এই বিষয়বোৰত আমাৰ নতুন চৰকাৰে তদন্ত কৰি তাৰ সুব্যৱস্থা লব বুলি আশা কৰিছো।

উপাধ্যক্ষ মহোদয় এইবোৰৰ বাহিৰেও জলসিঞ্চন বিভাগৰ বিভাগীয় কাম-কাজৰ কাৰণে যিবোৰ ঠিকা দিয়াৰ ব্যৱস্থা কৰা হয় সেইবোৰতো নানাবোৰ খেলিমেলি আমি দেখিবলৈ পাও। এনে ঘটনা এটাৰ মই উদাহৰণ দিবলৈ খুজিছো। লিফট্ ইৰিগেচনৰ কাৰণে এটা আঁচনিত চৰকাৰৰ নিৰ্দ্ধাৰিত মঞ্জুৰী আছিল ২৮·০৭ লাখ টকা। কিন্তু সেই আঁচনিটোৰ নামত যি ঠিকাদৰে নিবিদা দিলে ৮০ লাখ টকাৰ আৰু সেইটোকেই গ্ৰহণ কৰা হল। অথচ যিজনক এই কামটোৰ ঠিকা দিয়া হ'ল তেওঁৰ ঠিকা বিষয়ক কোনো টেকনিকেল দাতা নোৱাৰাকৈয়ে তেওঁক কামটো

কৰিবলৈ দিয়া হ'ল। কিন্তু এই কামটো আন এজন ঠিকাদাৰে সেই কামটো ৪০ লাখ টকাতে কৰিববলৈ বিচৰাটো তেওঁক সেই কামটো দিয়া নহল। গতিকে এনেবোৰ ঘটনা কেনেকৈ আৰু কিয় হবলৈ পাইছে সেইবোৰ তদন্ত কৰিব লাগে। আজি ৰাতিপুৱা 'দৈনিক অসম' বাতৰি কাকত খনতো জলসিঞ্চন বিভাগৰ কেইজনমান বিষয়াক গ্ৰেপ্তাৰ কৰা বাতৰিৰ কাৰ্য্যই আমাৰ সকলোকে আচৰিত কৰি তুলিছে আৰু ই এক লজ্জাজনক কথা। এনেদৰে গ্ৰেপ্তাৰ আৰু নিলম্বিত হোৱা কাৰ্য্যৰ দ্বাৰা আমি এইটোকে প্ৰমাণ কৰিব পাৰো যে তেওঁলোকৰ যিবোৰ কাৰ্য্যকলাপ সেইবোৰ অতি গুৰুতৰ ধৰণৰ অপৰাধ বুলি প্ৰমাণিত কৰিব পাৰো। এনেধৰণৰ ঘটনাৰ নমুনা মই আৰু ২-১ টা দিব পাৰো। উদাহৰণ স্বৰূপে বুঢ়া-বুঢ়ি আৰু বুঢ়িদিহিং লিফ্ট ইৰিগেচন আঁচনিৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বুঢ়া-বুঢ়িৰ আঁচনিৰ বাবে খৰচৰ সীমা আছিল ২৮·৯ লাখ টকা কিন্তু সেই আঁচনিটো ৮০ লাখ টকাত ঠিকা দিয়া হ'ল। সেইদৰে বুঢ়িদিহিং আঁচনিটোৰ বাবে ২৭ লাখ টকা ধাৰ্য হৈছিল কিন্তু সেইটো ৫৫ লাখ টকাত ঠিকা দিয়া হ'ল। গতিকে এই আঁচনিবোৰত নিৰ্দ্ধাৰিত খৰচতকৈ দুগুণ খৰচ হোৱা আমি দেখিবলৈ পাইছো আৰু সেই ঠিকাবোৰ যি ঠিকাদাৰক দিয়া হৈছে সেইবোৰৰো কোনো টেকনিকেল দাতা'ৰ হিচাব লোৱা হোৱা নাই। এই আঁচনি কেইটাৰ কাম কৰিবলৈ দিয়া হৈছিল মেচাৰ্চ সুভাষ ট্ৰেদিং নামৰ এখন ফাৰমক। কিন্তু এই ফাৰ্ম খনক কি ভিত্তিত এই কাম দুগুণ দামত কৰিবলৈ দিয়া হল আৰু ইয়াত কোনোবা ওপৰ মহলৰ বিষয়াৰ যোগাযোগ আছে নেকি সেইটো চাবলগীয়া বিষয়। কিয়নো আমি এনেধৰণৰ ঘটনাও দেখিবলৈ পাইছো যে আমাৰ কিছুমান বিষয়াই নিজে কিছুমান ফাৰ্মৰ নাম দি সেই কাম তেওঁ নিজে কৰে। এনেকুৱা বিষয়া গুৱাহাটীতে আছে। মই এতিয়া তেওঁৰ নামটো নকও। প্ৰয়োজন হলে মন্ত্ৰী মহোদয়ক পিচত কম। সেইদৰে ভৈৰৱকুণ্ডত যিটো ধনশিৰি জলসিঞ্চন প্ৰকল্পৰ কাম চৰকাৰে হাতত লৈছিল সেইটো আজি ১০-১২ বছৰেও সম্পূৰ্ণ কৰিব পৰা নহল। ইয়াৰ মাজতে জৈন এণ্ড এচচিয়েটচ নামৰ ফাৰ্ম এখনে প্ৰায়

৩০ লাখ টকা আগধন হিচাবে লৈ তাত একো কাম নকৰিলে। ইমান বোৰ টকা সেই ফাৰ্মখনে এতিয়াও চবকাৰক ঘূৰাই দিয়া নাই। গতিকে জলসিঞ্চনৰ নামত এনেবোৰ অপব্যয় হৈ থাকিলে আমি খেতিয়কক কেনেকৈ পানী যোগান ধৰিম? সেইকাৰণে আমি জলসিঞ্চন বিভাগটো ইয়াৰ গুৰুত্বপূৰ্ণ লৈ চাই এই বিভাগটো দুৰ্নীতি মুক্ত কৰি দুখীয়া ৰাইজক কেনেকৈ সহায় কৰিব পাৰো সেই আটাইবোৰবে তদন্ত কৰিব বুলি বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মই মোৰ বক্তৃতা আৰু দীঘলীয়া নকৰো ইয়াকে কৈ সামৰণি মাৰিলো।

........( at 12-27 P.M. Mr. Speaker occupied the Chair from Mr. Deputy Speaker )........

Mr. Speaker—The House stands adjourned till 2-30 P.M.

শ্রীনেপাল চন্দ্র দাস—মাননীয় উপাধ্যক্ষ মহোদয়, 'ইরিগেশন খাতে' বিরোধী পক্ষ থেকে যে কর্তন প্রস্তাব উত্থাপন করেছেন তার বিরোধীতা করে আমার নিজের কিছু ব্যক্তিগত পরামর্শ তুলে ধরছি। উপাধ্যক্ষ মহোদয়, এই বৎসর যে বাজেট এই সদনে উত্থাপিত হয়েছে সেটা ঘাটতি বাজেট। এই ঘাটতি বাজেট অনেকটা কমে আসতো যদি একদিকে এই ইরিগেশন বিভাগ ঠিক মত কাজ করে যেত এবং যদি যে সব ইরিগেশন স্কিম হাতে নেওয়া হয়েছে এবং দীর্ঘদিন যাবৎ যে ইরিগেশন স্কিমগুলি এখনও সম্পূর্ণ হয়নি ইহা যদি সুষ্ঠভাবে সম্পূর্ণ করতে পারতো তাহলে এই ঘাটতি নিশ্চয়ই কমে আসতো। কারন, কৃষকদের কাছ থেকে কিছু না কিছু রেভিনিউ আদায় করতে পারতো। কিন্তু দুঃখের বিষয় আমাদের বহু মাননীয় সদস্য গণ বলেছেন যে এই বিভাগ যে স্কিম দীর্ঘদিন যাবৎ হাতে নিয়েছেন সেগুলি বিভাগীয় কর্মচারীদের সুপরিকল্পিত পরিচালনার অভাবে কার্য্যকরী হতে পারছে না। এবং এর ফালে যেসব কৃষক এই স্কীমের দ্বারা এই রাজ্যর খাদ্যশস্য বৃদ্ধি করতে পারতো তা করতে পারছেন না। তাই মন্ত্রী মহোদয়ের নিকট মাননীয় সদস্যগণ

অনেক বক্তব্য রেখেছেন ঐ স্কীমগুলি কোন্ কোন্ অফিসারের গাফিলতির জন্য ব্যাহত হয়েছে তা বিশেষ ভাবে পরীক্ষা করে দেখার জন্য।

উপাধ্যক্ষ মহোদয়, কাছাড় এবং করিমগঞ্জ জেলায় বিশেষ করে বরোধানের চাষ করা হয়। কিন্তু আমরা জানি অধিকাংশ বত্সরই যেমন গত বত্সরও কৃষকরা বন্যার জন্য তাদের ফসল ঘরে তুলতে পারেন নাই। সমস্ত ধানই নষ্ট হয়ে গিয়েছে। তাই আমি জনতা আমলেও বক্তব্য রেখেছিলাম যে হাজার হাজার কুইন্টাল ধান কি কারণে নষ্ট হচ্ছে। ইরিগেশন বিভাগ, বন্যা নিয়ন্ত্রণ বিভাগ এবং কৃষি বিভাগ একত্র হয়ে 'ফিল্ডে' গিয়ে জনসাধারনের সঙ্গে আলোচনা করে সেগুলি পরীক্ষা করে দেখার জন্য। অনেক সময় জনসাধারন বলেছেন যে সাধারন একটা নালা হলে জল নিষ্কাসন হয়ে যেত এবং তাদের ধান বেচে যেত। আমার বক্তব্য রাখার পরও আমার জানা মতে আজ পর্য্যন্ত এর কোন বিহিত ব্যবস্থা হয় নি। তাই, মাননীয় ইরিগেশন মন্ত্রী মহোদয়ের নিকট আমার অনুরোধ এই যায়গাগুলিতে যেমন, বক্রীহাওর, শনবিল, চাতলা, জাব্দা হাওর ইত্যাদি অঞ্চলে যেন ইরিগেশনের ব্যবস্থা করা হয়। কারন, ভাল ভাবে জলসিঞ্চন হলে এসব অঞ্চল থেকে হাজার হাজার কুইন্টাল ধান আমরা পেতে পারি। তাই যেন সংশ্লিষ্ট সকল বিভাগের সঙ্গে সহযোগীতা করে এই কাজে সাফল্য লাভ করতে পারি তার চেষ্টা করা উচিত্ এবং যাতে এতঅঞ্চলের ধান বাচতে পারে তার ব্যবস্থা করতে পারি।

মহোদয়, আমার কাটিগড়া বিধান সভা এলাকার একটা স্কীমের উল্লেখ এখানে করবো। গত ১০ বত্সর যাবত্ ঐ অঞ্চলের মহাদেবপুরে একটা ইরিগেশন স্কীম হয়েছিল। সেখানে পাম্পের সাহায্যে ২ বত্সর জল দেওয়া হয়েছিল প্রায় ১ হাজার বিঘা জমিতে। কিন্তু আজ প্রায় ৮ বত্সর যাবত্ সেটাবন্ধ হয়ে আছে। এর কারন কি? আমি গত ১৭ই মে তারিখে এই ব্যাপারে মন্ত্রী মহোদয়ের নিকট অভিযোগ করেছিলাম। কিন্তু কেন সেটা বন্ধ হয়ে আছে, আজ পর্যন্ত মন্ত্রী মহোদয়ের নিকট থেকে কোন জবাব পাইনি। তাই আমি অনুরোধ করেছি

যে এই ব্যপারে যেন বিহিত ব্যবস্থা গ্রহন করা হয়।

( সময় সংকেত্ )

বিশেষ করে এই ব্যাপারে জনৈক মাননীয় সদস্য বলেছিলেন যে এইসব ইরিগেশন স্কীম যেন এম. এন, পি'র আওতায় এনে বড় স্কীম না হউক অন্ততঃ প্রত্যেক বিধান সভা সমষ্টিতে যেন শেলো টিউব-ওয়েল দেওয়ার ব্যবস্থা করা হয়। প্রতি বত্সরে যদি প্রত্যেক বিধানসভা কেন্দ্রে ২ টা করে এই রকম স্কীম নেওয়া হয় তাহলে আমার মনে হয় ৫-১০ বত্সরের মধ্যে সমস্ত রাজ্যের সমস্ত জমি ইরিগেশনের আওতায় এসে যাবে।

উপাধ্যক্ষ মহোদয়, আমি আর বিশেষ কিছু বলতে চাই না কেবল এই কথাই বলতে চাই যে পি, ডব্লিও, ডি বা অন্যান্য বিভাগে যেমন এম, এন, পি' র১ আওতায় স্কীম নেওয়া হয় ইরিগেশনের ব্যাপারেও যেন সে রকম এম, এন, পি স্কীমের মাধ্যমে জলসিঞ্চনের ব্যবস্থা করা হয়। এই কথা বলে আমি কাট্ মোশনের বিরোধীতা করে আমার বক্তব্য শেষ করলাম। জয়হিন্দ।

শ্রীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ বিবোধী পক্ষৰ পৰা যি কৰ্তন প্ৰস্তাব উত্থাপন কৰিছে, সেই কৰ্তন প্ৰস্তাব সমৰ্থন কৰি দুষাৰ মান কব বিচাৰিছো। ভাৰতে যেতিয়া আমেৰিকাৰ লগত পি, এন চুক্তি ৰদ কৰি নিজে স্বাৱলম্বী হোৱাৰ ইচ্ছা কৰিলে সেই সময়ৰ পৰা ভাৰতৰ খেতি পথাৰত পানী যোগান ব্যৱস্থাৰ আঁচনি লোৱা হৈছিল। ভাৰত চৰকাৰে সিদ্ধান্ত কৰি বছৰেকত কোটি কোটি টকা আমাৰ পথাৰৰ উন্নয়নৰ বাবে আঁচনি গ্ৰহণ কৰিলে। এইটো কৰাৰ মূল উদ্দেশ্য হল দেশৰ খেতিয়কৰ যদি উন্নতি কৰা নাযায়, খেতি পথাৰৰ যদি উন্নতি সধা নাযায় তেনেহলে দেশৰ উৎপাদন বাঢ়িব নোৱাৰে। দেশৰ যেতিয়া উৎপাদন নাছিল তেতিয়া আমি বিদেশৰ ওচৰত হাত পাতিব লগা হৈছিল। নানা ৰকমে চেষ্টা কৰি, নানা ৰকমৰ ব্যৱস্থা কৰি বিদেশৰ পৰা ধান চাউল, আটা

গম আদি বাইজক খুৱাব লাগিছিল। মাটিৰ উন্নয়ন কৰিবলৈ হলে প্ৰথম লাগিব পানীৰ ব্যৱস্থা। পানী নহলে খেতি কৰা সম্ভৱ নহয়। পিচত এই টকাৰে দেশক স্বাৱলম্বী কৰাৰ সংকল্পৰ জলসিঞ্চন বিভাগৰ জন্ম হল। তেতিয়াই আমি নতুন নতুন মটৰ গাৱে-ভূঞে দেখিবলৈ পালো, নতুন নতুন ঘৰ দেখিবলৈ পালো। কিন্তু আমাৰ খেতিয়কে পালে কি? খেতিয়ক সকলে কি সুবিধা পালে? খেতিয়কে পানীৰ সুবিধা নেপালে। জলসিঞ্চন বিষয়া সকলৰ মটৰৰ ধুলিহে পালে। উত্তৰ গোৱালপাৰাত খৰাং বতৰ হৈছে বোলোতে কৃষি মন্ত্ৰীয়ে সিদিনা প্ৰতিবাদ কৰিছে। উত্তৰ কামৰূপত খৰাং হৈছে বুলি কলে আৰু খং কৰি কলেহেতেন। আমাৰ দেশত খৰাং অৱস্থাৰ কথা চিন্তা বা আলোচনা কৰে কিয়? খৰাং বতৰৰ কথা বাতৰি কাকতত ওলায় কিয়? খেতিয়ক বা কিয় খৰাং বতৰৰ সন্মুখীন হবলৈ পালে? বান নিয়ন্ত্ৰণ বিভাগ আছে কিন্তু বান নিয়ন্ত্ৰণ নহল। পানী যোগান বিভাগ আছে কিন্তু পানীৰ যোগান নহল। এই কথা বিলাক যদি আমি গুৰুত্ব নিদিও তেন্তে খেতিয়ক ৰাজ্যই সমূলাঞ্চে মৰি যাব। কৃষি পথাৰৰ টকা কৃষি পথাৰত লগাব লাগিব। আমাৰ সমাজৰ খেতিয়ক কোন? যি সকল শিক্ষিত লোক, যি সকলে মেট্ৰিক বা এমই, এমভি পাচ কৰিছে তেওঁলোক গাৱঁৰ পৰা ওলাই আহি নগৰ চহৰত চাকৰি লৈছে। বলবান সকল আহি চহৰত কোনো সেবাৰ কাম কৰিছে। বাকী থাকিল কোন? গাৱঁত থাকিল অশিক্ষিত সকল, গেষ্টিক বেমাৰী সকল। এই সকলৰ খেতি কৰাৰ গৰু নাই। মাটি নোহোৱা হৈ গৈছে খেতি কৰাৰ কোনো সম্বল নাই। খেতিৰ পথাৰত দুৰ্য্যোগ আহে খেতিৰ বতৰ সাধাৰণতে বহাগৰ পৰা ভাদলৈ প্ৰখৰ গৰম কালত। বানপানী, খৰাং বতৰৰ বাবে খেতি কৰিব নোৱাৰে। পোকে খেতি নষ্ট কৰে। খেতিয়কৰ একো ব্যৱস্থা নহল। যি সকল কোটি পতি সেই সকলৰ বাবে চৰকাৰে আইনৰ যোগে দুৰ্যোগৰ চিন্তা নোহোৱা ব্যৱস্থা দি চুৰ, ডকাইতৰ পৰা ৰক্ষাৰ ব্যৱস্থা আছে। চুৰ, ডকাইত কৰিলেও তেওঁলোকৰ ইনস্যুৰেন্স আছে, খেতিয়কৰ গৰু মৰিছে

ইনস্যুৰেন্সৰ ব্যৱস্থা নাই খেতি পথাৰৰ ইনস্যুৰেন্স নাই। যি সকলৰ ওপৰত নিৰ্ভৰ কৰি দেশখন চলিছে, সেই সকলে দৰ্খাস্ত লিখিবলৈ নাজানে, কাকো খাটিব ধৰিবলৈ নাজানে সেই সকল হল খেতিয়ক। এই খেতিয়ক সকলে উপায়হীন হৈ ভগৱান, আল্লাক প্ৰাৰ্থনা কৰিছে। সাধাৰণ কথাত খং কৰি কাজিয়া পেচাল কৰে আৰু শেষত পুলিচৰ হাতত পৰেগৈ। এই হ'ল সমাজ ব্যৱস্থা। জলসিঞ্চন বিভাগক কৃষি বিভাগৰ লগত সংযোগ কৰিব লাগিছিল। আমাৰ জলসিঞ্চন বিভাগে আঁচনি কৰিছে কি? কোনখন পথাৰত খেতি কৰাৰ সুবিধা দিছে? কোন খেতিয়ক উপকৃত হৈছে? যি সকল গৰীব খেতিয়ক তেওঁলোকৰ মাত নাই। আঞ্চলিক পঞ্চায়তৰ দিনত দোং খন্দাৰ ব্যৱস্থা কৰিছিল। মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিলে গম পাব যে জলসিঞ্চন বিভাগৰ ঠিকাদাৰ সকলে যিবোৰ নিজা ঘৰ বান্ধিছে তাৰ বাবে চিমেণ্টৰ পাৰ্মিট, লৈছিল নে নাই? জলসিঞ্চন বিভাগৰ ঠিকাদাৰ সকলৰ ঘৰ দালান হল। খবৰ ৰাখিব চিমেণ্ট কিন্তু খোলা বজাৰত নাই। তিনি মাহ ঠিকা কৰাৰ পিচত দুই তিনিখন টাটাৰ ট্ৰাক হল। গড়কাপ্তানী বিভাগৰ ঠিকাদাৰে কিন্তু সহজে বান্ধৰ চিমেণ্টৰে ঘৰ সাজিলে বান্ধৰ কাম সামান্য চিমেণ্টেৰে সজাই বান্ধবোৰ ধ্বংস মুখী কৰিলে। গণসংগ্ৰাম পৰিষদৰ কাৰ্য্যালয় শুৰু জলসিঞ্চন প্ৰজেক্টৰ মুখ্য কাৰ্য্যালয়ত। অসম বন্ধত অফি-চলৈ যাব লাগে তেওঁলোকে গৈ আন্দোলন কৰে। দোকান বন্ধ কৰাৰ কাৰণে এজন এৰেষ্ট হৈছে আৰু এজনক ধৰিব নোৱাৰিলে। তেওঁলোকে আন্দোলন কৰিব গৈছে নে আমাৰ জলসিঞ্চনৰ কথা ভাবি গৈছে? এই টকাৰে কেইজনমান ব্যক্তিক ধনী কৰাৰ বাহিৰে ৰাইজে পালে কি? কমল পুৰ বাইহাটাত দোং খান্দিলে আৰু সেই নলা বাইহাটাইদি লৈ আহিছে। বান্ধ কৰাৰ কাৰণে তিনি হাজাৰ বিঘা মাটি খৰাং, বাৰিষা পানী নাপায়। ৰাইজে আপত্তি দৰ্শাইছে। আগৰ মন্ত্ৰী শ্ৰীগিৰীণ চৌধুৰীৰ ওচৰত ৰাইজে আপত্তি দিছিল। একো নকৰিলে। বড়িয়ালৈ গলে দেখিব দুই ফালে খৰাং পথাৰ দপাৰৰ বালি জানৰ মাটি উদ্ধাৰ কৰিব গৈ শ শ বিঘা মাটি চন পেলোৱাৰ অৰ্থ কি? এইবোৰ আঁচনিৰে খেতিয়কক সহায় কৰে নে

খেতিয়কক ধ্বংস কৰে ? পাতি দৰং মৌজাৰ শ শ বিঘা মাটি জলমগ্ন কিয়। বৰনদীৰ পাৰৰ হৰহৰিয়া নামৰ বান্ধটো নেবান্ধি পাতি দৰং মৌজাৰ কিছু অংশৰ লোকক পানীত ডুবাই ৰাখিছে। যি কথা শুকুলা মৌজাৰ কৰ্ম্ম কৰ্ত্তা সকলে দেখি আছে। এই পানী বন্ধ কৰাৰ বাবে চৰকাৰক ৰাইজে জনাই হাৰ মানিছে। কৰৰ মৌজাৰ এটি অংশই বহু দিনৰ পৰা খৰাং বতৰৰ বাবে খেতি কৰিব নোৱাৰে। তাৰ বাবে কোনো চিন্তা নকৰে। কৰৰা মৌজাৰ মাজেৰে যোৱা মৰা নৈটো ( পুনৈ নৈ ) যদি খান্দি দিয়ে এই অঞ্চলৰ পথাৰ সমূহে সহজে পানীৰ হাহাকাৰত পৰিব নেলাগে। এই অঞ্চলৰ ৰাইজে বহু বছৰ ধৰি এই নৈ খোলাৰ বাবে আবেদন-নিবেদন জনাই, সজাতি দল্ গৈ জনোৱা স্বত্বেও চৰকাৰে কানসাৰ নকৰিলে। কিছুমানক চাকৰি দিবৰ বাবে, কিছুমান ঠিকাদাৰৰ কাৰণে যোজনা কৰা দেখা গৈছে। নিবনুৱা সকলৰ বাবে কল-কাৰখানা নাপাতি এনে যোজনা সমূহ প্ৰতিষ্ঠা কৰি কৰ্মচাৰী নিয়োগ কৰি লৈ ৰাজ ভৰাল লুট-পাট কৰাৰ পথ সুগম কৰিছে। জলসিঞ্চন বিভাগৰ সেই ক্ষেত্ৰত চৰকাৰী যন্ত্ৰ ফেইলৰ হৈছে। মই চৰকাৰ তথা মাননীয় মুখমন্ত্ৰী মহোদয়ক অনু-ৰোধ জনাওঁ যেন এই বিষয়টো লক্ষ্য কৰে আৰু বিহিত ব্যৱস্থা হাতত লয়। যি সকল প্ৰকৃত খেতিয়ক খৰাং বতৰ বা বৰষুণৰ কথা চিন্তা নকৰি বানপানীৰ কথা চিন্তা নকৰি খেতি কৰে সেই সকলৰ কথা চিন্তা কৰিব লাগে। তেতিয়াহলে তেওঁলোকে ৰাইজক খুৱাব পাৰিব। আমাক জহা চাউল খুৱাব পাৰিব। ইয়াৰ কাৰণে মই জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বাজেটত কোটি কোটি টকা ধৰা হয়। আমি তাত সন্তুষ্ট হব পৰা নাই। আমাৰ অসমৰ ট্ৰাইবেল লোক প্ৰায় পঞ্চাশ লাখ মান আছে। এই ট্ৰাইবেল লোক সকলৰ কাৰণে চিন্তা কৰিব লাগে। তেওঁলোকে আপত্তি অনাহকত নকৰে। মিছা অভিযোগ তুলি আপত্তি কৰা নাই। তেওঁলোকৰ শিক্ষাৰ ব্যৱস্থা নাই। উত্তৰ পাৰৰ জলসিঞ্চনৰ ব্যৱস্থা বিলাক ভূটান বৰ্ডাৰৰ পৰা হব লাগে তাকে নকৰি চহৰ আৰু টাউনৰ ওচৰত কৰিলে কি হব। কেন্দ্ৰস্থলি বিলাকত

কৰিবই লাগিব। সেই পিচপৰা মানুহ বিলাকৰ সুযোগ লৈ অবিৰাম ভাবে লুটপাত আৰম্ভ কৰিছে। জনতা চৰকাৰৰ দিনৰে পৰা এই লুটপাত চলাইছে। সেই জলসিঞ্চনত কাম কৰা লোকেই ছাত্ৰ সন্থাই আৰম্ভ কৰা আন্দোলনত উদগণি যোগাইছে। জলসিঞ্চনৰ প্ৰায়ভাগ ইঞ্জিনীয়াৰেই প্ৰায়-ভাগ কৰ্মচাৰীয়েই আন্দোলনৰ লগত জড়িত। আন্দোলন যদি কৰে তেনে-হলে চাকৰি এৰি দি কৰক। চাকৰিত থাকি আন্দোলনৰ লগত জড়িত হৈ পৰিলে সাধাৰণ ৰাইজ ভুক্তভোগী হব লাগে, খেতিয়ক ৰাইজে পাব লগা সুবিধাৰ পৰা বঞ্চিত হয়। তেতিয়াহলে কোটি কোটি টকা দিলেও কোনো কাম নহব। জলসিঞ্চনৰ কাৰণে লোৱা টকা যাতে ঠিক মতে কাৰ্য্যকৰী ভাবে কামত লগাব পৰা যায় তাৰ কাৰণে মই আমাৰ জল-সিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ক দৃষ্টি ৰাখিবলৈ অনুৰোধ জনালো। আন এটা কথা মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। চেল ফিল্টাৰ যিবিলাক দিয়া হৈছে সেই বিলাক ব্যক্তি বিশেষ সমাজৰ ডাঙৰ লোকে সুবিধা কৰি লয় আৰু সাধা-ৰণ দুখীয়া আৰু অৰ্থ নৈতিক ভাৱে পিচপৰা লোক সকলৰ দ্বাৰা তেনে সুবিধা পোৱা নহয়। অৱস্থাহীন খেতিয়ক সকল এই সুবিধাৰ পৰা যুগ যুগ ধৰি বঞ্চিত হৈ আছে। সেই সকললৈ চকু দিব লাগে।

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, দুখীয়া লোক সকল তেনে বিলাক সুবিধাৰ পৰা সদায় বঞ্চিত হৈ আছে। সেই সকল লোকৰ কাৰণে চৰকাৰে আঁচনিৰ জৰিয়তে সুবিধা দিব লাগিব। কিয়নো সেই সকলক লৈয়েই আমি গৌৰৱ কৰো আৰু সেই সকলৰ দ্বাৰাই আমি নিৰ্ব্বাচিত হৈ আহিছো। মই আৰু বিশেষ নকওঁ অধ্যক্ষ মহোদয়ে সাৱধান বাণী শুনাইছে গতিকে মই কৰ্তন প্ৰস্তা-ৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

শ্ৰীইসমাইল হোসেন—মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাবের বিরোধীতা করে আমি ইরিগেশন বিভাগের ২-১ টা রোগের কথা আমাদের মন্ত্রী মহোদয়কে

আপনার মারফত্ বলব।

( ভয়েস্—আপনি তো কণ্ট্রাক্টর ছিলেন )

মহোদয়, ক্যানেল তৈরী করার জন্য যে ল্যাণ্ড একুইয়ার করা হয়—সেই মাটির বহু মালিক দেখা যা মাটি কাটতে দেয় না। ফলে ক্যানেল সম্পূর্ণ হয় না। তাছাড়া অনেক যায়গায় কেবল অধিগৃহীত মাটিতেই শুধু কাজ করতে হয় না, তার বাইরেও এমবেংকমেণ্ট তৈরী করতে হয়। এই মাটিও অধিগ্রহণ না করলে স্কীম সম্পূর্ণ হয় না। সেইজন্য আমি আপনার মারফত্ মন্ত্রী মহোদয়কে অনুরোধ করছি যে তিনি যেন ল্যাণ্ড একুইয়ার করার জন্য একটা বলিষ্ট নীতি অবলম্বন করেন এবং ল্যাণ্ড কমপেনসেশন যেন মালিকদেরে তাড়াতাড়ি দেওয়ার ব্যবস্থা করেন। কারন এই টাকা মালিকরা অনেক ক্ষেত্রে ৫-১০ বত্সর পর্যন্ত পায় না। তাছাড়া অনেক ক্ষেত্রে ম্যাদি মাটি না দেওয়ার ফলে অনেক ক্যানেল ১০ কিঃ মিঃ পর্যন্ত হওয়া সত্বেও ২-১ শত মিটারের জন্য সম্পূর্ণ হতে পারেনি। বহু যায়গায় হেড্ ওয়ার্ক কমপ্লিট হয়েছে, কেনেলও প্রায় কমপ্লিট হয়েছে কিন্তু ২-১ শত মিটারের জন্য জল যায় না। সুতরাং মালিকরা যাতে জমির কমপেনসেশন তাড়াতাড়ি পায় তার ব্যবস্থা যেন সরকার করেন।

আর একটা কথা, ইরিগেশন স্কীম সাধারণতঃ হাইলেণ্ডে নেওয়া হয়। কারন সেসব অঞ্চলে জলের অভাব থাকে। কিন্তু যদিও নীচু অঞ্চলে বর্ষার সময় জলের পরিমান বেশী হয়, বর্ষার পরে সে সব অঞ্চলে জলের খুব অভাব দেখা দেয় এবং ফলে সে সব এলাকার কৃষকরা অনেক ধরনের ক্ষেত করতে পারে না। সুতরাং নীচু অঞ্চলের জমিতে জলসিঞ্চনের জন্যও যেন স্কীম করা হয় যাতে তারাও যেন ২-৩ টি ফসল উত্পাদন করতে পারে।

স্যার, আর একটা রোগের কথা বলব। ইরিগেশনের অফিসারদেরে

যেন বিশেষ ট্রেনিং এর ব্যবস্থা করা হয়। কারন আমি বহু অফিসার দেখেছি যারা লেভেল দিতে পারে না, অনেক ক্ষেত্রে এলাইনমেণ্ট চেঞ্জ করতে হয়, যে ষ্ট্রাকচার ছিল সেগুলি চেঞ্জ করতে হয়—কিন্তু আমি দেখেছি বেশীরভাগ ইঞ্জিনিয়ার, এস, ডি, ও রা এই ব্যাপারে সিদ্ধান্ত নিতে পারে না। সুতরাং এদের যেন উপযুক্ত প্রশিক্ষন দেওয়ার ব্যবস্থা করা হয়। কারন, এই সময়ে সিদ্ধান্ত না দিতে পারার জন্য ঠিকাদাররাও কাজ করতে পারে না। ফলে স্কীম ফেল করে। যেখানে জল উজান থেকে ভাটিতে যাবে—অফিসারদের অভিজ্ঞতার অভাবের জন্য দেখা যায় ক্যানেল ভাটি থেকে উজানে জল যাবার ব্যবস্থা হয়েছে।

স্যার, ইরিগেশন বিভাগে একটা সাপ্লিমেণ্টারী অইটেম আছে। এই আইটেম যখন হয় তখনই ইঞ্জিনীয়াররা ঠিকাদারদের আশ্বাস দিতে থাকেন যে তোমরা কাজ কর—বিল সঙ্গে সঙ্গে পাবে। কিন্তু কাজ করার অনেক পরেও দেখা যায় বিল পায় না। সুতরাং এই ব্যাপারে যেন একটা সিদ্ধান্ত করে অন্য এজেন্সিকে দেওয়ার বন্দোবস্ত হয়। কারন এটাকে এভাবে ঝুলন্ত অবস্থায় রাখা উচিত নয়।

আর একটা কথা, মহোদয়, ইরিগেশন ক্যানেলে কতকগুলি যায়গায় ১০০-১৫০ ফুট চওড়া এবং ৩০-৪০ ফুট গভীর হয়। সেইসব যায়গায় অনেক মাটী স্পয়েল হয়ে চলে অন্যের জমিতে পড়ে যায়। ফলে মাটিও স্পয়েল হয় এবং অন্যের জমিতেও ক্ষেত করার অসুবিধার সৃষ্টি হয়। এই ব্যাপারে মাটী রিমুভ করার জন্য যেন সঙ্গে সঙ্গে অর্ডার দেওয়ার ব্যবস্থা করা হয়।

তাছাড়া, ইরিগেশনের যে সব স্কীমে আর, সি. সি ওয়ার্ক হয়—এই কাজের জন্য ইঞ্জিনীয়ারদেরে যেন ট্রেনিং দেওয়া হয়। তা নাহলে এই সব আর, সি, সি ওয়ার্ক ২-১ দিনের মধ্যেই ভেঙ্গে পড়তে পারে। ইরিগেশন স্কীম আর কার্যকরী হবে না। আর, সি, সি ওয়ার্ক' এর জন্য ভাল ট্রেনিং দরকার।

আর একটা ছোট কথা, অনেক এলাকা আছে যে সব এলাকায় নানা কারনে কোন ইরিগেশন স্কীম নেওয়া যায় না। সেইসব এলাকায় যেন টিউব ওয়েল, ডিপ্ টিউব ওয়েল বা শ্যালো টিউব ওয়েল' এর ব্যবস্থা করা হয়।

মহোদয়, আর একটা সাংঘাতিক রোগের কথা বলব। সেটা হলো এক একটা স্কীম কম্প্লিট না হওয়া পর্যন্ত যেন কোন অফিসারকে বদলি করা না হয়। নতুবা ২-৩ বছর পর পর বদলি করলে স্কীম ফেইল করলে বা কাজে ডিফেক্ট থাকলে রেসপন্সিবিলিটি ফিক্স করা যায় না। এই ব্যাপারে একটা সিদ্ধান্ত নিতে হবে।

মহোদয়, আমাদের শক্তি মন্ত্রী মহোদয় বলেছিলেন যে আগামী ৫ বৎসরের ভিতর আসামের সর্বত্র বিদ্যুৎ সরবরাহ করা হবে। আশা করি বিদ্যুৎ পাওয়ার সঙ্গে সঙ্গে রাজ্যের সর্বত্র জলসিঞ্চনেরও ব্যবস্থা হবে। এই বলে আমি কর্তন প্রস্তাব বিরোধীতা করে আমার বক্তব্য শেষ করছি।

শ্রীজেহিৰুল ইচলাম—মাননীয় অধ্যক্ষ মহোদয়, মই আৰম্ভনিতে জলসিঞ্চনৰ দাবীৰ শিতানত যি ১২ গৰাকী সদস্যই অংশ গ্ৰহণ কৰিছে তেখেত সকলৈ ধন্যবাদ জনাইছো। মই জানো ইমান দিনে, মই জনামতে বিধান সভাৰ মজিয়াত ইমান ভাল ভাবে এই দাবীৰ শিতানত আলোচনা বিলোচনা কৰা হোৱা নাছিল। ইয়াৰ পৰা এইটোৱেই অনুমান হৈছে যে অসমৰ ৰাইজ তথা অসমৰ কৃষিজীৱি সকলে জলসিঞ্চনৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে আগ্ৰহ প্ৰকাশ কৰিছে। মই এই বিধান সভাত ১৯৬২ চনৰ পৰাই আছো। তেতিয়াৰ পৰাই জলসিঞ্চনৰ ক্ষেত্ৰত ইমান বহল ভাবে আলোচনা বিলোচনা আগবঢ়োৱাৰ কথা মোৰ মনত নপৰে। ইয়াৰ পৰা মোৰ এইটোৱেই ধাৰণা হৈছে যে এই বিষয়টোৰ প্ৰতি ৰাইজৰ আগ্ৰহ যথেষ্ট পৰিমানে বাঢ়িছে। এই বিষয়টোৱে প্ৰাণ পাই উঠিছে। স্বাভাৱিকতে জীয়া বস্তু এটাৰ ওপৰত সমালোচনা হবই। মই

বৰ সুখ পাইছো যে ১২ গৰাকী মাননীয় বিধায়কে এই শিতানৰ ওপৰত আলোচনা বিলোচনা কৰিছে। মই তেখেত সকলক বিভাগীয় উত্তৰ দিয়াৰ আগতে দুআষাৰমান কথা কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, অসমত বৈজ্ঞানিক পদ্ধতিত জলসিঞ্চন ব্যৱস্থা আৰম্ভ কৰা বৰ বেচি দিন হোৱা নাই। অৱশ্যে জনজাতীয় অঞ্চল বিলাকত ডুং পদ্ধতিৰে খেতি কৰা আজিৰ পৰা বহুত দিনৰ আগৰে পৰাই চলি আহিছে। আমাৰ ৰাজ্যত যথেষ্ট পৰিমানে বৰষুণ হোৱাৰ কাৰণে খেতিয়কৰ আগ্ৰহ এই পদ্ধতিৰ কাৰণে কম আছিল। তাৰোপৰি ১৯৫০ চনৰ ভুমিকম্পৰ পিচৰ পৰা অসমৰ ৰাইজ বানপানীৰ জুৰুলা হৈ পৰে। তেতিয়া খেতিৰ পথাৰত পানী যোগান ধৰাতকৈ খেতিৰ পথাৰৰ পৰা পানী উলিয়াই নিয়াতহে ৰাইজৰ চকু আছিল। অৰ্থাৎ জলসিঞ্চন ব্যৱস্থাতকৈ বানপানী নিয়ন্ত্ৰনতহে ৰাইজে গুৰুত্ব দিছিল। দেশ বিভাজনৰ পিচত ভাৰতবৰ্ষত প্ৰায় শতকৰা ২০ ভাগ খেতিয়কহে জলসিঞ্চনৰ সুবিধা লাভ কৰিবলৈ সমৰ্থবান হৈছিল। অসমত দ্বিতীয় পৰিকল্পনাৰ পিচৰ পৰাহে জলসিঞ্চন ব্যৱস্থাৰ সুবিধা আগবঢ়াৰ পৰা হৈছে। তৃতীয় পৰিকল্পনাৰ পৰা বাননিয়ন্ত্ৰন আৰু জলসিঞ্চন ব্যৱস্থাৰ প্ৰতি মনোনিবেশ কৰা হৈছে। উল্লেখযোগ্য যে ১৯৬৮-৬৯ চনত ২ মজলীয়া আঁচনি সম্পূৰ্ণ হয়।

তলত দিয়া বিবৰণৰ পৰা জলসিঞ্চনৰ ক্ৰমোন্নতিৰ বিশেষ ধাৰণা কৰিব পৰা হব।

| পৰিকল্পনাৰ আগলৈকে | সৰ্ব্বভাৰতীয় | অসমত |
|---|---|---|
| ১৯৪৬ চনৰ পৰা চতুৰ্থ পৰিকল্পনাৰ শেষলৈকে | ৩৮·৯৪ | শতকৰা ৮ |
| পঞ্চম পৰিকল্পনাৰ শেষলৈকে | ৪৯·৯ | ১১·৯ |
| ১৯৮০-৮১ | | |
| ১৯৮১-৮২ | ৫৪·১ | ১৩·৫ |
| ১৯৮২-৮৩ | — | ১৪·৪ |

মাননীয় অধ্যক্ষ মহোদয়, চতুৰ্থ পৰিকল্পনাৰ শেষত কৰা হিচাব মতে

ৰাজ্যৰ খেতিৰ উপযোগী মাটিৰ কালি ২৩·৭০ লাখ, জলসিঞ্চন কৰিব পৰা সাম্ভাব্য মাটিৰ কালি শতকৰা ৮০ ভাগ হিচাবে ১৮ লাখ হেক্টৰ। মাৰ্জিনেল জলসিঞ্চন কৰিব পৰা হলে সাম্ভাব্য খেতিৰ পৰিমাণ ১৮·৯ লাখ হেক্টৰৰ শতকৰা ১৪০ ভাগ হব। গতিকে ২৭ লাখ হেক্টৰ কালিত বছৰেকীয়া জলসিঞ্চন সুচল সৃষ্টি কৰিবলগীয়া হয়। এতিয়ালৈকে লোৱা পৰিকল্পনা বিলাকত লাভ কৰা অগ্ৰগতি তলত দিয়া ধৰণেৰে দেখুওৱা হ'ল। দুট বছৰেকীয়া পৰিকল্পনাৰ শেষলৈকে অৰ্থাৎ ১৯৭৯-৮০ চনলৈকে ৯১·৪৭ কোটি আৰু ইয়াৰ পৰা পটেনচিয়েল ক্ৰিয়েট হব ৩·২২৮ লাখ হেক্টৰ। ষষ্ঠ পৰিকল্পনাৰ সময়চোৱাত অৰ্থাৎ ১৯৮০-৮১ চনত ব্যয় কৰা হৈছে ২১·৮৯৫ আৰু তাৰ পৰা সম্পদ বাঢ়িছে ৩·৪৪ লাখ হেক্টৰ, ১৯৮১-৮২ চনত খৰছ হৈছে ২৫·১৩১ আৰু তাৰ পৰা সম্পদ বাঢ়িছে ৩·৬৫, ১৯৮২-৮৩ চনত খৰছ হৈছে ২৬·৩৫০ আৰু সম্পদ বাঢ়িছে ৩·৬৯ লাখ হেক্টৰ। বৰ্তমান ১৯৮২-৮৩ চনলৈ মুঠ ব্যয় ১৬৪·৮৪৬ কোটি আৰু সম্পদ বাঢ়িছে ৩·৮৯ হেক্টৰ। মই এতিয়া জনজাতীয় পৰিকল্পনাৰ বিষয়ে কব বিচাৰিছো— ৰাজ্যৰ ভৌগলিক কালি ৭৮৫২৩ স্কুয়েৰ কিলোমিটাৰৰ ভিতৰত ২১ টা আইটিডিপি অঞ্চলৰ অন্তৰ্গত ১০,৯৯১ বৰ্গ কিলোমিটাৰত প্ৰায় ৫৫ টা জনজাতীয় ব্লক পৰিছে। ১৭৫ টা গাওঁ পঞ্চায়তৰ অন্তৰ্ভুক্ত জনজাতীয় লোকৰ সংখ্যা প্ৰায় ২০·১১ লাখ আৰু ই ৰাজ্যৰ মুঠ জনসংখ্যাৰ শতকৰা ১৩·৭৫। ১৯৭৬-৭৭ চনৰ পৰা জলসিঞ্চন পৰিকল্পনাত ট্ৰাইবেল চাব প্লেন হিচাবে আচুতীয়াকৈ পৰিকল্পনাৰ বাবে ধন ধাৰ্য্য কৰা হৈছে আৰু জলসিঞ্চন সম্পদ বৃদ্ধি কৰাৰ আঁচনি লোৱা হৈছে। জনজাতীয় উপ-পৰিকল্পনাৰ সাধাৰণ ক্ৰমোন্নতিৰ বিবৰণ তলত দিয়া ধৰনেৰে পৰ্য্যালোচনা কৰা হ'ল। পঞ্চম পৰিকল্পনাৰ কালত—

| কোৱান্টি ফাইদ এমাউন্ট লাখৰ হিচাবত— | বিশেষ | কেঃ সাঃ | মুঠ |
|---|---|---|---|
| | ৮০০ | ২০০ | ১০০০ |

ষষ্ঠ পৰিকল্পনাৰ কালত বৃহৎ আৰু মজলীয়া জলসিঞ্চন ২০৯৩·০০ কেন্দ্ৰীয় সাহায্য নাই আৰু ক্ষুদ্ৰ জলসিঞ্চনত ২৩৯৯·০০ তাৰে কেন্দ্ৰীয়

সাহায্য ৩০০'০০ মুঠ ২৬৯৯'০০ আৰু এই সকলো বিলাক যোজনাতে এতিয়ালৈকে অৰ্থাৎ ১৯৮২-৮৩ চনলৈ ২০৯৭'০০ কোটি টকা খৰছ কৰা হৈছে। ইয়াৰ পৰা উপকৃত হৈছে পঞ্চম পৰিকল্পনাত ক্ষুদ্ৰ জলসিঞ্চনৰ দ্বাৰা ১৫,৩৫০ হেক্টৰ সৃষ্টি কৰা হৈছে, ষষ্ঠ পৰিকল্পনাত বৃহত আৰু মজলীয়া ২'৩৩০ হেক্টক আৰু ক্ষুদ্ৰ ৮০০০ হেক্টৰ মুঠ ১০,৩৩০ হেক্টৰ মাটি। এতিয়ালৈকে টিএচপি অঞ্চলত সম্পূৰ্ণ হোৱা বা চলি থকা আৰু প্ৰস্তাৱিত আঁচনিৰ সংখ্যা এনেধৰণৰ—৩১-৩-৮২ চনলৈ সম্পূৰ্ণ হোৱা ফো—২৮ টা, লিফট—২৫ টা, চেলো টিউব ৱেল—১৩ মুঠ ৬৬ টা। ১-৪-৮৩ তাৰিখত চলি থকা ফো—২৮ টা, লিফট—২৩ টা, ক্ষুদ্ৰ—১২ মুঠ—৭৩। ১৯৮৩ চনৰ পৰা ৮৪ চনৰ সাম্ভাব্য নতুন আঁচনি ফো—৩, লিফট—৭, ক্ষুদ্ৰ ৯ গভীৰ—২ মজলীয়া—১ মুঠ ২২ খন। ঠিক তেনেকৈ অনুসূচীত জাতিৰ বাবে পৰিকল্পনাৰ অন্তৰ্গত আঁচনি অসমৰ জনসংখ্যাৰ ৬'২৪ শতাংশ অনুসূচীত জতিৰ লোক। সাধাৰণতে সিচৰিত হৈ থকাৰ বাবে এনে অঞ্চলত ডাঙৰ (বৃহত বা মজলীয়া) আঁচনি লোৱাৰ সুচল কম। ষষ্ঠ পৰিকল্পনাত ৰাজ্যৰ পৰিকল্পনাৰ আকাৰ হ'ল ১,০৩৫'০০ কোটি টকা। ইয়াৰ পৰা ১৬'৮৭ কোটি টকা আইদেটিফাইদ অনুসূচীত এলেকাৰ আঁচনিৰ বাবে আচুতীয়াকৈ কৰা হৈছে। জলসিঞ্চনৰ পৰিকল্পনা এনে-ধৰণৰ—ক্ষুদ্ৰ জলসিঞ্চনত ১০৭'০০ কোটি টকা খৰছ কৰা হৈছে ইয়াৰ ফিজিকেল টাৰগেট ধৰা হৈছিল ১৬০০ হেক্টৰ আৰু ইয়াৰ দ্বাৰা ১০৮ টা পৰিয়াল উপকৃত হ'ব। সম্পূৰ্ণ হোৱা আৰু বিভিন্ন স্তৰত চলি থকা আঁচনিৰ খতিয়ান—এতিয়ালৈকে ৩৮০ টা আঁচনি সম্পূৰ্ণ হৈছে, অন গোইং আঁচনি ৩৭৩ টা। আপোনালোকে জানে ৬ টা মজলীয়া আঁচনি এতিয়ালৈকে সম্পূৰ্ণ হৈছে—যমুনা, পাত্ৰাদিচা, হৰগুতি, শুক্লা, লঙ্কা আৰু জজলাইগাওঁ। এই বছৰৰ এলোকেচন হৈছে অৰ্থাৎ—৮৩-৮৪ চনৰ মেজৰ আৰু মিডিয়াম ১২'৩০ কোটি মাইনৰ—১৬'০০ কোটি টকা ষষ্ঠ পৰি-কল্পনাত ধৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মুঠ খেতিৰ মাটিৰ প্ৰায় এক চতুৰ্থাংশ

( প্ৰায় ৭ লাখ হেক্টৰ ) গ্ৰাউণ্ড ওৱাটাৰ—ভূমি জল সম্পদৰ দ্বাৰা জল-সিঞ্চন কৰিব পৰা যাব বুলি মোটা মুটিভাৱে ঠিবাং কৰা হৈছে। আৰু এই ভূমি জল সম্পদ উদ্‌ঘাটনৰ বাবে প্ৰায় ডেৰ লাখ কুৱাঁ বা অগভীৰ নলীনাদ আৰু প্ৰায় ১২০০ টা গভীৰ নলীনাদ বহুৱাৰ দৰকাৰ হব বুলি অনুমান কৰা হৈছে। কেন্দ্ৰীয় ভূমি জল পৰিষদে আৰু ৰাজ্যিক ভূতত্ব আৰু খনিজ বিভাগে এই বিষয়ত যথা বিহিত ব্যৱস্থা চলাই আছে।

গভীৰ নলীনাদৰ দ্বাৰা জলসিঞ্চন, এটা ব্যয় বহুল কথা আৰু এটা একোটা নলী নাদে বহু সংখ্যক খেতিয়কৰ মাটিত জলসিঞ্চন কৰিব পাৰে। সেই বাবে এনেবোৰ আঁচনি চৰকাৰৰ তৰফৰ পৰাই সম্পাদন কৰি জল-সিঞ্চন ব্যৱস্থা কৰিব লগা হয়। আনহাতে একোটা নাদ বা অগভীৰ নলী নাদে মাথোন ২ বা ৩ হেক্টৰ মাটিতহে জলসিঞ্চন কৰিব পাৰে। আৰু এনে এটা ব্যৱস্থাত খৰছো বৰ বেছি নপৰে। সেই বাবে এনে-বোৰ জলসিঞ্চন ব্যৱস্থা গাইগুটিয়াকৈ কৰি লব পৰা সম্ভাৱনা অনেক বেছি। বাৰ্ষিক পৰিকল্পনাৰ সীমিত ধনলৈ লক্ষ্য ৰাখি আৰু দেশত জল-সিঞ্চন ব্যৱস্থা ক্ষিপ্ৰগতিৰে আগবঢ়াই নিবৰ বাবে ভাৰত চৰকাৰে এনে-বোৰ ব্যক্তিগত আঁচনিত অধিক গুৰুত্ব দি আহিছে। এনেবোৰ ব্যক্তি-গত নাদ বা অগভীৰ নলীনাদ কুৱাঁত উদ্‌গনি জনোৱাৰ বাবে ৰেহাই মূল্যত পোৱাৰ ব্যৱস্থাৰ লগতে ৰাষ্ট্ৰীয়কৃত আৰু সমবায় বেঙ্ক সমূহক উদাৰ ভাৱে ঋণ যোগান ধৰিবলৈ নিৰ্দ্দেশ দি আহিছে। পাঞ্জাৱ, হাৰিয়ানা, বিহাৰ, পশ্চিমবঙ্গ আদি দেশৰ অন্য ৰাজ্যবোৰত এই অসুবিধাৰ যোগেদি হাজাৰ হাজাৰ ব্যক্তিগত কুৱাঁ বা নলী নাদ বহুৱাই লোৱাত সক্ষম হৈছে। দুৰ্ভাগ্যক্ৰমে অসমৰ খেতিয়ক ৰাইজে বিভিন্ন কাৰণবশতঃ এনে এটা সুবিধা আৰু সুযোগ সিদিনালৈকে ( ১৯৮০-৮১ চন ) লব পৰা নাছিল। আৰু ফলত জলসিঞ্চনৰ প্ৰসাৰণত বিশেষ আগবাঢ়িব পৰা নাছিল।

ৰাজ্য চৰকাৰে বিভিন্ন আহুকালবোৰলৈ লক্ষ্য ৰাখি, অন্য ৰাজ্যৰ লগতে অসমতো ব্যক্তিগত জলসিঞ্চন ব্যৱস্থা ক্ষীপ্ৰগতিত আগবঢ়োৱাৰ

বাবে ১৯৮০-৮১ চনত "অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম" স্থাপিত কৰে। এই নিগমৰ মুখ্য উদ্দেশ্য হ'ল ব্যক্তিগত খণ্ডৰ অগভীৰ নলীনাদ আঁচনিৰ গতি ক্ষীপ্ৰতৰ কৰা। ইয়াৰ বাবে লগা ধন বেংক সমূহৰ পৰা পাবৰ বাবে চৰকাৰৰ তৰফৰ পৰা যাবতীয় চৰকাৰী গেৰাণ্টি দিয়ে।

১৯৮১-৮২ চনত প্ৰথম বছৰেই কাৰ্য্যক্ষেত্ৰত নামি এই নিগমে ১৫০ টা অগভীৰ নলীনাদ—ক্ষুদ্ৰ উত্তোলন কেন্দ্ৰ স্থাপন কৰি প্ৰায় ৪ হাজাৰ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰে। ১৯৮২-৮৩ চনত এই নিগমে কামৰ ৰতৰত ব্ৰহ্মপুত্ৰ উপত্যকা জুৰি হোৱা অশান্তিৰ মাজতো ২৩৪১ টা এনে অগভীৰ নলীনাদ, ক্ষুদ্ৰ উত্তোলন কৰি প্ৰায় ৭০০০ হেক্টৰ অতি-ৰিক্ত খেতি পথাৰত জলসিঞ্চনৰ সুবিধা যোগায়। চলিত বছৰত এই নিগমে চাৰি হাজাৰ এনে ব্যক্তিগত ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থা বহুৱাবলৈ কাম হাতত লৈছে আৰু এই কাম সম্পুৰ্ণ কৰিবলৈ ১২০০০ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা হ'ব।

১৯৮২-৮৩ চনলৈকে নিগমে বহুৱা মুঠ ৩৬৯১ টা অগভীৰ নলীনাদ ক্ষুদ্ৰ উত্তোলন কেন্দ্ৰত খৰছ পৰে প্ৰায় চাৰে তিনি কোটি টকা। ইয়াৰে প্ৰায় ২ কোটি টকা ঋণ হিচাবে লোৱা হয়। বাকী টকা ডি. আৰ. ডি, এ চাব চিডাইজ আৰু খেতিয়কৰ মাৰ্জিন মানি হিচাবে পোৱা হয়। চলিত বছৰত কৰিবলগীয়া কামৰ হিচাপ ধৰিলে প্ৰায় ৫ কোটি টকা নিগমে বেঙ্কৰ পৰা ঋণ লব লাগিব। ডি, আৰ, ডি, এৰ পৰা চাবচিডিয়েৰীৰ পৰিমাণ হব প্ৰায় ৩ কোটি টকা।

ইয়াৰ পৰা বুজা যায় যে অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগমে অসমত জলসিঞ্চনৰ প্ৰসাৰৰ অগ্ৰগতিত যথেষ্ট অৰিহণা আগবঢ়াইছে আৰু লগতে বিত্তীয় প্ৰতিষ্ঠানৰ ধন জলসিঞ্চনৰ কামত ব্যৱহাৰ কৰাত আগবাঢ়িব পাৰিছে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ যি সকলে জলসিঞ্চন বিভাগৰ

ত্ৰুতি বিচ্যুতিৰ ওপৰত বক্তৃতা দিলে সেই সকলৰ উত্তৰত কৰ খুজিছোঁ। প্ৰথমেই মই আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই বিভাগৰ কিছুমান ত্ৰুতি বিচ্যুতিৰ কথা ডাঙি ধৰিছে। বিভাগৰ ত্ৰুটি বিচ্যুতিৰ কথা মই অস্বীকাৰ নকৰোঁ। এই ত্ৰুটি বিচ্যুতিবোৰ নিৰাময় কৰাৰ বাবে বিভাগীয় বহু প্ৰচেষ্টা ইতিমধ্যে হাতত লোৱা হৈছে। আৰু থ্ূল মূল বিৱৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

মাননীয় সদস্য গৰাকীয়ে অসমৰ জলসিঞ্চনৰ উপযোগী মাটি কালিৰ আৰু খেতিৰ উপযোগী মাটি কালিৰ যি বৈষম্যৰ কথা কৈছে সেই সন্দৰ্ভত কোৱা যায় যে অসমৰ জলসিঞ্চিত মাটিৰ কালি ২৭ লাখ হেক্টৰ তাৰ বিপৰীতে খেতিৰ উপযোগী মাটিৰ পৰিমান ৩২ লাখ হেক্টৰ। খেতিৰ উপযোগী সকলো মাটি জলসিঞ্চনৰ উপযুক্ত নহবও পাৰে। সেই দৰে সমগ্ৰ অসমত ইতিমধ্যে নিশ্চিত হোৱা জলসিঞ্চনৰ সম্পদৰ হাৰ সাম্ভাব্যৰ ( পটেন্‌চিয়েল ) শতকৰা ১৩.৫ শতাংশ। ১৯৮৩ চনৰ মাৰ্চ মাহত এই হাৰৰ উন্নতি হয় শতকৰা ১৪.৪ লৈ। কোনো পুস্তিকাত ইয়াৰ বিৱৰণৰ সৰু সুৰা তাৰতম্য থাকিব পাৰে।

মাননীয় সদস্য গৰাকীয়ে বিভাগত সীমিত পুঁজিৰ ভিতৰত হাতত লোৱা কামৰ যি কথা কৈছে সেই বিষয়ত মই একমত। এই বিষয়ত ইতিমধ্যে হাতত থকা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমূহৰ কামৰ পৰিমাণ হব প্ৰায় ৩৮ কোটি টকা। সেই দৰে বৃহৎ আৰু মজলীয়া জলসিঞ্চন আঁচনি সমূহৰ বাবদ হাতত লোৱা কাম আজি মূল্যায়নৰ পৰিমানত হয় ৮৩ কোটি টকা। গতিকে বিভাগৰ মূল সমস্যাটোৱেই হৈছে আধৰুৱা কামৰ বাবে অনুদান যোগান ধৰি আকৌ নতুন কাম হাতত লোৱা। এনেকুৱা এটা জটিল পৰিস্থিতিত বিভাগে সাধাৰণ এলেকাত নিতান্তই সীমিত ১ কোটি টকাৰ নতুন আঁচনিৰ কথা ভৱাৰ বাহিৰে গত্যন্তৰ নাই। অৱশ্যে সাধাৰণ এৰিয়াৰ বাহিৰত টি, এচ, পিৰ কাৰণে ১ কোটি টকা আৰু এচ, চি এৰিয়াৰ কাৰণে ৬ লাখ টকা অতিৰিক্ত আছে।

মুঠতে এই ২·০৬ লাখ দি আমি প্ৰায় ৫ কোটি টকাৰ নতুন কাম এই বছৰত আশা ৰাখিছোঁ। সম্যক পুঁজি সংগ্ৰহ হলে মই নিশ্চয় বহুতো আঁচনি লবলৈ ভাল পালোহেতেন আৰু ৰাজ্যৰ জলসিঞ্চন যি দৰে পঞ্চ-ত্বপত হৈ আছে এই নতুন আঁচনিৰ নিশ্চয় চাহিদা আছে। বাইজেও আজি জলসিঞ্চনৰ কাৰণে ভালেখিনি আগবাঢ়ি আহিছে। কিন্তু তাত-কৈও জৰুৰী কথা হৈছে হাতত লোৱা পুৰণি আঁচনি সমূহৰ আশু সমাপ্তিকৰণ, সীমিত পুঁজিৰ ভিতৰত পৰিকল্পনা কৰা আৰু সমাপ্তি কৰোতে সেইবোৰৰ পৰা আংশিক ভাৱে হলেও জলসিঞ্চন সম্পদৰ নিশ্চিতকৰণ। এই পৰিকল্পনা মতে আমি সমগ্ৰ অসমৰ চলিত কাম বোৰৰ এটা পুনৰ-বিন্যাস আৰু মূল্যায়ন কৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ধনশিৰি জল-সিঞ্চন প্ৰকল্পৰ কথা কৈছে। এই বিষয়ত বিভাগীয় ত্ৰুটি বিচ্যুতিৰ কথা মই অস্বীকাৰ নকৰো আৰু মৌলিক প্ৰাককলনৰ মূল্য ১৫·৮৩ কোটিৰ ঠাইত যে বৰ্তমান মূল্যায়নৰ সংশোধিত প্ৰাক্কলনৰ মূল্য ৪৩ কোটি টকা হবগৈ সেইটো স্বীকাৰ্য্য। হলেও আমি এই কামৰ পূৰ্ণ মূল্যায়ন কৰি আছো আৰু কামটো কেনেকৈ সংশোধিত প্ৰাক্কল্পনৰ মঞ্জুৰীৰ মিশ্ৰ গতিত আগবঢ়াই নিয়া যায় তাৰ চেষ্টা কৰি আছো। আন কেইখন অৰ্দ্ধসমাপ্ত বৃহৎ ও মজলীয়া আঁচনিৰ তদনুৰূপে কাৰ্য্যকৰী কৰি দ্ৰুততৰ কৰাৰ প্ৰচেষ্টা হাতত লৈছো।

(ঙ) চলি থকা কামৰ এটি বিশ্লেষণৰ পৰা আমি দেখা পাইছো যে বেছি সংখ্যক জলসিঞ্চন প্ৰকল্প এটা পৰ্য্যায়লৈ আহি হয় মাটি অধিগ্ৰহণ বা হস্তান্তৰ নোহোৱাৰ বাবে নহয় ৰেলৱে ক্ৰচিং নোহোৱাৰ বাবে বা স্ক্ৰাচ সামগ্ৰীৰ অভাৱৰ বাবে ৰৈ যায়হি। তাৰ ভিতৰত মাটি হস্তান্তৰৰ বিলম্বই বেছি ভাগৰ মূল অন্তৰায়। এই বিষয়ে আমি চিন্তা কৰি আছোঁ। গড়কাপ্তানি বিভাগৰ এম, এন, পি, ৰোডৰ পদ্ধতিৰে ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ অন্তত: এভাগত মাটিৰ ইস্তাফা দৰ্খাস্ত দিয়াৰ পদ্ধতিত মাটি

হস্তান্তৰ কৰিলে প্ৰকল্প হাতত লোৱাত অগ্ৰাধিকাৰ দিয়া যায় নেকি? আনহাতে আধৰুৱা কামৰ এই ব্যাপকতাত আমি যে স্থবিৰ হৈ বৈ গৈছো সেইটোও নহয়। সীমিত পুঁজিৰ ভিতৰত চলিত কামবোৰ আগুৱাই নিব লগীয়া হোৱা পৰিস্থিতিত আমি বৰ্তমানলৈ ১২ কোটি টকাৰ এখন চেল্ট অৱ প্ৰজেক্টচ তৈয়াৰ কৰিছোঁ যাতে এই আঁচনি সমূহ কাৰিকৰী পৰীক্ষা নিৰিক্ষাৰ দিশত আগুৱাই থাকে আৰু বিত্তীয় অনুদানৰ যোগাৰ হলে অসম্পূৰ্ণ কাৰিকৰী তথ্যৰ ওপৰত হুৰমূৰকৈ কোনো আঁচনি আৰম্ভ কৰি বৈ যাব লগা নহয়। কাৰিকৰী তথ্য সংগ্ৰহ আৰু পৰীক্ষা হৈ যোৱাৰ পাছত এই প্ৰাক্কলনৰ চেল্টত ৰখা প্ৰকল্প সমূহৰ মাটি অধিগ্ৰহণৰ সুকীয়া প্ৰাক্কলনৰ আগতীয়া অনুমোদন দিয়াৰ চিন্তা কৰা হৈছে। আমি আশা ৰাখিছো আধৰুৱা কামৰ বিন্যাস আৰু মূল্যায়নৰ ভিত্তিত আমি হাতত লোৱা সংশোধনী ব্যৱস্থা সমূহৰ ৰূপায়নেৰে আধৰুৱা কামৰ শলথেকৰ পৰা ওলাই আহি হাতত লোৱা কামবোৰৰ পৰা নিঃসৃত হবলগীয়া উপকাৰৰ ভিত্তিত সমাপ্তি গতি দ্ৰুততৰ কৰিব পৰা যাব।

(চ) মাননীয় সদস্য গৰাকীয়ে এল, ও, চি, ৰ ক্ষেত্ৰত কৰাৰ সমালোচনাৰ উত্তৰত জনাব খুজিছো যে এল, ও, চি, ৰ ক্ষেত্ৰত আমি বহু সংশোধনী ব্যৱস্থা হাতত লৈছো আৰু এল, ও, চি, ৰ বিধি ব্যৱস্থা নমনা বিষয়াৰ কৈফিয়ৎ তলব কৰি বিশেষ ব্যৱস্থা কৰা হৈছে।

(ছ) মাননীয় সদস্য গৰাকীয়ে পোকালগী আঁচনিৰ কথা কৈছে। এই বিষয়ে মই বিভাগত আলোচনা হৈছো। মই পোৱা খবৰমতে পোকালাগী আঁচনিৰ পৰা এবাৰ জলসিঞ্চন কৰিব পৰাৰ ব্যৱস্থা হৈছিল। তাৰ পিছত নদীয়ে গতি সলনি কৰাৰ বাবে সেই আঁচনি বৰ্তমান অকামিলা হৈ আছে। মই বিভাগক পৰামৰ্শ দিছো যাতে নদীৰ গতি প্ৰত্যাবৰ্ত্তন কৰাৰ আঁচনিলৈ উক্ত আঁচনি চালু কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে।

(জ) মাননীয় সদস্য গৰাকীয়ে তেখেতৰ নিজৰ অভিজ্ঞতাৰ পৰা এইটো কথা

ডাঙি ধৰিছে যে সৰভোগৰ ওচৰৰ জলসিঞ্চন আঁচনিৰ নলাৰ মাজতো কলৰ চুবা গজিছে। এই কথা জলসিঞ্চন আঁচনি সমূহৰ যে সম্যক সংৰক্ষণ ( মেইনটেনেনচ ) হোৱা নাই তাকে সূচায়। এই বিষয়ত মই কৰ বিচাৰিছো যে সপ্তম জলসিঞ্চন মন্ত্ৰী সন্মিলনৰ চুপাৰিশ মতে আমাৰ ৰাজ্যত জলসিঞ্চনৰ সংৰক্ষণৰ বাবে এই বছৰত অনুদান হব লাগে মুঠ ১৬৩০.২০ লাখ টকা। এই চুপাৰিশ কেন্দ্ৰীয় চৰকাৰ ও কেন্দ্ৰীয় জল আয়োগে গ্ৰহণ কৰিছে। তাৰ বিপৰীতে জলসিঞ্চন বিভাগৰ এই বছৰৰ বাৰ্ষিক অনুদান হৈছে ৫৭১.৭৭ লাখ টকা। গতিকে সংৰক্ষণৰ অনুদানৰ অভাবত যে জলসিঞ্চন আঁচনি সমূহৰ সম্যক ৰক্ষণা-বেক্ষণ হোৱা নাই এইটো স্বীকাৰ্য্য। আমি এই সপ্তম জলসিঞ্চন মন্ত্ৰী সন্মিলনৰ চুপাৰিশ মতে বাৰ্ষিক ৰক্ষণা-বেক্ষণৰ অনুদান কেনেকৈ বৃদ্ধি কৰা যায় তাৰ চেষ্টা চলাই আছো।

(ঋ) মাননীয় সদস্য গৰাকীয়ে আৰু এটা কথা কৈছে যে ঠিকা-ঠুকুলিৰ বিতৰণৰ ক্ষেত্ৰত নিয়ম নীতি উলঙ্ঘা কৰা। আমি নিবিদা বণ্টনৰ ক্ষেত্ৰত যি কমিটি আছে, তাৰ পূৰ্ণগঠন কৰিছো আৰু বিভাগীয় নীতি নিয়ম যাতে মানি চলা হয় তাৰ প্ৰতি চোকা দৃষ্টি ৰখা হব।

(ঞ) মাননীয় সদস্য গৰাকীক এই বিষয়ে মই ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতৰ তীক্ষ্ণ সমালোচনাৰ মাজতো অনুদান বঢ়াই আধৰুৱা কামবোৰৰ সমাপ্তিৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই সুকলা প্ৰজেক্টৰ কথা উল্লেখ কৰাৰ উত্তৰৰ সন্দৰ্ভত মই জনাব খুজিছোঁ যে সুকলা প্ৰজেক্টত এই বছৰত ইতিমধ্যে ৫ লাখ টকাৰ আধুনিকিকৰণৰ আঁচনি হাতত লোৱা গৈছে। এইটো সঁচা যে অতীতত ৪০ হেক্টৰৰ তলত ওৱাটাৰ কোৰ্চ বিলাক বিভাগে কৰি নিদিছিল। বৰ্তমান ভাৰত চৰকাৰৰ পৰামৰ্শ মতে ৫ হেক্টৰৰ পৰা ৮ হেক্টৰলৈকে ওৱাটাৰ কোৰ্চৰ আঁচনি বিভাগত মঞ্জুৰ কৰাৰ আঁচনি লোৱা গৈছে।

মাননীয় সদস্য শ্ৰীচিৰাজুদ্দিন ডাঙৰীয়াই কিছু আঁচনি ৪ বছৰেও সম্পূৰ্ণ নোহোৱাৰ কথা কৈছে। পুৰণি আঁচনিৰ বাবে বিভাগত যি অসুবিধা হৈছে সেইখিনি মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াৰ সমালোচনাৰ উত্তৰত কোৱা গৈছে। তেখেতে তোলা মাষ্টাৰ ৰোলৰ সন্দৰ্ভত জনাব খাজোঁ যে এই বিভাগত অতি সীমিত পৰিমাণতে মাষ্টাৰ ৰোলৰ শ্ৰমিক নিয়োগ কৰা হয়, কোনো মৌলিক কাম মাষ্টাৰ ৰোলৰ শ্ৰমিকৰ দ্বাৰা কৰা নহয়। তেখেতে কৰা অভিযোগ যে গোটেই মাহটোৰ কাম কৰাৰ বাবে কেৱল ৫-১০ দিনৰ দৰ্মহা দিয়া হয়—এই কথা সাধাৰণ ভাৱে স্বীকাৰ কৰা নেযায়। কিবা নিৰ্দ্দিষ্ট অভিযোগ থাকিলে এই বিষয়ে তদন্ত কৰি চোৱা যাব। ইয়াৰ লগতে কওঁ যে দুমাহ আগতে এই বিষয়ে অভিযোগ পোৱাৰ পিছত মাষ্টাৰ ৰোলত কাম কৰা লোক সকলে যাতে নিজৰ কামৰ উপযুক্ত মজুৰি সময় মতে পাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিছো। তেখেতে কৰা অভিযোগ যে স্কীমবোৰ শেষ কৰোঁতে সময় সাপেক্ষ হৈছে এই বিষয়ত মই কব খুজিছো যে বেছি ভাগ স্কীমেই মাটি হস্তান্তৰিত হোৱাত বিলম্ব হোৱা বাবে শেষ কৰাত দেৰি হৈছে। পুৰণি আঁচনিবোৰ আনি লগে লগে আধুনীকিকৰণ কৰিবলৈ লৈছো।

মাননীয় সদস্য শ্ৰীবৰ্গৰাম দেউৰী ডাঙৰীয়াই দিক্ৰং আৰু ৰঙানদীৰ বাওঁপাৰে থকা স্কীম কেইটা অকামিলা হৈ থকাৰ কথা উল্লেখ কৰিছে। যত নদীৰ পৰা উত্তোলন কৰি জলসিঞ্চন আঁচনি কৰা হয়, তাত বিশেষকৈ উত্তৰ পাৰৰ নদী বিলাকৰ গতি পৰিবৰ্ত্তনৰ বাবে উত্তোলন ব্যৱস্থা ব্যাহত হব পাৰে। হলেও এই বিষয়ত কেনেকৈ নদীৰ মুখ আকৌ আগৰ ঠাইলৈ অনা যায় সেইটো চাবৰ বাবে মই বিভাগীয় কাৰিকৰী বিন্যাস কাৰিকৰী পৰামৰ্শ দিবলৈ কৈছো যাতে এই লিফট্ ইৰিগেচ্যনৰ স্কীমটো আকৌ চালু কৰিব পৰা যায়। তেখেতে আকৌ কৈছে যে য'ত শক্তিৰ সম্যক বা ধাৰাবাহিকতা নাই তাত জলসিঞ্চন আঁচনি লব নেলাগে। এই বিষয়ত অৱশ্যে বিজুলী প্ৰবাহ স্থিৰতৰ হোৱালৈকে লিফ্ট

ইৰিগেচন স্কীমবোৰ নোলোৱাৰ কথা মই ভবা নাই। এই সংক্ৰান্তত বিভিন্ন বিভাগৰ সংহতিপূৰ্ণ ব্যবস্থা কৰিবলৈ সমন্বয় ৰক্ষী কমিটি স্থাপন কৰা হৈছে। এই সমন্বয় ৰক্ষী কমিটিত মহকুমাধিপতি আৰু জিলাধিপতি আদিক লৈ গঠন কৰা হৈছে। আৰু তেওঁলোকে ইয়াৰ পৰিচালনা কৰে।

মাননীয় সদস্য শ্ৰীবিমল গয়াৰীদেৱে প্ৰবাহ জলসিঞ্চন আঁচনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ উত্তৰ পাৰৰ চঞ্চল নদী সমূহৰ ক্ষেত্ৰত প্ৰবাহ জলসিঞ্চনৰ ব্যাপক প্ৰচলনৰ ক্ষেত্ৰত আমি সন্দেহাতীত হব পৰা নাই। কিয়নো এনেকুৱা উত্তৰ পাৰৰ খৰস্ৰোতা নদী সমূহে কেতিয়াবা কেতিয়াবা এটা জলসিঞ্চনৰ নলাৰ মাৰফতে সমষ্ট প্ৰবাহৰ আমূল পৰিবৰ্ত্তন ঘটাই ধ্বংসলীলা সম্পন্ন কৰে। এই বিষয়ে মাননীয় সদস্য শ্ৰীগয়াৰীদেৱে কৈছেই গতিকে আমি এই বিষয়ে কেনেকৈ নদী প্ৰবাহৰ পৰিবৰ্তন নঘটোৱাকৈ উত্তৰ পাৰৰ নদী সমূহৰ পৰা বৈজ্ঞানিক পদ্ধতিত জলসিঞ্চন আৰম্ভ কৰিব পৰা যায়। তাৰ বাবে কাৰিকৰী অনুসন্ধান কৰা হব।

মাননীয় সদস্য শ্ৰীকাৰ্ত্তিক চৰকাৰে এই বিভাগৰ দুৰ্নীতিৰ কথা সাধাৰণ ভাৱে কৈছে। এনেকুৱা এটা বিভাগত দুৰ্নীতিৰ অভিযোগ উঠি থাকে আৰু সেই বিষয়ে আমি অনুসন্ধান চলাই প্ৰয়োজন মতে বিহিত ব্যৱস্থা লওঁ। তেখেতে মঙ্গলদৈ বিভাগত কিছুদিন আগতে চলা বেমেজালিৰ কথা উল্লেখ কৰিছে। এই বিষয়ে আমি ইতিমধ্যে বিভাগীয় পৰিদৰ্শন আৰু মান নিৰ্ণয় চক্ৰৰ হতুৱাই বিষদ তদন্ত আৰম্ভ কৰিছো। আৰু তাৰ প্ৰতিবেদন খৰটকীয়াকৈ শেষ কৰিবৰ কাৰণে ব্যৱস্থা লৈছো। প্ৰতিবেদন পোৱাৰ পিচত ইয়াৰ সম্যক ব্যৱস্থা লোৱা হব।

মাননীয় সদস্য শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ডাঙৰীয়াই এই বিভাগত নিবিদা গ্ৰহণ কৰাৰ ক্ষেত্ৰত দুৰ্নীতিৰ কথা কৈছে। এই সন্দৰ্ভত কোৱা যায় যে কিছু ক্ষেত্ৰত নিবিদা দাখিলকাৰী সকলৰ মাজত খামখেয়ালিৰ বাবে

ইজনে সিজনব বিৰুদ্ধে অভিযোগ দাখিল কৰে। যাতে তেওঁ নিজেহে সেই কামতো পায়, সেই বিষয়ত মই বিভাগত পৰামৰ্শ দিছো যাতে বিভাগীয় নিবিদা বণ্টনকাৰী কমিটিৰ বিষয়া সকলে কাৰো প্ৰতি ভিতি-গ্ৰস্ত বা অনুগ্ৰহ পৰায়ণ হৈ কাম নকৰি ন্যায় বিচাৰ দিয়ে। এই বিভাক নিবিদা বণ্টনকাৰী কমিটি অলপতে পুনৰ গঠন কৰা হৈছে। এই অভিযোগ অৱশ্যে সঁচা যে আগেয়ে প্ৰাক্কলনৰ সম্যক সংশোধন নকৰাকৈ কামবোৰ হাতত লোৱা হৈছিল আৰু সেই বাবে বিভাগে এইবোৰ সম্পূৰ্ণ কৰাত শ'ল ঠেকত পৰিছিল।

মাননীয় সদস্য শ্ৰীহেমেন দাসৰ উত্তৰত মই ইতিমধ্যে জনাইছো যে এই পৰিস্থিতিৰ পৰা নিৰাময় পাবৰ বাবে, ভৱিষ্যতে যাতে স্থৰমূৰকৈ সম্যক প্ৰাক্কলন নোহোৱাকৈ নিবিদা আহ্বান কৰি হাতত লবলগীয়া নহয় তাৰ বাবে প্ৰাক্কলন সমূহ চেলত কাৰিকৰী পৰীক্ষা কৰা হব। শ্ৰীপাটিৰ ডাঙৰীয়াই কৰা দুটা নিবিদা অভিযোগৰ ক্ষেত্ৰত কোৱা হয় যে বুঢ়াবুঢ়ি স্কীমৰ প্ৰাক্কলিত ধনৰ পৰিমাণ আছিল ১০০ লাখ টকা। তেখেতে কোৱা মতে ২৮'৯ লাখ টকা নহয়। আনহাতে এই প্ৰকল্পৰ মেকানিকেল অংশৰ নিম্নতম নিবিদাৰ নিবেদক মেৰ্চাচ সুভাষ প্ৰজেক্টচ এণ্ড মাৰ্কেটিং (পি) নিবিদা মূল্য হল ৬৯ লাখ টকা। তেখেতে কোৱা মতে ৮০ লাখ নহয় আৰু নিম্নতম নিবিদাৰ নিবেদকক এতিয়াও কাম কৰিবলৈ দিয়া হোৱা নাই। সেইদৰে বুঢ়িদিহিং প্ৰকল্পৰ ক্ষত্ৰটো কাম অৰ্পন কৰা হৈছিল মেৰ্চাচ সুভাষ ট্ৰেদিঙক ১৯৮২ চনতে। প্ৰাক্কলিত টকা ২১ লাখৰ বিপৰীতে তেওঁৰ সৰ্ব্বনিম্ন নিবিদা আছিল ৫৪ লাখ টকা। মই স্বীকাৰ কৰিছো সেই সময়ত সংশোধিত প্ৰাক্কলন নোহোৱাকৈ কাম বণ্টনৰ প্ৰথা আছিল। যি প্ৰথা আমি এতিয়া বিলোপ সাধাণৰ চেষ্টা কৰি আছো। তেখেতে উল্লেখ কৰা মতে কলিয়াবৰ আঁচনিৰ ক্ষেত্ৰত কলিকতাৰ কোনো জনৈক ৩০ লাখ টকাৰ আগধন দিয়া হোৱা নাই। অৱশ্যে ধনশিৰি প্ৰকল্পৰ ক্ষেত্ৰত মেচাৰ্চ জৈন এচো-চিয়েটৰ পৰা চৰকাৰৰ বহু টকাৰ দাবী আছে আৰু এই ক্ষেত্ৰত তেওঁলোকে

হুবাব হাইকোর্ট কৰিছে। এই বিষয়ে আমি বিত্ত বিভাগৰ লগত আলোচনা কৰি শেষ সিদ্ধান্ত লম।

ইয়াৰ বাহিৰেও আমাৰ মাননীয় সদস্য শ্ৰীনেপাল দাস ডাঙৰীয়াইও এই বিভাগত কিছু পৰামৰ্শ ডাঙি ধৰিছে। তেওঁৰ পৰামৰ্শ আৰু আসোঁৱাহৰ ক্ষেত্ৰত মই তেখেতক জনাও যে ১। আঁচনি সমূহ সম্পূৰ্ণ হোৱাত পলম হৈছে ইয়াৰ ঘাই কাৰণ মাটি অধিগ্ৰহণ সময় মতে নোহোৱাটো। তথাপি ৰাইজৰ সহযোগত যিমানখিনি সম্ভৱ হয় সিমানখিনি কাম সম্পূৰ্ণ কৰাত চেষ্টা কৰি থকা হৈছে।

২। বিষয়াৰ হেমাহিৰ যি কথা তেখেতে কৈছে সেই বিষয়ে নিৰ্দ্দিষ্ট অভিযোগ পালে ব্যৱস্থা লোৱা হব। বড়ো আৰু আলু খেতি হাওৰ অঞ্চলত কৰিলে। নিশ্চিতৰূপে ফচল পাবনে নাই সেইটো নিৰ্ভৰ কৰে ড্ৰেইনেজৰ ওপৰত। আগতীয়া বাৰিষা হলে প্ৰায়েই এই খেতিত পানীত তল যায় আৰু নষ্ট হয় ড্ৰেইনেজৰ ব্যৱস্থা জলসিঞ্চনৰ দায়িত্বত নপৰে। তেখেতৰ আন এটা প্ৰশ্নৰ সন্দৰ্ভত জনাও যে কাটিগড়া সমষ্টিত মহাদেৱ পুৰত এটা দিজেল চলিত পাম্প চলি আছে। পাইকান অঞ্চলত এটা ৮০ এইচ পি পাম্প অচল অৱস্থাত আছে সঁচা। এই পাম্প বৈদ্যুতিকৰণ কৰিবৰ কাৰণে এটা নতুন আঁচনি লোৱা হৈছে আৰু এই চলিত বছৰৰ ভিতৰত ইয়াক সক্ষম কৰা হব।

মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ ওপৰত আমাৰ মাননীয় কেইবাজনো বক্তাই দিহা পৰামৰ্শ আগবঢ়াইছে তেওঁলোকৰ ভিতৰত আমাৰ যুৱ নেতা বিধায়ক ইছমাইল হুছেইন ডাঙৰীয়াই যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইবোৰত সচাকৈয়ে আমি গুৰুত্ব দিব লাগিব। তেখেতে প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা যিবোৰ দিহা পৰামৰ্শ আগবঢ়াইছে আৰু শ্ৰীহেমেন দাস ডাঙৰীয়াইও যিবোৰ দোষ ত্ৰুটিৰ কথা আঙুলিয়াই দেখুৱাইছে সেইবোৰত মোৰ বিভাগে গুৰুত্ব দিব। মই সকলো সদস্যৰেই আটাইবোৰ কথাৰ পুংখানুপুংখ উত্তৰ যদিও দিব পৰা নাই তথাপিতো

মই এইটো আন্তৰিকতাৰে গ্ৰহণ কৰিছো আৰু মই মোৰ দিনত এই বিভাগটোক কেনেকৈ বৰ্তমানৰ লগত খাপ খোৱাকৈ আগবঢ়াই নিব পাৰো তাৰ চেষ্টা কৰিম। মই আৰু বিশেষ কবলৈ নেযাও এইখিনিতে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলক এটা কথা অনুৰোধ জনাও এই বাজেটৰ ওপৰত তেখেত সকলে যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটো যেন উঠাই লয় আৰু এই বাজেটখন গ্ৰহণ কৰে। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Benoy Kumar Basumatari—Sir, I am not convinced by the statement of the hon Minister, Irrigation that the budgeted loss of Rs. 54 laksh, purpose of which is, actually, the amount is given as share-capital to the Minor Irrigation Corpn. Sir, the budget is printed and the statement gives the impression that it is actu-lly the share-capital. So, how can we take it that the amount shown in the budget is not to write off the loss of Rs. 54 lakhs? How can we accept that the real intention of the budget provision is not to write-off this Rs. 54 lakhs? He said that it is con-verted into share capital. Sir this Minor Irrigation Corporation was started with Rs. 65 lakhs obtained from the Tribal Sub-plan allocation and Sir this Minor Irrigation Corporation is living on Tribal Sub-Plan fund but we are not convinced that this Corporation is doing anything for the benefit of the tribals. So we are not convinced that this Rs. 54 lakhs will not be written off.

Shri Zahirul Islam ( Minister )—Sir, I have already clarified the position that it was not printed inadvertantly.

Mr. Speaker—Whether the hon'ble members are going to press for the Cut Motion ?

Shri Heman Das—No,

Mr. Speaker—( The leave granted and the Cut Motion is with-drawn )

No I put the Grant before the House ; The motion is that a sum of Rs. 19,92,95,000 be granted to the Minister in-charge to complete the sum of Rs. 36,08,71,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Irrigation".

( Motion is passed )

Mr. Speaker—Before I go to the next Grant I would like to inform the House that there are large number of Grants and there are 5 Grants where Cut Motions are there also. There are also Grant No. 67 ( Flood Control ), Grant No. 61 ( Forests ), Grant No. 18 (Home) Grant No. 6 ( Land Revenue & Land Ceilings ) and Grant No. 63 ( Industries ). According to our programme, we are to complete these Grants today but we have got only 1 hour in our hand and tomorrow we will get only 4 hours. We cannot proceed after 5 p.m. and so we have 4 hours and today we have only one

hour in our hand and 5 Grants are to be discussed and passed today. So, I want to know how much time the hon'ble members are going to take and I want the sense of the House.

Shri Benoy Kumar Basumatary—We agree to the extension of the time of the House today.

Mr. Speaker—We must know how much time the Hon. members require.

Shri Benoy Kumar Basumatary – Upto 7 p.m. i.e., 2 hours.

Shri Keshab Ch. Gogoi ( Minister )—Sir, 1 hour.

Shri Hemen Das—1 hour minus recess.

Mr. Speaker—We have 1 hour now and another 1 hour i.e. 120 minutes. There are 5 Grants and I would request the hon. members to cut short their discussion. Now we will continue up 6.15 p.m. today.

Shri Ranendra Narayan Basumatary ( Minister ) – Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 15,84,59,000 be granted to the Minister in-Charge to complete the sum of Rs. 30, 72,65,000, necessary to defray the charges which will come in course of payment during year ending 31 st March, 1984 for the administration of "Flood Control".

Mr. Speaker—There is a Cut Motion to this Grant tabled by Shri Hemen Das and Shri Purna Boro. If they like they can move it.

Shri Heman Das—Sir I beg to move that the total provision of Rs. 30,72,65,000 under Grant No. 67 in respect of "Flood Control" at pages 1-26 of Volume II, Part X of the Budget, be reduced by Rs. 100, i.e., the amount of the whole grant of Rs. 30,72,65,000 do stand reduced by Rs. 100.

মাননীয় অধ্যক্ষ, ইয়াৰ ওপৰত আৰু অধিক আলোচনাৰ প্ৰয়োজন নাই বুলিয়েই ভাৱো। ইতিমধ্যে বাজেটৰ ওপৰত হোৱা আলোচনাৰ উত্তৰত মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে তেখেতৰ লিখিত বিবৃতি পাঠ কৰিছেই। তথাপিও আজি গোটেই দেশতে ভয়ানক বানপানীৰ খবৰ পোৱা গৈছে। এই খবৰ পাইও আমি ইয়াত বহি আছো। মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এই পৰিস্থিতিৰ এটা পূৰ্ণ বিবৃতি পাবৰ কাৰণেই এই 'কাটমোচনটো উত্থাপন কৰিছো।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত বানপানীৰ সমস্যা সম্পৰ্কে মইও দুআষাৰ মান কথা কব খুজিছো। মইও আমাৰ মাননীয় সদস্য জনৰ দৰে চিন্তা কৰিছো আৰু ইতিমধ্যে বানপানীৰ খবৰ পোৱাৰ পিছত উত্থাপন কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ক সময় বিচাৰিছিলো। যিহেতু 'জিৰ' আৱাৰত' উত্থাপন কৰাৰ সুবিধা হোৱা নাই আৰু পাছ বজাৰ পিছত উত্থাপন কৰাৰ সুবিধা নহব। সেই কাৰণেই এই সমস্যাটোৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব এই কথাটো দৃষ্টিগোচৰ কৰাৰ কাৰণে বিচৰা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে আগৰে পৰাই কৈ অহা হৈছে যে, মঠাউৰি বন্ধা অঞ্চলত যি বিলাক মঠাউৰি অসম্পূৰ্ণ হৈ থাকে তাত বানপানীৰ সৃষ্টি হয়। পুথিমাৰি নদীৰ দুয়োপাৰে মঠাউৰি দিয়া হৈছিল যদিও পুথিমাৰি নদীৰ হাবিবাৰী আৰু বৰপথাৰ গাওঁৰ উত্তৰ ফালে মঠাউৰি দিয়া হোৱা নাছিল। ফলত তাত প্ৰত্যেক বছৰেই বানপানীৰ সৃষ্টি হৈ আহিছে। আগতে মন্ত্ৰী মহোদয়ক এই

বিষয়ে দৃষ্টি গোচৰ কৰা হৈছিল। এতিয়াও অসম্পূৰ্ণ মঠাউৰি নিৰ্মাণ কৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আজি খবৰ পালো যে, অসমৰ বহুতো অঞ্চলত বিৰাট বানপানী হৈছে। মই আজি আগবেলা ৰেভিনিউ মন্ত্ৰী মহোদয়ক ৰিলিফৰ ব্যৱস্থা কৰাৰ কাৰণে অনুৰোধ কৰিছিলো। এতিয়া আবেলি খবৰ পাইছো যে, ৬ খনকৈ অধিক গাওঁ পানীৰ তলত। ঘৰ বিলাক তল যোৱা নাই যদিও মানুহৰ নানা ধৰণৰ বিপদ হৈছে। মানুহ ঘৰত থাকিব পৰা নাই। গতিকে এই কৰ্ত্তন প্ৰস্তাৱৰ সন্দৰ্ভত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৈছো যে, আমাৰ অসম্পূৰ্ণ হৈ থকা চুইচ গেট বিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। দক্ষিণ পাৰে মঠাউৰি বিলাক নিৰ্ম্মাণ কৰাৰ পিচত উত্তৰ পাৰে অৱস্থা শোচনীয় হৈ পৰিছে। বৰষুণ দিলেই বানপানীৰ সৃষ্টি হয়। মথাউৰি নথকাৰ ফলত প্ৰবল বান-পানীৰ সৃষ্টি হৈছে। আজিকালি পানী দুৱাৰ বিলাক প্ৰায় নষ্ট হৈ থকা দেখা যায়। বহুতো বছৰ চেষ্টা কৰি বৰলীয়া নদীত কেইমানি চুইচগেট নিৰ্ম্মাণ কৰা হৈছিল। এইটো এনেধৰণে নিৰ্ম্মাণ কৰা হ'ল যে, ইয়াৰ ওপৰেদি পানী সোমায়। এই পানীৰে পথাৰ উপচি পৰে। গতিকে আমাৰ ফ্লাদকণ্ট্ৰল বিভাগে এইবিলাক চাব লাগে পানী দুৱাৰ বিলাক কি অৱস্থাত আছে? বৰলীয়া নদীৰ পানী কলমলি পানী দুৱাৰেদি পানী সোমায়। গোৰেশ্বৰ, মকলদঙা, বৰপথাৰ, হাবিবাৰী আদি অঞ্চলত যাতে ভবিষ্যতে বানপানী হব নোৱাৰে তাৰ কাৰণে মথাউৰি কাম সম্পূৰ্ণ কৰিব লাগে। এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি মোৰ বক্তব্য সামৰিছো।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী)—চেয়াৰমেন মহোদয়, যিহেতুকে মাননীয় সদস্যই ৰিলিফৰ কথা উল্লেখ কৰিছে বাননিয়ন্ত্ৰণ মন্ত্ৰীয়ে উত্তৰ দিয়াৰ আগতেই মই দুষাৰ কথা কবলৈ বিচাৰিছো। আজি আগবেলাতে মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই এই বিষয়ে মোক এখন দৰ্খাস্ত দিছিল যে তেখেতৰ সমষ্টিৰ বাবে ৰিলিফৰ আৱশ্যক হৈছে। মই তেতিয়াই আমাৰ কামৰূপৰ দি,

চিক এটা নিৰ্দ্দেশ দিছো যে, সেই অঞ্চল বিলাকলৈ আজিয়েই ৰিলিফ পঠাব লাগে। মই আশা কৰিছো যে, নিশ্চয় ৰিলিফ পাব আৰু এই বিষয়ে মই সদনৰ পৰা গৈ আকৌ খবৰ কৰিম। ভালে কেইজন সদস্যই কৈছে যে, কোকৰাঝাৰ, গোৱালপাৰা, ধুবুৰী আদি আই নদীৰ কবলত পৰিছে। সেই জিলা কেইখনত অনতিপলমে ৰিলিফ দিবৰ কাৰণে আৰু টকা পইচাৰ যোগান ধৰিবৰ কাৰণে আৰু বানপীড়িত লোক সকলক ৰক্ষা কৰিবৰ কাৰণে নাওঁ আদি দিয়াৰ ব্যৱস্থা কৰিছো। ৰাইজে যাতে কষ্ট পাব নালাগে। টকা পইচাই নহয় আৰু কি কি ব্যৱস্থা কৰিলে মানুহ বিলাকে উদ্ধাৰ পাব পাৰে সেই সকলোৰে প্ৰতি বিশেষ দৃষ্টি দিয়া হৈছে।

......( at 4.03 p.m. Mr. Speaker vacated the Chair Mr. Chairman Shri Silvius Condopan occupied the Chair )......

Shri Bazlul Basit—Mr. Chairman, Sir. I rise to oppose the cut motion moved by my frend from the Opposition. Sir, it is well known to every body that Brahmaputra river passes through the State of Assam from top to bottom: Sir, previously it was considered a blesssing for the State. But we are to consider whether this blessing is still a blessing for the people of the State. From some years past this blessing has become a curse to us. Year to year hundreds and thousands of people are being affected by the devastating floods of Brahmaputra. The Flood Control Department is no doubt trying to control the floods, but if the floods is controlled to some extent erosion starts causing serious

loss to the people. Sir, construction of embankment perhaps has resulted increased erosion of vast area of valuable land. To my experience Sir, I have seen that erosion has started very vigorously after the embankment has been cnnstructed. So Sir, to save the people from the loss of valuable land from the resultant loss, we will have to think carefully and embankment should be constructed in such a way that erosion can be checked. Sir, in my constituency, there is a very big embankment viz : Fakirganj-Kharmuja embankment, which is about 55 miles in length, of which 30 miles has been affected by erosion. At any time, at any place this embankment may breach and thousands of people may be affected. Sir, at Jaleswar, Purarbhita, Fakirganj, Bauskata, Chaitar Char etc villages are in a vulnerable point and at any moment there may be a breach of the embankment near any places of these villages causing heavy damage to the property and even human lives. So Sir, a careful observation should be made by the department so that erosion can be stopped. At Fakirganj area the embankment was repaired 5 times causing loss of thousands of acres of valuable land and making the cultivators landless. So before we make the embankments we must see that the erosion may not be increased. The Department is trying to stop it temporarily by putting porcupine, trees, branches and bamboos etc.

but they should find out a way to stop this erosion permanently. Because of these temporary measures the Government is losing heavy amount of money yearly but the benefit is very small. So permanent measure of protection of embankment should be taken up immediately. In this connection, I would like to inform the House that severe type flood started already in Goalpara, Kokrajhar aad Dhubri areas. I have received numbers of telegrams and letters from the people of those areas where they have mentioned that they have been facing lot of troubles as a result of this floods. In this connection, I would also like to point out one thing that while constructing these embankments, the land compensations are not paid in time. Sometimes it take takes more than 10/15 years. I would request the Ministers of the concerned Deptts to separate the acquired land from the tongi so that the rent of the acquired land should not be paid by the land owner and land compensations should also be given to the cultivators timely. I shall also request the govt to start the work of the embankment earlier so that the work can be completed in time. Because of late starting of work Government have to lose huge sum of money every years. So the work should be started before the rainy season starts, i.e. from January and it should be completed within the month of April and not later than that. The main difficulty of starting the work in time

is the lack of coordination between the Flood Control and Revenue Deptt. and acquisition of land. When the Revenue Deptt. fixes a time for survey the land the Flood Control Deptt. remains absent for survey the land and when the Flood Control Deptt. fixes a time the Revenue Deptt. cannot comply with it. As a result of this 3/5 months go in vain and the construction get delayed. I had many matters to say but as the Hon. Chairman wanred me about time, I am concluding my speech here. Thanking you Sir.

Chairman—Next Speaker Shri Rukmini Roy.

Shri Rookmini Kanta Roy—Mr. Speaker, Sir. since 1952 this state has been facing the devastating floods every year. Some times this flood occurs more than once in a particular year damaging crops, houses etc. Since then we have been constructing embankments to prevent the occurance of floods but actually this embankment system could not solve the problem. We have very expert Engineers but they have not taken any serious attempt to find out the root cause of this flood. Our rivers are very turbulent than the rivers of other States. Our rivers are said to be the male rivers. In other states the rivers are said to be the female. The names of other rivers are Ganga, Jamuna, Bhagirathi etc. From the name of our rivers are Brahmaputra, Gangadhar, etc. From the very nature of the name

we can come to conclusion that these rivers are male. Naturally males are more turbulent than the females. So our experts should take ardent efforts to find out the actual cause of this flood and accordingly should take preventive measures. Since 1952 we area being told in this August thouse that steps have been taken to prevent, to control the floods but till today floods have not been controled rather the floods are controlling us. In Dhubri and Patamari are the whole area has been completely washed away by floods inspite of our best efforts to control the flood. And there is the problem of erosion. There has been serious erosion but no proper precautionary steps was taken by the Government: Because of our repeated requested only in the last year some procupine, and bamboo protections were provided. I would request the Honourable Minister, through you, Sir, to kindly see that this vast areas of land between Dhubri and Patamari is protected from the flood and erosion by which thousand and thousands of people will be protected from the river the Brahmaputra. But the raising of embankments has resulted another problem also. In the South Salmara area when I visited the area, the cultivators reported to me that the area become unfertile. The flood water could not enter there and as a result of this the land become unfertile and production has been reduced to minimun. This construction of embankment

has given rise to another difficulty, i.e. reduction in the fertility of the soil behind the embankment area. Sir, I want to bring in another point, i.e. the erosion in the tributary of Brahmaputra, namely, Gangadhar river. Along this river there is an embankment but there is erosion in the river causing breach in the embankment, sericus breach Sir. and it is so serious that during the month of September that the waters of this river, Gangadhar, join with the waters of Bangladesh, and unless some immediate steps to control the river and stop the erosion, the areas like Nalia, Binnacherra, Balichar etc. will be completely left to the mercy of the marauders of that country, Bangladesh. Sir, I would put a request through you, to the Hon. Minister of Flood Control to pay a visit to the area and see for himself the situation so that some protective measures can be taken to protect the existing P.W.D. road from Dimakal to Balichar. I would not like to extend my speech any more, but I would only request that Flood Control Deptt. put a little more effort to put an end to the recurrence of floods. They should carefully study the problems and plan the future steps. It may take some time, one to five years, but we want that this recurring devastation by the river in our State are checked or put to an end for all time. With these few words, Sir, I oppose to Cut Motion and conclude my speech.

শ্রীআমিৰ হামচা তালুকদাৰ—চেয়াৰমেন চাহাব, বাননিয়ন্ত্রণ বিভাগটো বৰ্ত্ত-মান আমাৰ অসমত অতি প্ৰয়োজনীয় বিভাগ। সেই বিভাগে কৃষিৰ উন্নতি সাধন কৰিব পাৰে, মানুহৰ নৈতিক চৰিত্ৰ উৎকৰ্ষ সাধন কৰিব পাৰে। সেইকাৰণেই এই বিভাগটো দক্ষতাপূৰ্ণ ভাবে পৰিচালনা কৰাটো অত্যন্ত প্ৰয়োজন হৈ পৰিছে। কৃষি উন্নয়নৰ লগতে জলসিঞ্চন আৰু ৰাজহ বিভাগ ইত্যাদিৰ সম্পৰ্ক আছে। আমি যি দেখিছো ব্ৰহ্মপুত্ৰ নদী-খনে অসমৰ সো মাজেৰে ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছে। সি অটল গহ্বৰত প্ৰায় ২০।২৫ ভাগ মান ঠাই গ্ৰাস কৰি পেলাইছে। সেয়েহে অসমৰ বাননিয়ন্ত্ৰন বিভাগেই নহয়, অসম চৰকাৰেই অকল নহয় কেন্দ্ৰীয় চৰ-কাৰেও গুৰুত্ব আৰোপ কৰিছে। সেই কাৰণে মই দৃঢ় বিশ্বাস কৰো যে বাননিয়ন্ত্ৰণ বিভাগটোৱে অধিক দক্ষতা সম্পন্ন কৰি তুলি অসমৰ নদী উপনদী সমূহে যি প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে সেইটো দূৰ কৰি অসমৰ ৰাইজৰ কল্যাণ সাধন কৰিব লাগে। সদ্যহতে মথাউৰি নিদিয়াকৈও অস্থায়ী ভাবে পাৰ দি এই খহনীয়াৰ পৰা কিছু উদ্ধাৰ কৰিব পাৰি আৰু খেটিৰ মাটি নষ্ট নকৰাকৈ ৰাখিব পাৰি। কালদিয়া, পহুমৰা আদি নদীত ইৰোচন হৈ বহু খেতিৰ মাটি নষ্ট হৈ গৈছে। সেই বিলাক এতিয়া বন্ধ কৰিবৰ কাৰণে মথাউৰিৰ প্ৰয়োজন নাই। অস্থায়ী ভাবে পাৰ দিলে ভালেখিনি বস্তিৰ মাটি ৰক্ষা কৰিব পৰা হব। আৰু দুখীয়া গৰীব মানুহৰ মাটি নষ্টৰ পৰা ৰক্ষা পৰিব সেই মানুহ বিলাকে মাটি নষ্ট হোৱাৰ পিচত থাকিবলৈ ঠাই নোহোৱাত কোনোবা ঠাইত আশ্ৰয় বিচাৰি গৈছে। কিন্তু তেওঁলোকে ৰিজাৰ্ভ ইত্যাদি অন্যান্য ঠাইত গৈও আশ্ৰয় বিচাৰি পোৱা নাই। ফলত তেওঁলোকৰ অস্তিত্বই নোহোৱা হৈছে। মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো পহুমৰা, কালদিয়া ইত্যাদি নদী—বৰপেটা চাবডিভিজনৰ পৰা পুব ভবানী-পুৰলৈকে এই অঞ্চলটোত মথাউৰি নিদিলেও হব। মই পৰামৰ্শ দিছো ঠাই বিশেষে কিছুমান ঠাইত স্পাৰ দিলে খেতি ৰক্ষা পৰিব আৰু খেতিৰ মাটি নষ্ট নহব। আৰু নদীৰ যি মূল সোঁত তাৰ গতি একেই থাকিব।

আমাৰ অভিজ্ঞতাৰ পৰা যিখিনি পাইছো যে মথাউৰিৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰে আৰু বাধা দিব নোৱাৰে। দুই এক মাইল কৈ ধীৰে ধীৰে বিৰাট অঞ্চল নদীৰ গহ্বৰলৈ গুচি গৈছে। ইয়াৰ সোঁত ৰোধ কৰিব পৰা নাই। গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা বেচিকৈ পুঁজি আনি হলেও এই বিভাগৰ জৰিয়তে অসম চৰকাৰে যদি ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন তেতিয়াহলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহখিনি বহুখিনি উপকৃত হব আৰু দুখীয়া ৰাইজৰ কল্যাণ সাধন হব আৰু তেনে উদ্দেশ্য লৈয়েই কামত আগবাঢ়ি যাব লাগে। সময় চুটি হোৱা কাৰণে এইখিনিতে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Jiba Kanta Gogoi—Mr. Chairman, Sir, I rise to support the Demand for Flood control moved by the Minister In-charge, Flood Control and oppese the Cut Motion moved by my friends in the Opposition Bench. Sir, while supporting the demand, I would like to speak a few words on the working of Flood Control in Assam. Over the past thousands of years, since the time immemorial, the mighty river, Brahmaputra, has been flowing through Assam, at times causing floods over vast areas every year, but even then what devastation and harm this river has caused, probably we have not calculated.

We see every year the devastation caused by this river though it is generally said that a river is a blessing to the State. But from our experience we have seen that the river Brahmaputra has become a river of sorry for the people of Assam. Every year properties worth crores of rupees are destroyed and

valuable lands are eroded. In Dibrugarh town itself since independance crores and crores of rupees have been wasted, buildings after buildings have been destroyed. Why this has happened? Not to speak of Brahmaputra alone, there is the Barak river which is causing havoc in the Cachar district. I was told only today by one of our friends that in the Barak valley the damage would be more than 30 crores of rupees. I think the damage in the Brahmaputra valley this season will not be less. During the last 37 years how many crores of rupees we have spent on flood control? I think it will not be less than 1000 crores. Have we not drained away this huge amount of money? Why can we not control the floods? If vast rivers like Missisipi and Amazon could be controlled why not the Brahmaputra? Probably our philosophy is different. We are actually not seriously interested in controlling floods. If we would have been serious enough for controlling floods probably hundreds of lives and properties worth crores of rupees could have been saved. Therefore, Sir, through you I want to draw the attention of the Minister to this important subject. I want to suggest why he does not take permanent steps so that there is a permanent solution to the problem of flood in the State. So far as flood control measures are concerned every year we hear that embankments have been constructed. I think there

are some defects in the whole process; some proper methods have to be evolved. I think instead of embankments if we could construct 4′ or 3′ thick stone walls by the side of the rivers that could be a permanent solution. That will also control the erosion. Our Hon'ble Minister has asked for 34 crores of rupees. Out of this 34 crores let us construct a think wall alongside river spending an amount of 10 crores as a beginning. Let us experiment with this method. If we find that the results are encouraging we may repeat the performance. Then the question of dradging the river may be considered. The Forest Department may consider the feasibility of removing sands from the river beds for different purposes. It will facilitate flow of water. Then we may consider dredging the river beds with dredgers. The dredgers that we had returned; we may get those dredgers again for the purpose of deepening the river beds. Then we may consider the question of straightening the curves. Wherever possible we may consider this aspect. If that is done it will help in free flow of the water. As regards the control of tributories and rivulets we may consider the construction of sluice gates and of diverting the excess water to water-starved areas. Coming back to the construction of stone wall along the side of the river Brahmaputra we may have a permanent roadway. At present we have only one road from Dhubri to Dibrugarh. If

we construct a few miles every year after 20/30 years there will be a permanent road along the river. Sir, our Engineers could be sent abroad to study and examine flood control projects and then after coming back may try to implement their experience here. In the Marine Drive in Bombay we have seen three-pronged concrete boulder walls like Star fish. If we can also put boulders in that way I think it might help. Sir, I have had more suggestions to make but since the Chairman has asked me to cut short I will stop here with a request to the Flood Control Minister to take permanent measures so that the sorrow of today can be transformed into happiness. With these words I oppose the Cut Motion moved by my friends in the Opposition.

শ্ৰীকীৰ্ত্তি দত্ত—মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্যই বান নিয়ন্ত্ৰণৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰিছোঁ। আৰু বান নিয়ন্ত্ৰণৰ ওপৰত আমাৰ মন্ত্ৰী মহোদয়ে যিখন বিল আনিছে তাক সমৰ্থন কৰিছোঁ।

বান নিয়ন্ত্ৰণ সম্পৰ্কে মই কব বিচাৰিছো যে আমাৰ ব্ৰহ্মপুত্ৰই হ'ল ডাঙৰ নদী যি অসমত বসবাস কৰা শতকৰা ৮০ ভাগ খেতিয়কৰ খেতি অপকাৰ কৰি আহিছে। অসম চৰকাৰে এই নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰিলেও কেন্দ্ৰীয় চৰকাৰে যাতে এই নদী নিয়ন্ত্ৰণৰ বাবে আগ ভাগ লয় তাৰ বাবে অনুৰোধ কৰিব লাগিব। যদি কেন্দ্ৰীয় চৰকাৰে আগ ভাগ লয় তেন্তে নিশ্চয় এই নদী নিয়ন্ত্ৰণ কৰি খেতিয়ক সকলক সকাহ দিব পৰা হব। যদিও বৰ্ত্তমান অসমত ইৰিগেশ্যন ব্যৱস্থা চলিছে তথাপিও সৰহ

সংখ্যক লোক আজিও প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয় আৰু প্ৰকৃতিয়ে যেতিয়া আগতেই বৰষুণ দিয়ে তেতিয়া পানী হয় আৰু খেতিয়কৰ উপকাৰ হয় কিন্তু যেতিয়া বৰষুণ পিচত হয় তেতিয়া খেতিয়কৰ অপকাৰ হয়, কাৰণ পানীয়ে খেতি নষ্ট কৰে। সি যি কি নহওক কথা হৈছে ব্ৰহ্মপুত্ৰৰ লগতে অসমত আৰু বহুত উপ নৈ আছে যাৰ ফলত বান পানী হয় আৰু খেতিয়কৰ হাহাকাৰ অৱস্থা হয়। এই ক্ষেত্ৰত আমাৰ বানপানী নিয়ন্ত্ৰণ বিভাগে কিমান তৎপৰতাৰে কাম কৰিছে সেই খিনি আমি অলপ চাওঁ। মই কৈছোৱেই যে কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ চকুৰে নেচাই নিয়ন্ত্ৰণ কৰাত আগভাগ লওক আৰু সোনকানে ভাৰতৰ বাহিৰৰ পৰা ইঞ্জিনিয়াৰ আনি হলেও প্ৰকৃত কাৰণ কি তাক দূৰীকৰণৰ ব্যৱস্থা কৰক। মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছোঁ যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি সোনকালে ইয়াৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰক। এইখিনিতে মই এটা কথা কব খুজিছোঁ এই যে এইবাৰ জুলাই মাহত শিৱসাগৰত যেতিয়া বানপানী হয় সেই সময়ত বান নিয়ন্ত্ৰণ বিভাগৰ অৱহেলাৰ কাৰণেই এই বান পানী হবলৈ পালে। কাৰণ মথাউবিবিলাক সময়মতে তেওঁলোকে নেচায় আৰু যেনে ধৰণেৰে সেইবিলাক ওখ আৰু বহল কৰিব লাগে নকৰাৰ কাৰণেই বানপানীয়ে মথাউৰিবিলাক ভাঙে আৰু পথবোৰ পানীৰে উপচি পৰে আৰু বহুত দিন ধৰি পথাৰত পানী ৰৈ থাকে। এই ক্ষেত্ৰত মই আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে অকল পানী অহাৰ সময়তে বা বাৰিষাৰ সময়ত মথাউৰিৰ মেৰামতিৰ কাম আৰম্ভ নকৰি বাৰিষাৰ আগতেই মথাউৰিৰ কাম আৰম্ভ কৰে। এই ক্ষেত্ৰত মই আৰু এটা কথা কব খুজিছো যে কিছুমান এনেকুৱা ঠাই আছে যলৈ বাৰিষাৰ দিনত কৰ্মকৰ্ত্তা সকল বা অন্য মানুহ কোনো তালৈ যাব নোৱাৰে। এইবাৰ জুলাই মাহত মোৰ নিজৰ সমষ্টিৰ এঠাইলৈ মই গৈছিলো দিখৌৰ পৰা চিন্তামণি গড়লৈ এচ, ডি, অৰ লগত। কিন্তু আমাৰ জীপখন তালৈ যাবই নোৱাৰিলে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব

বিচাৰিছো যে কিছুমান বান্ধ আছে যিবিলাক সময় মতে বিভাগীয় কৰ্মকৰ্তা সকলে সেই ঠাইলৈ যাব পাৰে আৰু মথাউৰি চোৱাৰ সুবিধা হয়। যদি বানপানী নিয়ন্ত্ৰণ কৰি খেতিয়কক সহায় কৰিবলৈ বিচৰা হৈছে তেন্তিয়া-হলে বিভাগীয় কৰ্মকৰ্তা সকলে সময় মতে এইবিলাক ঠাইলৈ গৈ মথাউৰি মেৰামতি কৰি খেতিয়কৰ উপকাৰ কৰিব লাগে বানপানীৰ পৰা ৰক্ষা কৰিব লাগে। মথাউৰিৰ ক্ষেত্ৰত আন এটা পৰামৰ্শ মই আগবঢ়াবলৈ বিচাৰিছো সেইটো মথাউৰি বা বান্ধ বন্ধাৰ কাৰণে যিবিলাক মানুহৰ মাটি অধিগ্ৰহণ কৰা হয় সেই মাটিৰ ক্ষতিপূৰণ নিদিয়াৰ ফলত ই এণ্ড ডি বিভাগ বা ফ্লাডকণ্টলে কাম আৰম্ভ কৰিলেই মাটিৰ মালিকে মাজতে বন্ধ কৰি দিয়ে। গতিকে এই বিভাগে যদি ৰাজ বিভাগৰ লগত যোগাযোগ কৰি সময় মতে মাটিৰ মালিকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰে তেন্তে এহাতে মালিক পক্ষ লাভবান হয় আৰু মথাউৰিৰ কামো হয়। পুনৰ মই বিৰোধী পক্ষৰ সদস্য সকলে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীপ্ৰসাদ দলৈ—মাননীয় চেয়াৰমেন মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো দাবী উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ ওপৰত সমৰ্থন আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ মান কথা কবলৈ ওলাইছো। অসম নদী মাতৃক দেশ। অসমত বানপানী হোৱা নতুন কথা নহয়। আমি আজীৱন বানপানীৰ দুৰ্য্যোগ ভোগ কৰি আহিছো। প্ৰাকৃতিক এই বিপদৰ কাৰণে দুখ কৰিবলগীয়া নাছিল কিন্তু ইয়াৰ প্ৰতিৰোধৰ কাৰণে যিবিলাক ব্যৱস্থা চৰকাৰী ভাৱে লোৱা হৈছে কাৰিকৰী দিশত যিবিলাক ব্যৱস্থা লোৱা হৈছে সেই বিলাক প্ৰকৃততে কাৰিকৰী দিশৰ পৰা সম্পাদন হোৱা নাই কাৰণে বহুখিনি কথাত কেৰোণ ৰৈ গৈছে। ১৯৫২ চন মানতে মথাউৰি দিয়া হৈছিল চিটাদ খলাৰ পৰা অমৰা হৈ ডিগাৰুলৈ। আগতে সীতা জখলা ডিমৰিয়া বান্ধ নাছিল। কিন্তু বান্ধ দিয়া হ'ল। তাৰ ফলত ডাঙৰ ডাঙৰ যিবিলাক বেলওৱেৰ দলং আছিল সেই বিলাক

বন্ধ হৈ গ'ল আৰু আনহাতে কপিলী নদী আৰু কিলিং নদীৰ পূব পাৰে বিস্তৃত যি বহল এলেকা আছে যাক এতিয়া নেলী বুলি কোৱা হয় সেই নেলী অঞ্চলত বানপানী সোমালে ওলোৱাৰ কোনো ব্যৱস্থা নাই।

( চেয়াৰমেনৰ ঠাইত অধ্যক্ষ নিজ আসনত উপবিষ্ট হয় )

অধ্যক্ষ মহোদয়, আগতে বানপানী হৈছিল কিন্তু মথাউৰি পশ্চিম ফালে বান্ধি দিয়াত কপিলী আৰু কিলিং নদীৰ পানী ওলাই নগৈ প্ৰতি বছৰে দুই তিনিটা বানপানীৰ সৃষ্টি কৰিছে। মই এই কথা কব খোজা নাই যে মথাউৰি দিয়াৰ কাৰণে কোনো অংশই উপকৃত হোৱা নাই। কোনো কোনো অঞ্চল উপকৃত হোৱাটো আনন্দৰ কথা কিন্তু প্ৰকৃত কাৰিকৰী দৃষ্টিকোণৰ পৰা মথাউৰি বিলাক নৈয়াৰ নকৰা কাৰণে আনন্দৰ সলনি বিষাদো হৈছে। কোনো কোনো অঞ্চলৰ লোকে খেতি পথাৰৰ পৰা দুবেলা দুমুঠি খাবলৈ পাইছে সঁচা কিন্তু কোনো অঞ্চলত আকৌ দুমুঠি ভাতৰ কাৰণে হাহাকাৰ কৰিব লগীয়া হৈছে। কাৰিকৰী দিশত ইঞ্জিনীয়াৰ সকলে যি ভাৱে কাম কৰিব লাগে সেই ভাৱে কাম কৰিব পৰা নাই। দুই এজন ইঞ্জিনীয়াৰে ভেনে দৃষ্টি ভঙ্গী ললেও ৰাজনৈতিক দৃষ্টিকোণৰ পৰা সেই বিলাক পৰিহাৰ কৰিবলৈ বাধ্য হয়। গিডওৱানী বুলি এজন ইঞ্জিনীয়াৰে মোৰ ওচৰত ক্ষোভ প্ৰকাশ কৰিছিল যে কেৱল ৰাজনৈতিক দৃষ্টিভঙ্গীৰ কাৰণেই কাৰিকৰী দিশটো কামত লগাব নোৱাৰে। এই কথাবিলাক পুংখানুপুংখৰূপে চাই সেই মতে আঁচনি কৰি তাক কাৰ্য্যকৰী ৰূপে দিব লাগে। মৰিগাওঁ মহকুমাক ৰক্ষা কৰিবৰ কাৰণে কলঙৰ পাৰে পাৰে জাগীলৈকে বান্ধ দিয়া হল কিন্তু তেলাহী আৰু ৰূপাই বড়ি বান্ধ নিদিয়াৰ কাৰণে বহুত ঠাইত খেতি কৰিব পৰা নাই। এনেকুৱা বহুত উদাহৰণ অসমৰ বহুত ঠাইত আছে। যি বিলাক অঞ্চলত আগতে মথাউৰি নাছিল আৰু বানপানীৰ দ্বাৰা প্লাৱিত হৈ আছিল সেই বিলাক ঠাইৰ কাৰণে ভালকৈ চিন্তা কৰি মথাউৰি দিয়াৰ দিহা কৰিব লাগে। এনে ক্ষেত্ৰত কাৰিকৰী দিশটো উলাই কৰিব নালাগে। কিছুমান

ঠাইত শ্লুইচ গেট দিয়া হৈছে। ডিমৰিয়া ইটিলাজান এলেকাত শ্লুইচগেট দিয়া হৈছে যদিও খেতি পথাৰলৈ বাগৰি গৈছে আৰু ওলোটা দিশেহে পানী সোমাইছে। ইয়াৰ পৰা জাগীৰোড পৰ্যান্ত পানী সোমাই খেতি পথাৰ প্লাৱিত কৰিছে। ধৰমতুল অঞ্চলত থকা শ্লুইচগেট বঙাল ধৰা অঞ্চললৈ ওলোটা ভাৱে পানী সোমাইছে। এনেকুৱা ডিফেকটিভ যন্ত্ৰ কিয় বহুৱাইছে কব পৰা নাই। ইঞ্জিনীয়াৰ সকলে কি কৰিছে এইটো চাব লাগে। দুই নম্বৰ কথা হৈছে আমি সদায় ব্ৰহ্মপুত্ৰৰ কথা নকই সৰু সৰু নদী বিলাকৰ কথাও চাব লাগে। নদী বিলাকৰ সোঁত বিভিন্ন প্ৰকাৰে সলনি হয়। কিলীং কপিলিৰ সঙ্গমত বালি পৰি তৰাং হৈ গৈছে সেই বিলাকত অলপ মাটি খাণ্ডি দিলে নিশ্চয় ভাল হ'ব।

অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ বিষয় কিয়নো মথাউৰিৰ লগত খেতিৰ সম্পৰ্ক আছে আৰু কৃষিৰ কথা আমাৰ সমাজখনৰ লগত জড়িত। এইটো কৰিব নোৱাৰিলে আমাৰ দুৰ্ভাগ্য হৈয়েই থাকিব। বাননিয়ন্ত্ৰণৰ যিখিনি আসোঁৱাহ আছে তাক চালিজাৰি চাই দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে আমাৰ দেশখন শস্য শ্যামলা নদন বদন হব। তাৰ কাৰণে মই বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক আহ্বান জনাই মন্ত্ৰী মহোদয়ে অনা মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই আৰু বিৰোধী পক্ষৰ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

Mr. Speaker – Now, the House will be adjourned for 15 minutes for light refreshment. I request the hon. members, members of the Press, Officers in the Official Galary and Reporters to go to room No. 1 for light refreshment. Just after refreshment the Hon. Minister will reply. The House stands adjourned till 5.15 p. m.

Shri Ranendra Narayan Basumatari ( Minister, Flood Control )—Mr. Speaker Sir, I am very thankful to the

Hon'ble Members for participation and deliberation in the discussion. I am also thankful to Hon'ble Members for suggestions they have extended for permanent protection of the river Brahmaputra. Mr. Speaker Sir, before I start to answer questions of each of the Hon'ble Members, I should give an account of the monsoon which affected our State of Assam very badly which also caused demages to the dyke and also flood control structures in various places.

Mr. Speaker Sir, after onset of monsoon, the rivers in Brahmaputra valley started rising since last week of May 1983 and 1st wave of flood of the river Brahmaputra hit the valley in the Ist week of June 1983 and continued upto 2nd week of the month.

2nd wave of flood starts from 17th June 1983 till 10th July 1983, During this period the highest level attained by river Brahmaputra was 105.11 metre against D.L. 104.24 M at Dibrugarh and was flowing above the red mark for continuous 29 days. At Neamati the river attained highest level as 85.82 against danger level 85.04 metre and was flowing for 23 days above danger mark. At Tezpur highest level was 65.69 M. against D.L. 65.23 M, and was flowing above red mark for 8 days. At Dhubri the highest level was 28.82 against D.L. 28.65 M: and was flowing above danger mark for 6 days till 13th July, 1983.

The 3rd wave of flood of Brahmaputra has started since 16th July 1983 till 1st week of August 1983. In addition to that during Aug 1983 water level at Dibrugarh was above red mark also on 22nd, 23rd and 31st Aug/83. In this wave of flood, water of the river Brahmaputra was flowing above the danger level in Dibrugarh for a period of 22 days and attained the peak level of 105.33 metre on 31-7-83, at Neamati for a period of 13 days and attained the peak level of 86.60 metre on 1-8-83 and at Tezpur for 9 days and attained the peak level of 65.76 metre on 2-8-83. At Dhubri the highest level was 28.95 on 6th August 1983 and was flowing above red mark for 4 days against D.L. 104.24 M 85.04 M., 65.23 M and 28.65 M. respectively.

Apart from erosions at Moriaholla where depth of erosion was 125 metre under Jorhat district and at Sillung under Nowgong District, no other damage was caused by the first wave of flood.

The 2nd and 3rd wave of floods hit entire Brahmaputra valley with a higher magnitude and devastation. Erosion of Moriaholla subsided from the end of July 1983 but the breach occured during 1982 was widened upto 1750 metres till 25-7-83. The flood water of river Brahmaputra spills through this gap and submerges a vast area of Bokakhat and Kaziranga mouzas in

the northern part of Golaghat Sub-division under Jorhat district. The said breach gap could not be closed down due to non-possession of land by the department during last working session.

Erosion of river Brahmaputra on its south bank at Sullung is continuing leaving a gap of only 74 metres on 31-8-83 under Nowgong District. Sliding also occured in Brahmaputra dyke from Biswanath to Panpur in between Chainage 14.5 km. to 16.5 km. and boiling occured at 6th km. of Sawguri retirement of the same dyke under Sonitpur District.

Brahmaputra dyke from Gumi to Kalatali at Chainage 24th km. on south bank under Kamrup district was breached due to massive bank erosion with a gap of 10 metres on 29-7-83 which has been subsequently widen upto 449 metres on 26-8-83. A short retirement of 380 metre in length was constructed covering the breach portion to prevent the spill of flood water on 31-7-83 has also been eaten up within 14-8-83. Bank erotion was also continuing in between chainage 13 km. to 15.5 km. along the Brahmaputra dyke south bank from Palasbari to Gumi since to 10th July 1983. Bank erosion was also active at Bortari-Baniapar retirement since mid July 1983 of the same dyke at 4 km. and the retirement was ultimately breached on 12-8-83 with a gap of 500 metre ( from Ch. 3600 M. to Ch. 4100

M ) and subsequently widened upto 1100 metre on 28-8-83. A short bamboo mohuri constructed along the back side of retirement to prevent to spill of flood water was also eaten up on the upstream and downstream sides of both the ends.

Severe bank erosion was continuing at North Gauhati, in between No-Ali Hill to Aswakalanta Hill for a length of 2.3 km each and the PWD Road now stands at 23 Metres from the river bank at Chainage 380 Metre at Auniati Satra under Kumrup District.

Bank erosion was also active in between Chainage 36 Km to 36 Km along Brahmaputra dyke from Balikuchi to Fakiraganj at Jaleswar under Goalpara District. The erosion was subsided in the 1st part of August/83 but aggravated again from 3rd week of August, 1983 leaving a bern of 66 Metre on 20-8-83. The whole embankment system of Brahmaputra dyke under Goalpara District from Kharunja to Jaleswar and Jaleswar to Tatipara was in a very bad state due to sliding, raincuts, boiling, seepage, wave wash etc. at Chainage 19.5 Km, 22 Km, 23 Km and 45 Km to 52 Km by wave wash on the river side. The erosion at Kaliarpara was aggrevated again since 4th August and ultimately the dyke was breached due to erosion with a gap of 60 Metre at 47.8 metre on 21-8-83.

One short retirement was constructed to withstand normal flood and is functioning well. Bank erosion remained unabated at Chaitmari and Rowmari of Brahmaputra dyke at Chainage 9 km and 13 km under Kamrup district. In this way, Mr Speaker Sir, all the tributaries including the Brahmaputra have shown continuous rising and always remained above the danger level. Even those small rivers like Kumudi, Desang, Dikhow, and so many other rivers of Sibsagar District and also Lakhimpur District have posed some danger. In as many as 35 points, our embankments were breached due to erosion and also flood being watered. So in this way, we have to have colossal loss caused by the successive floods this year. Sir, I share equally the grief with all the hon'ble members and we will certainly try to solve the problems. But Sir, here I have got something to submit. In so far as embankments are concerned, many of the hon'ble members have stated sometime about the usefulness of the embankments. But Sir, to prevent the spill of the flood, embankments have always been suggested and that is why embankment have been constructed. From the construction of the embankments, 14.75 lakh hectare of land have been protected. I do not always claim the success of the construction of the embankments. It is because of the paucity of fund, we cannot take up all the construction work. Sometimes, somewhere

some gaps remain. Hon'ble Member Shri Purno Boro said the whole length of Puthimari was not covered. Still there is a gap of more than 3 Km, and this we have already placed before the Technical Advisory Committee twice. Though the Technical Advisory Committee have accepted the proposal, the whole gap could not be covered because of some teachnical reasons. This question was also answered by me in the last session of the Assembly. Still, we are again placing this matter before the Technical Advisory Committee. We hope the Technical Advisory Committee will clear this proposal. We can then close the gap. Hon'ble Member Shri Boro has again suggested that for want of repairs, the sluices have not been functioning. So about this point, I will certainly instruct our District Officer to look into and see that after constant inspections all these sluices should be repaired. Hon'ble Shri Basit also suggested that for prevention of erosion, some permanent measures must be taken up. Sir, I fully agree with him; In this way there are some hon'ble members who have suggested for taking up permanent protection measures. Sir, the other day I stood up just to reply on these permanent protection measures. Sir, as per opinion of the expert, Technical Advisory Committee and also the experts of the Central Water Commission, for the purpose of permanent protection, we require 2 crores of rupees

for one kilometer. In this way, we have already submitted so many schemes. Even the Union Minister, Shri Ramniwas Mirdha came and visited the severe erosion that has been taking place. Unless there is permanent protection, it would be next to impossible to control the Brahmaputra river. We may claim sometime to some extent that we can tame the river Brahmaputra by adopting some palliative measures. With these ad-hoc measures, we have been successful in some cases. Even in Brahmaputra river near Dhubri, we have been able to contain erosion. Similarly, in the case of tributaries of Puthimari, Pagladiya, we can claim success in arresting erosion. Our efforts are also successful in Mukalmua area. Still, I cannot ignore the importance of permanent protection measures through which we can save the people of Assam from the destruction of Brahmaputra river. So Sir, we must go in for permanent protection measures.

The erosions are severe. Sometime and in some places these erosions have been contained but this cannot be claimed as a permanent feature; This has lessened the problem. In this way there may be so many retirements. In the Palasbari—Gumi area, as many as 7 retirements have been given and now it is found that there is no place for such retirement at all, Sir, erosions have attacked so much severely that it has just come to a point of no return-I

mean-it has come and struck on the National Highway. In all these places, unless we can go in for permanent protection there is no way out. In the Moriahola area as many as 10 retirements are already over. And in the area of our Hon. Speaker. Mukalmua, 10 retirements are already over and in the 10th retirement also it is on the point of extinction. Somehow by the grace of God this severity of erosion has been lessened. In the Mukalmoa area, South Salmara-Fakiraganj and in two other places, as I have already said, these erosions are going on. But I can assure this House that as we have high-lighted our case before the General Government and the Central Government have given us some inkling, I mean, they are convinced to tackle the Brahmaputra and hat they are convinced that permanent protective measures are the only solution. At least on this point they are very much convinced. Now we can hope that the Central Government would come forward to help us atleast by granting some special central assistance. For talking up the Flood Control measures we got Rs. 14 crores. But for normal Flood control works Rs. 82 crores are required. Now with this Rs. 14 crores considerable amount will be required to take up the continuing schemes. Then we have said that as many as 65 new schemes will have to be taken up this time and we will take up all these schemes on the recommendation of the Technical Advisory

Committee, where Mr. J. Tripathy is the Chairman and on the basis of their recommendation only the Flood Control Board can come forward to take up these schemes. Sir, we have also submitted to them that we would require Rs. 20 crores to take up the normal Flood control works. This year we have received only Rs. 14 crores and so we have submitted that this amount must be enhanced. If the amount is enhanced to Rs. 20 crores then I can assure the House that we will be able to take up more new schemes. We have received so many proposals from the representatives of the people and we have been presenting these proposals in the shelves of schemes and the number has been swelling and swelling and already these have come up to 950 in our shelf of schemes. If the amount can be enhanced, then certainly we will be able to take up more schemes and I can assure the House that there will not be lack of enthusiasm in the Flood Control Deptt. One hon. member has said that the root cause of the Flood should be studied. Gangadar and Godavari are turbulent, and some protective measures should be taken. Chars have already become very low and because of the Char Brahmaputra river has become narrow and with the frontal strike against these chars the Brahmaputra in some places has become 19/20 k.m. even. We will bear in mind

all these. Another hon. member pointed out that construction of embankments reduces the fertility of land. Perhaps I cannot subscribe to this view of the hon. member; may be this needs some scientific exploration which I am myself lacking. Hon'ble member Shri Talukdar made some points regarding Kaladia and Pahumara river and we will bear in mind this also. While making submission he has also suggested for construction of flood wall. But Sir, the construction of flood wall has not been found feasible by our Technical Advisory Committee and the Central Water & Power Commission. He has also mentioned about the use of dredger but we actually used the dredger also, but the use of dredger is so much costly that it has not benefitted anybody and the dredgers have been returned to the Central Government and now these are in Gujrat State. Hon. member Mr. Dutta has pleaded for central help and I extend my thanks to him. He has also suggested one good thing i.e., road-cum-bundh construction ; our department have got some exploration on this. If we construct road-cum-bund then heavy traffic load my cause extensive damage to the embankments and that may result very adversely. that is why our department has not found it feasible to do this. Regarding the compensation for land as pointed out by some hon. members, immdiately after one scheme is taken up or before the work starts

50% of the amount assessed is to be paid to the land owners ; along with the estimates itself, our department assesses the requisite demand for payment of compensation. If so happens that the Flood Control department people go to the site and people from the Revenue department also should go to the site and there should be joint assessment.

So Sir, because of some sort of lack of co-ordination these snags are there and it has been complained in this august House that for 15/16 years people have not got the compensation money. I do not deny this; there is truth in the complaint. During my last visit to Cachar the same complaint was brought to my notice. We have already taken notice of this and my colleague Revenue Minister will certainly look into this, because we do not directly pay the compensation; we just transfer the fund in paper to the Revenue Department and the Revenue Department is to make the payment of compensation. Sir, the hon'ble member Shri Prasad Doloi has mentioned about killing river embankment. This has already been taken up. Investigation is going on about sluices. So it will take some time. Then hon'ble member Shri Kirti Datta has made complaint about the Flood Control officers of Sibsagar Division that for their slackness in the last few months there has been breach in the embankment in Sibsagar district. Sir, here I want to point

out that we have already demanded an amount of Rs. 12 crores which is necessary for the maintenance of the flood control works. Now Sir, we have received only an amount of Rs. 5 crores. This is meagre amount, because only to maintain the old works of embankment and other schemes we require a much higher amount than this and the required amount has not been given. If we get the required amount then we can take up the maintenance works. There is incapability due to lack of funds and that incapability does not mean that our officers have shown any slackness. But because of our inability to sanction the money required in time our officers are put to such embarassing situation. Again Sir, when rain starts resulting in flood some breaches of the embankment take place here and there.

Sir, I have tried to reply to the points raised by the hon'ble members. I hope that with the vigilance of the hon'ble members we will be able to rise to the occasion.

About Brahmaputra there is nothing much to speak. I would like to mention that about Brahmaputra we have already moved the Central Government for release of necessary fund and I hope that with our sincere efforts we will able to get therequisite fund from the Central Government. We have already started preparing

scheme for permanent protective measure particulary at four places viz: Howlighat Mokalmowa which has got 60 km ridges, Palashbari-Gumu, 25 km, Fakirganj-South Salmara, and then Moriahala. There are most serious ridges and we want to take them up in phase manner with the co-operation of Brahmaputra Board and with the assistance of the Central Government I hope we will be able to tackle this serious problem.

With this I humbly request the hon'ble mover of the cut motion Mr. Das to withdraw it.

Shri Hemen Das—He is yet to answer one point that is, regarding the flood situation in the State.

Shri Keshab Chandra Gogoi ( Minister )—Sir, I will make statement on the flood situation to-morrow.

Shri Hemen Das—He ( Flood Control Minister ) is to make it.

Shri Ranendra Narayan Basumatari ( Minister )—But it relates to Revenue.

Mr. Speaker—Yes, the Revenue Minister will give the statement. Are you withdrawing the cut motion ?

Shri Hemen Das—Yes Sir.

Mr. Speaker—Is it the pleasure of the House to grant leave to the hon'ble member to withdraw the cut

motion ?

( voices : Yes, yes )

The leave is granted and the cut motion stands withdrawn.

Now I put the grant before the House that a sum of Rs: 15,84,59,000 be granted to the Minister-in-charge to complete the sum of Rs: 30,72,65.000, necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Flood Control".

( after a pause )

The grant is passed.

Now grant No. 29. Dr. Bhumidhar Barman to move.

Dr. Bhumidhar Barman ( Minister )—Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 94,00,000 be granted to the Minister-in-charge to complete the sum of Rs. 2,16,00,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Aid Material".

Mr. Speaker—There is no cut motion. So I put the grant that the sum of Rs. 94,00,000 be granted to the Minister-in-charge to complete the sum of Rs. 2,16.00.000 necessary to defray the charges which will come in course of

payment during the year ending the 31st March, 1984 for administration of Aid "Administration".

( after a pause )

The grant is passed.

Mr. Speaker—Now Grant No. 34, Hon. Minister, Dr. Bhumidhar Barman to move.

Dr. Bhumidhar Barman—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 40,48,48,000 be granted to the Minister-in-charge to complete the sum of Rs. 70,73,37,000 necessary to defray the charges which will come up in course of payment during the year ending the 31st March, 1984 for the administration of "Medical and Public Health".

Mr. Speaker—There is no cut motion. So I put the grant; The question is that Grant No. 34 be passed.

( The Grant is passed )

Now Grant No. 61. Honourable Minister Shri Dhaniram Rongpi to move.

Shrs Dhaniram Rongpi—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 15,74,73,000 be granted to the Minister-in-charge to complete the sum of Rs. 27,34,45,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Forests".

Mr. Speaker—There is one cut motion tabled by Shri Puna Boro, Shri Hemen Das, Shri Mathura Deka. If they like they may move the cut motion.

Shri Hemen Das—Sir, I beg to move that the total provision of Rs. 27,34,45,000 under Grant No. 61 in respect of Forest at page 20-44 of volume II part XIX of the Budget, be reduced by Rs. 100/-, i.e. the amount of the whole grant of Rs. 27,34,45,000, do stand reduced by Rs. 100/.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ বাজেটৰ ওপৰত আমি যি কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰিছো তাৰ জৰিয়তে বন বিভাগত অলপতে হৈ যোৱা বাছনি পৰীক্ষা এটাৰ প্ৰশ্ন কাকতৰ কথা মই এই সদনত উত্থাপন নকৰি নোৱাৰিলো। এই পৰীক্ষাটো আছিল—

উত্তৰ কামৰূপ বন সংমণ্ডল

লগিং এচিষ্টেণ্ট আৰু লেবাৰ চুপাৰভাইজাৰ আৰু অস্থায়ী বন ৰক্ষী আৰু অস্থায়ী বন পালকৰ পাবলগীয়া প্ৰশ্ন কাকত।

প্ৰত্যেক প্ৰশ্নৰ উত্তৰ এটা লাইনত দিব। প্ৰত্যেক প্ৰশ্নৰ সমান নম্বৰ। উত্তৰ প্ৰশ্ন কাগজৰ সোঁফালে খালী ঠাইত দিব।

১। লেবাৰ আৰু লেবাৰ পেইন কি?

২। বিবাহিতা, নৱবিবাহিতা আৰু অবিবাহিতা কি?

৩। ধন, বন, পিয়ন, গায়ন আৰু বায়ন—ইয়াৰ প্ৰভেদ কি?

৪। ডেকা ল'ৰা-ছোৱালীৰ ঘৰ-সংসাৰ কৰিবলৈ যিটো কাম কৰে তাৰ কোন ধৰ্ম্মত কি নাম?

৫। কি ফুল দেখিলে মানুহৰ মনত দুখ হয়?

৬। মানুহৰ গাত আঘাট লাগিলে তেজ ওলাই, কেতিয়াবা চেপ্‌টিক হয় আৰু

বৰ পেইন হয় কিন্তু কি তেজ ওলালে গিৰীয়েক ঘৈণীয়েকৰ অপাৰ আনন্দ হয়।

৭। দেশত জনসংখ্যা বঢ়াৰ কাৰণে আৰু মাটি সীমিত আৰু ইণ্ডাষ্ট্ৰী নোহোৱাৰ বাবে আপুনি চাকৰি বিচাৰি আহিছে, আপোনাক চাকৰি দিলে মাহিলী দৰমহা কিমান লাগিব? আপুনি যিমান বিচাৰে তাকে দিয়া হব। সংখ্যাটো লিখি দিয়ক।

আপুনি এই প্ৰশ্নবোৰৰ উত্তৰ কাকো নোসোধাকৈ নিজে লিখিব। যি সকলে ৫০ নম্বৰৰ ওপৰ পাব তেওঁলোকেহে চাকৰি পাব।

এই প্ৰশ্ন কাকত বিভাগীয় মাননীয় মন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই নিজ হাতে দিছো। কিন্তু তথাপিও আজিলৈকে কিয় ব্যৱস্থা লোৱা নাই? ইয়াৰ ভিতৰত কি আছে কব নোৱাৰো।

মাননীয় মন্ত্ৰী মহোদয়, অকল সিমানেই নহয়, পৰীক্ষা হব বুলি ৰাস্তাই ঘাতে কোৱা হৈছিল। হাজাৰ হাজাৰ ল'ৰা-ছোৱালী আহিল। প্ৰায় ৭ হেজাৰ মান হৈছে। ৰঙিয়াত এই পৰীক্ষা পতা হৈছিল। চাৰি বিধ পদৰ কাৰণে। পদ কেইটা হৈছে, লেবাৰ এচিষ্টেণ্ট, লেবাৰ চুপাৰ ভাইজাৰ, অস্থায়ী বন ৰক্ষক আৰু অস্থায়ী বন পালক। প্ৰশ্ন কাকত যথেষ্ট নহয়, বহিবৰ ঠাই নাই, হাইস্কুলৰ ফিল্ডত ল'ৰা-ছোৱালীক বহিবলৈ দিছে। প্ৰশ্ন কাকত বিতৰণ কৰি দিছে, বহুতক দিবই নোৱাৰিলে। ইয়াৰ ফলস্বৰূপে শিল দলিয়াবলৈ আৰম্ভ কৰিলে। (শিল দলিওৱাটোৰ [illegible] কথা হলহেতেন।) পৰীক্ষা হলনে নহল সেইটো কোনেও কব নোৱাৰি[illegible] চাৰি বিধ চাকৰিৰ কাৰণে পৰীক্ষা ললে। পৰীক্ষা লৈয়েই আ[illegible] তাৰ পিছত পৰিল নিযুক্তিৰ পাল। ল'ৰা-ছোৱালী বিলাকে পইচাও [illegible] কৰিছে। নিযুক্তিৰ ক্ষেত্ৰত শেষত খবৰ আহিল যে, ৰঙিয়াত গণ্ডগো[illegible] হৈছে। চাকৰি কাক দিলে? এই অফিচাৰ জনৰ গাৱঁৰ ৫০ জন ল'ৰা[illegible] চাকৰি দিলে। নৰ্থ কামৰূপ ডিভিজনৰ ডি, চি, এফ জনে নিজৰ গাৱঁ[illegible] ৫০ জনক চাকৰি দিলে। ৰেঞ্জাৰ জনে দিলে নিজৰ গাৱঁৰ ১১ জনক [illegible]

Mr. Speaker—There is one cut motion tabled by Shri Puna Boro, Shri Hemen Das, Shri Mathura Deka. If they like they may move the cut motion.

Shri Hemen Das—Sir, I beg to move that the total provision of Rs. 27,34,45,000 under Grant No. 61 in respect of Forest at page 20-44 of volume II part XIX of the Budget, be reduced by Rs. 100/-, i.e. the amount of the whole grant of Rs. 27,34,45,000, do stand reduced by Rs. 100/.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ বাজেটৰ ওপৰত আমি যি কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰিছো তাৰ জৰিয়তে বন বিভাগত অলপতে হৈ যোৱা বাছনি পৰীক্ষা এটাৰ প্ৰশ্ন কাকতৰ কথা মই এই সদনত উত্থাপন নকৰি নোৱাৰিলো। এই পৰীক্ষাটো আছিল—

উত্তৰ কামৰূপ বন সংমণ্ডল

লগিং এচিষ্টেণ্ট আৰু লেবাৰ চুপাৰভাইজাৰ আৰু অস্থায়ী বন ৰক্ষী আৰু অস্থায়ী বন পালকৰ পাবলগীয়া প্ৰশ্ন কাকত।

প্ৰত্যেক প্ৰশ্নৰ উত্তৰ এটা লাইনত দিব। প্ৰত্যেক প্ৰশ্নৰ সমান নম্বৰ। উত্তৰ প্ৰশ্ন কাগজৰ সোফালে খালী ঠাইত দিব।

১। লেবাৰ আৰু লেবাৰ পেইন কি?

২। বিবাহিতা, নৱবিবাহিতা আৰু অবিবাহিতা কি?

৩। ধন, বন, পিয়ন, গায়ন আৰু বায়ন—ইয়াৰ প্ৰভেদ কি?

৪। ডেকা ল'ৰা-ছোৱালীৰ ঘৰ-সংসাৰ কৰিবলৈ যিটো কাম কৰে তাৰ কোন ধৰ্ম্মত কি নাম?

৫। কি ফুল দেখিলে মানুহৰ মনত দুখ হয়?

৬। মানুহৰ গাত আঘাট লাগিলে তেজ ওলাই, কেতিয়াবা চেপ্‌টিক হয় আৰু

ৰৰ পেইন হয় কিন্তু কি তেজ ওলালে গিৰীয়েক ঘৈণীয়েকৰ অপাৰ আনন্দ হয়।

৭। দেশত জনসংখ্যা বঢ়াৰ কাৰণে আৰু মাটি সীমিত আৰু ইণ্ডাষ্ট্ৰী নোহোৱাৰ বাবে আপুনি চাকৰি বিচাৰি আহিছে, আপোনাক চাকৰি দিলে মাহিলী দৰমহা কিমান লাগিব? আপুনি যিমান বিচাৰে তাকে দিয়া হব। সংখ্যাটো লিখি দিয়ক।

আপুনি এই প্ৰশ্নবোৰৰ উত্তৰ কাকো নোসোধাকৈ নিজে লিখিব। যি সকলে ৫০ নম্বৰৰ ওপৰ পাব তেওঁলোকেহে চাকৰি পাব।

এই প্ৰশ্ন কাকত বিভাগীয় মাননীয় মন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই নিজ হাতে দিছো। কিন্তু তথাপিও আজিলৈকে কিয় ব্যৱস্থা লোৱা নাই? ইয়াৰ ভিতৰত কি আছে কব নোৱাৰো।

মাননীয় মন্ত্ৰী মহোদয়, অকল সিমানেই নহয়, পৰীক্ষা হব বুলি ৰাস্তাই ঘাটে কোৱা হৈছিল। হাজাৰ হাজাৰ ল'ৰা-ছোৱালী আহিল। প্ৰায় ৭ হেজাৰ মান হৈছে। ৰঙিয়াত এই পৰীক্ষা পতা হৈছিল। চাৰি বিধ পদৰ কাৰণে। পদ কেইটা হৈছে, লেবাৰ এচিষ্টেণ্ট, লেবাৰ চুপাৰ ভাইজাৰ, অস্থায়ী বন ৰক্ষক আৰু অস্থায়ী বন পালক। প্ৰশ্ন কাকত যথেষ্ট নহয়, বহিবৰ ঠাই নাই, হাইস্কুলৰ ফিল্ডত ল'ৰা-ছোৱালীক বহিবলৈ দিছে। প্ৰশ্ন কাকত বিতৰণ কৰি দিছে, বহুতক দিবই নোৱাৰিলে। ইয়াৰ ফলস্বৰূপে শিল দলিয়াবলৈ আৰম্ভ কৰিলে। (শিল নদলিউৱাটোহে আচৰিত কথা হলহেতেন।) পৰীক্ষা হলনে নহল সেইটো কোনেও কব নোৱাৰিলে। চাৰি বিধ চাকৰিৰ কাৰণে পৰীক্ষা ললে। পৰীক্ষা লৈয়েই আছে। তাৰ পিছত পৰিল নিযুক্তিৰ পাল। ল'ৰা-ছোৱালী বিলাকে পইচাও খৰছ কৰিছে। নিযুক্তিৰ ক্ষেত্ৰত শেষত খবৰ আহিল যে, ৰঙিয়াত গণ্ডগোল হৈছে। চাকৰি কাক দিলে? এই অফিচাৰ জনৰ গাৱঁৰ ৫০ জন লৰাক চাকৰি দিলে। নৰ্থ কামৰূপ ডিভিজনৰ ডি, চি, এফ জনে নিজৰ গাৱঁৰ ৫০ জনক চাকৰি দিলে। ৰেঞ্জাৰ জনে দিলে নিজৰ গাৱঁৰ ১১ জনক

এতিয়ালৈকে কিমান জনক চাকৰিত ললে তাৰ সীমা সংখ্যা নাই। আনকি ৰণ্ডিয়াৰ বাছতো ভীৰ হৈছে। বস্তুতো লৰাই চাকৰি পাইছে। ইউনিফৰ্ম চিলাইছে, নিজৰ টকাৰে চাইকেল কিনিছে। তেনেহলে, চাওক ইয়েই তাৰ নমুনা। এইটোৱেই হৈছে আজি ডাঙৰ প্ৰশ্ন। যি জন বিষয়াই এনেধৰণৰ প্ৰশ্নকাকত কাতিব পাৰে সেইজনেই এটা গুৰুত্বপূৰ্ণ পদত কেনেকৈ থাকিব পাৰে ? তেওঁক কোনেও একো কৰিব নোৱাৰে। তেওঁ বোলে মন্ত্ৰীৰ মানুহ, মুখ্যমন্ত্ৰীৰ মানুহ। আনকি তেওঁৰ ওপৰৱালা বিষয়াও আতংকিত। তেওঁৰ 'টপমষ্ট বছ'ৰ বিৰুদ্ধেও লিখিছে, This Officer is unfit for the post of C.C.F. সকলো কঁপি আছে। এতিয়া প্ৰশ্ন হৈছে প্ৰশাসন কেনেকৈ চলিব ? যদি ফৰেষ্ট গাৰ্ডে ৰেঞ্জাৰৰ বিৰুদ্ধে লিখে, ৰেঞ্জাৰে ডি, এফ, অ'ৰ বিৰুদ্ধে লিখে, ডি, এফ, ওই চি, চি, এফৰ বিৰুদ্ধে লিখে, যদি আমাৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অন্য এজন মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীলৈ লিখে তেতিয়াহলে, প্ৰশাসন কেনেকৈ চলিব ? প্ৰশাসনৰ নামত চলিছে এক প্ৰহসন। এক কুৎচিত খেলা চলিছে। চাকৰি বিচাৰি যি বিলাক ল'ৰা-ছোৱালী আহিছে সেই বিলাকক ঠাট্টা কৰা হৈছে। এই প্ৰশ্ন কাকত দি ঠাট্টা কৰা হৈছে। প্ৰশাসনক ঠাট্টা আৰু অৱমাননা কৰা হৈছে। যাক যেনেকৈ পাইছে নিযুক্তি দি আছে। মোৰ তাত দৈনিক ল'ৰা আহি আছে। লিখি দিলেই চাকৰি হেনো পাব। মন্ত্ৰী সকলে হেনো লিখি দি আছে আৰু সেই দৰে লিখি দিয়াৰ কাৰণে চাকৰি সদায় লৈয়েই আছে। সকলোৱে এই বিলাক কথা জানে। কিন্তু কোনেও একো নকৰে। প্ৰশ্ন হৈছে এই খিনিতেই। আজি আমি কিয় আলোচনা-সমালোচনা কৰিবলগীয়া হৈছে। এই কাৰণেই কৰিছো যে, আমাৰ মানুহৰ যাতে উপকাৰ হয়, দেশখনৰ যাতে উন্নতি হয়। দেশখনৰ গঠনৰ কাৰণেই এই সমালোচনা কৰা হৈছে। আমাৰ আশা চৰকাৰ ভাল হওক, চাকৰিয়াল সকল ভাল হওক, দৰিদ্ৰ মানুহ বিলাকে অন্ন-বস্ত্ৰৰ সংস্থান পাওক। এই খিনিয়েই হৈছে আমাৰ আশা। কিন্তু তাৰ বিনিময়ত আমাৰ মানুহ বিলাকে কি পাইছে ? আজি চাকৰি বিচাৰি

ঠাট্টা নিবনুৱাই যি ঠাট্টা-মস্কৰা পাইছে, আমিও তাৰ সমানেই অংশীদাৰ। স্কুলৰ ফিল্ডত পৰীক্ষা পতাৰ উদাহৰণ পৃথিবীৰ কোনো ইতিহাসত নাই। কিছুমানক প্ৰশ্নকাকত দিছে, কিছুমানত দিয়া নাই। এই ৰাজত্বই আজি চলি আছে। সেইকাৰণেই মই আৰম্ভণীতেই কৈছো যে বনবিভাগত বনৰীয়া কাৰবাৰ চলি আছে।

অধ্যক্ষ মহোদয়, এই ৰাজত্বই আজি চলি আছে। মই আৰম্ভণীৰে পৰাই কৈছো। বনবিভাগৰ বনৰীয়া কাৰবাৰৰ কথা। আজি মানুহৰ সহানুভূতি নোহোৱা হৈছে। বন্য বিভাগৰ দৰে মনুষ্যত্ববিহীন, দায়িত্বজ্ঞানহীন হৈ পৰিছে। আজি ল'ৰা-ছোৱালী বিলাকক প্ৰশ্ন কৰা হৈছে যে, কি তেজ ওলালে গিৰিয়েক ঘৈণীয়েকৰ আনন্দ হয়? এনেধৰণৰ প্ৰশ্ন কৰিলে ল'ৰা-ছোৱালীয়ে কি উত্তৰ দিব? তাৰ ওপৰি এইবিলাক বৰ লজ্জাজনক কথা। মই আশা কৰো চৰকাৰ আজিও আছে, গোটেই চৰকাৰ শেষ হৈ যোৱা নাই। গতিকে এই চৰকাৰে এতিয়াও ব্যৱস্থা গ্ৰহণ কৰিবলৈ যথেষ্ট সময় আছে। এনেকুৱাই দৃষ্টান্ত যদি চলি থাকে তেনেহলে এইখন দেশত কোনোৰকমৰ শাসনেই চলিব নোৱাৰিব। জঙ্গলৰ ৰাজ্য হব। এই জঙ্গলৰ এইবিলাক অৱস্থা আজি ডেৰ মাহে চলি আছে। আৰু আমি এইবিলাক নীৰৱে সহ্য কৰি থাকিব লগা হৈছে। আমাৰ ইয়াত কোনো ব্যক্তিগত স্বাৰ্থ নাই। কিহৰ কাৰণে আজি আমি এইবিলাকৰ বাবে চকু দিছো এইটো মাত্ৰ আমাৰ দেশৰ সন্মান হানি হোৱাৰ কাৰণে। আজি আমাৰ নিবনুৱা যুৱক-যুৱতী সকলক অপমানিত কৰা হৈছে। আজি আমাৰ স্বভাৱবিলাকে বনৰীয়া হৈ গৈছে। প্ৰকৃতিৰ যি শান্ত, সৌম্য ৰূপ সেইটো মানুহৰ অন্তৰৰ যোগেদি ৰূপ দিয়াৰ বাবেই আমাৰ গছ-গছনিৰ প্ৰয়োজন। চোৰাং কাৰবাৰৰ কাৰণে গছ-গছনিৰ প্ৰয়োজন নহয়। এইখন সমাজৰ শান্তি, সমৃদ্ধি, সুখ আদিৰ বাবেই গছ-গছনিৰ প্ৰয়োজন। বনৰ প্ৰয়োজন, বনবিভাগৰ প্ৰয়োজন। এই বন বিভাগতো বিভিন্ন ঠাইত বিভিন্ন ধৰণেৰে দুৰ্নীতি চলি আছে। মই মাত্ৰ এই বিষয়টো উত্থাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো। আৰু

যাতে চৰকাৰে এনে ধৰণৰ কু-কাৰ্য্য, বলিয়ালী চলিবলৈ নিদিয়ে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ কৰিলোঁ।

শ্ৰীবিমল গয়াৰী—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বন বিভাগৰ কথা মাননীয় দাস ডাঙৰীয়াই কৈছেই মই মাত্ৰ দুটামান কথাহে কবলৈ বিচাৰিছো। বিশেষকৈ আমাৰ জনজাতীয় লোক সকল বনৰ মাজতে থাকে। তেওঁ-লোকে তাহানিৰ দিনৰ দৰেই হাবি জংঘলৰ মাজত বন্য জন্তু চিকাৰ কৰি বন্য জন্তুৰ দৰেই বাস কৰি আছে। এনে অৱস্থাত আমি যিটো লক্ষ্য কৰিছো আমাৰ অতিকৈ পিচপৰা জন-জাতি সকলক বিশেষকৈ হাবি জংঘলত বসবাস কৰি থকা জনজাতি সকলক যদি সহানুভূতিৰে স্নেহৰ চকুৰে যদি বন বিভাগে নাচাই তেনেহলে এই লোক সকলৰ উন্নতি সাধন কৰা অসম্ভৱ। যিহেতুকে এই মেহনতি আৰু পৰিশ্ৰমী লোক সকল সাধাৰণতে গাওঁত থাকে বা হাবি জংঘল থকা ঠাইত থাকে, এই লোক সকলেই বন্য সম্পদ ৰক্ষনাবেক্ষন কৰে।

Mr. Speaker—It is now 6.15 p.m. Discussion on Demands is over. Hon. Member Mr. Goyari will continue to-morrow. Now item No. 3 Shri Purna Boro.

## Calling Attention

Item No. 3

Shri Purna Boro—Sir, I beg to call the attention of the Minister, Education, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Nagarik' dated 11th August, 1983, under the caption "Durnitir ann ata nam pathyaputhi nigam".

শ্ৰীমুকুট শৰ্মা—'সাদিনীয়া নাগৰিকত' ১১ আগষ্টৰ সংখ্যাত প্ৰকাশিত 'দুৰ্নীতিৰ আন এটা নাম পাঠ্যপুথি নিগম' শীৰ্ষক বাতৰিত উল্লেখিত ডিব্ৰুগড়ৰ বিক্ৰী কেন্দ্ৰৰ দায়িত্বত থকা মেনেজাৰজন যোৱা জুলাই মাহত মটৰ চাইকেল দুৰ্ঘটনাত মৃত্যু হোৱা নাই। উত্তৰ লক্ষীমপুৰ বিক্ৰী কেন্দ্ৰৰ দায়িত্বত থকা মেনেজাৰ দিবাকৰ শৰ্মা যোৱা ১৬ এপ্ৰিল তাৰিখে ডিব্ৰুগড়ত এটা মটৰ চাইকেল দুৰ্ঘটনাত আহত হয় আৰু ৮ মে তাৰিখে অসম মেডিকেল কলেজ হাস্পাতালত তেওঁৰ মৃত্যু হয়। তেওঁক যোৱা মাৰ্চ মাহত ডিব্ৰুগড়ৰ পৰা উত্তৰ লক্ষীমপুৰলৈ বদলি কৰা হৈছিল। উত্তৰ লক্ষীমপুৰ বিক্ৰী কেন্দ্ৰত যোগদান কৰাৰ আগতেই তেওঁ ডিব্ৰুগড়ত দায়িত্বভাৰ চমজাই দিছিল। ডিব্ৰুগড় বিক্ৰি কেন্দ্ৰৰ দায়িত্বত থকাৰ সময়ত তেওঁ ডিব্ৰুগড়ৰ এজন কিতাপ ব্যৱসায়ীক ( নিগমৰ অনুমোদিত খুচুৰা বিক্ৰেতা বাণী মন্দিৰ ) বাকীকৈ দিয়া কিতাপৰ বাবদ প্ৰায় ৪ লাখ টকা অনাদায় হৈ আছিল। এই লেন দেনৰ কথাটো নিগমৰ মুখ্য কাৰ্য্যালয়ত এপ্ৰিল মাহত দৃষ্টি গোচৰ হয় আৰু ততালিকে সেই টকা পৰিশোধ কৰিবলৈ উক্ত পুস্তক বিক্ৰেতাক জনোৱা হয়। কাৰণ চৰকাৰৰ আদেশ নেথাকিলে নিগমৰ পৰা বাকীত কিতাপ দিয়া নিয়ম নাই। অৱশ্যে এই কিতাপবোৰ এটা চৰকাৰী বিভাগৰ বাবে দিয়া বুলি তেওঁ দেখুৱায়। নিগমৰ পৰা বিষয়টো পৰীক্ষা কৰিবলৈ ভঁৰাল নিয়ন্ত্ৰকক ডিব্ৰুগড়লৈ পঠোৱা হয় আৰু তেওঁৰ প্ৰতিবেদন মতে মেনেজাৰজনে ৫,২৮,৩৩৩.৮৫ টকাৰ কিতাপ বাকীকৈ দিছিল আৰু তাৰ বাবদ ১,৪১, ২০৬.৮৫ টকা পিচত আদায় কৰা হৈছিল। এই প্ৰতিবেদন সঞ্চালক পৰিষদৰ সভাত দাখিল কৰা হয় আৰু পৰিষদৰ সিদ্ধান্তক্ৰমে অনাদায় হৈ থকা টকাখিনি আদায় কৰিবলৈ নিগমৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে। মেনেজাৰজনে চিকিৎসাধীন হৈ থাকোতে কোৱা বুলি উল্লেখিত কথাখিনিৰ কোনো ভিত্তি বিচাৰি পোৱা নগল। যিহেতু তেনে ধৰণৰ কোনো নথিপত্ৰ বা নিৰ্ভৰযোগ্য বাতৰি বা প্ৰমাণ নিগমৰ হাতত নাই। নিগমৰ ৯ টা বিক্ৰী কেন্দ্ৰত হিচাব নোহোৱা প্ৰায় ১২ লাখ টকাৰ

বিষয়টো সঞ্চালক পৰিষদে ৯।১১।৮১ তাৰিখে গঠন কৰা এখন উপ সমিতিয়ে পৰীক্ষা কৰি আছে। নিগমৰ বিক্ৰী কেন্দ্ৰ সমূহত মজুত থকা কিতাপৰ হিচাপ বছৰেকত এবাৰ কৈ লোৱা হয়। আৰু হিচাপ পত্ৰ আৰু অধিক বিশদ ভাবে সময়ে সময়ে পৰীক্ষা কৰি চাবলৈ ব্যৱস্থা লোৱা হৈছে।

নিগমে একেটা বিক্ৰী কেন্দ্ৰৰ পৰা কোনো এজন মেনেজাৰকে ৭ বছৰ ধৰি ৰখা নাই কাৰণ জিলা বিক্ৰী কেন্দ্ৰ সমূহ খোলা ৭ বছৰ হোৱাই নাই। গুৱাহাটী বিক্ৰী কেন্দ্ৰৰ বৰ্ত্তমান ঘৰটোত কেইটামান সাপৰ পোৱালী ওলোৱাটো আৰু কেইখনমান "এন এপ্ৰোচ টু ইংলিছ গ্ৰামাৰ" উইয়ে খাই সামান্য নষ্ট কৰাটো সচা। এই বিষয়ে সংশ্লিষ্ট কীটনাশক ঔষধ দিয়া ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে।

নিগমৰ কৰ্ম্মচাৰী সকলৰ দাবীত আৰু নিগমৰ স্বাৰ্থতে গুৱাহাটী বিক্ৰী কেন্দ্ৰটো স্থানান্তৰ কৰা হৈছিল। নতুন ঘৰটো যোৱা ৫।১।৮৩ তাৰিখে লোৱা হয়। বিক্ৰীকেন্দ্ৰৰ মেনেজাৰজনে ঘৰটো এৰি দিব নোখোজা কথাটো আৰু ঘৰটো সম্পত্তি এৰি দিয়া কথাটো চিন্তা কৰা নাই।

নিগমৰ বিষয়া সকলৰ উপসমিতিৰ প্ৰতিবেদনত গুৱাহাটী বিক্ৰী কেন্দ্ৰৰ ১,৪৩,৬৮২.৪৯ টকাৰ কিতাপৰ খেলিমেলি দেখুওৱা হৈছিল। এই কথাটো সঞ্চালক পৰিষদৰ এখন উপসমিতিৰ পৰীক্ষাধীন হৈ আছে।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, এই অনাদায় হৈ থকা টকাখিনি আদায় কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী)—মই আগতেই কৈছো ইয়াৰ কাৰণে আমি ব্যৱস্থা লৈছো আৰু পুলিচৰ ওচৰত এইটো কেচ দিয়া হৈছে।

## Government Bill

Shri Zahirul Islam (Minister, Irrigation)—Sir, I beg leave to introduce the Assam Irrigation Bill, 1983.

(Leave granted)

Sir, I beg to introduce the bill.

(Secretary, A. L. A. read out the title of the bill)

Mr. Speaker—Bill introduced. The House stands adjourned till 10 A. M. on 15th September, 1983.

## Adjournment

The House was then adjourned till 10 A. M. on Thursday the 15th September, 1983.

**P. D. Barua**
Secretary
Assam Legislative Assembly

Dated, Dispur
the 14th September, 1983